# নির্মল হালৈ মহাবিদ্যালয় আলোচনী



সম্পাদক : বিনয় দত্ত

# নিৰ্ম্মল হালৈ মহাবিদ্যালয় আলোচনী

১৯৮৮-৮৯ ইং চন।

শ্ৰদ্ধা / মৰমেৰে—

প্ৰতি,—

শ্ৰী..............................................................

..............................................................

সম্পাদক,

সম্পাদক ঃ

শ্ৰীবিনয় দত্ত।

তত্বাৱধায়ক ঃ

শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী।

# নিৰ্ম্মল হালৈ মহাবিদ্যালয় আলোচনী

পাটাছাৰকুছি

বেটুপাতৰ শিল্পী :— শ্ৰীপংকজপদ চৌধুৰী।

অঙ্গ সজ্জা :— শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী।

মুদ্ৰণ :— শ্ৰীঅশান্ত কুমাৰ গোস্বামী।
শ্ৰীঅচিন্ত্য কুমাৰ গোস্বামী।
সৰ্ব্বেশ্বৰী প্ৰেছ, টিহু ( নলবাৰী )

## ঃ অশ্ৰু-অঞ্জলি ঃ

"শ্বহীদ নহয় তুমি জাতিৰ চেতনা।
মহত্তম ত্যাগ আৰু আত্মিক প্ৰেৰণা॥"

অসমৰ
ভাষা, মাধ্যম,
খাদ্য আৰু অস্তিত্ব
ৰক্ষাৰ আন্দোলনত প্ৰাণাহুতি
দিয়া বীৰ শ্বহীদ সকলৰ পবিত্ৰ
সোঁৱৰণত অশ্ৰু অঞ্জলি যাচিছোঁ।

# নিৰ্ম্মল হালৈ মহাবিদ্যালয় আলোচনী

সম্পাদনা সমিতি :-

উপদেষ্টা :

শ্ৰীযুত কৃষ্ণকান্ত গোস্বামী, অধ্যক্ষ।

শ্ৰীযুতা কণলেখা দেৱী।

তত্বাবধায়ক :

শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী।

সম্পাদক :

শ্ৰীবিনয় দত্ত।

সদস্য :

শ্ৰীযুত নিৰ্ম্মল শইকীয়া।

শ্ৰীঅনিল ৰয়।

শ্ৰীভবেশ শৰ্ম্মা।

শ্ৰীনৱ গোস্বামী।

শ্ৰীবাতুল ৰয়।

10

## ॥ দানেই পৰম ধৰ্ম্ম ॥



এই মহামন্ত্ৰেৰে দীক্ষিত হোৱা শ্ৰীযুত নিৰ্মল হালৈ শদিয়া নিবাসী এজন নিষ্ঠাবান সমাজকৰ্মী আৰু এজন অক্লান্ত পৰিশ্ৰমী। এখেতৰ জন্ম নলবাৰী জিলাৰ বৰঘোপা গাওঁত। যাৰ ৫,০০০০০,০০ (পাঁচ লাখ) লাখতকৈও অধিক টকাৰ দানেৰে আমাৰ মহাবিষ্ঠালয় প্ৰানোচ্ছল হৈ পৰিছে, এইজনা মহামান্য দাঁতাৰ সু-স্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰিলোঁ।

## "শোকাশ্ৰু"



যি গৰাকী মহীয়ষী দাতৃয়ে মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি এক বৃজন পৰিমাণৰ ধনৰ টোপলা মহাবিদ্যালয়লৈ আগবঢ়াইছিল সেই গৰাকী মহীয়ষী দাতৃ ৺সাবিত্ৰী চৌধুৰীৰ আকস্মিক বিয়োগত অশ্ৰুঅঞ্জলী যাঁচিছোঁ।

শ্ৰীদেৱ প্ৰসাদ বৰুৱা,
উপাচাৰ্য্য,
গুৱাহাটী বিশ্ববিদ্যালয়।

গুৱাহাটী-৭৮১০৪১

# শুভেচ্ছা

নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত সৰ্বপ্ৰথমবাৰৰ বাবে আলোচনী এখন উলিওৱাৰ প্ৰস্তুতি চলি আছে বুলি জানিব পাৰি আনন্দিত হৈছো আৰু এনে উদ্যমৰ কাৰণে সম্পাদনা সমিতিৰ শলাগ লৈছো। আমাৰ আশা যে আলোচনীখনত যাইকৈ ছাত্ৰ-ছাত্ৰীসমাজৰ সৃজনশীল প্ৰতিভাৰ প্ৰতিফলন হ'ব। মহাবিদ্যালয়ৰ লগত জড়িত সকলোলৈকে শুভেচ্ছা জনালো।

স্বাঃ দেৱ প্ৰসাদ বৰুৱা

তাং— ২৭/৯/৮৯

# শুভেচ্ছা

একোখন শিক্ষা প্ৰতিষ্ঠানৰ নিজস্ব আলোচনীয়ে একাধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। প্ৰথম, ই ছাত্ৰ-শিক্ষকৰ সমূহীয়া প্ৰচেষ্টাৰ গঠনমূলক কৰ্ম সম্পাদনৰ সুযোগ দিয়ে। দ্বিতীয়, ই জনসমাজত প্ৰতিষ্ঠানখনৰ চিত্ৰ উপযুক্ত ভাবে দাঙি ধৰাত সহায় কৰে। আৰু তৃতীয়তে, এনে একোখন আলোচনীয়ে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত থকা সাহিত্য প্ৰতিভাৰ কঠিয়াতলী হিচাপত কাম কৰে। পাটাছাৰকুছিৰ নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰথম সংখ্যা প্ৰকাশৰ আয়োজন চলিছে। এই উপলক্ষে সংশ্লিষ্ট সকলোটিলৈ মোৰ আন্তৰিক শুভেচ্ছা আগবঢ়াইছোঁ। আৰু আলোচনীখনৰ সুদীৰ্ঘ আৰু নিৰ্বিঘ্ন জীৱন কামনা কৰিছোঁ। নিৰ্ম্মল হালৈ মহাবিদ্যালয় আলোচনীয়ে নিজৰ ভূমিকা সাৰ্থকভাবে পালন কৰিব— এই আশা আৰু বিশ্বাসেৰে

স্বাঃ— শ্ৰী বীৰেন্দ্ৰ নাথ দত্ত।
অধ্যাপক আৰু বিভাগীয় প্ৰধান,
লোক-সংস্কৃতি গৱেষণা বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়।

তাং— ৭ ডিচেম্বৰ, ১৯৮৯

# শুভেচ্ছা

শ্রীপবিত্ৰ কুমাৰ তালুকদাৰ'
মহাবিদ্যালয় সমূহৰ পৰিদৰ্শক,
গুৱাহাটী বিশ্ববিদ্যালয়।

পাটাছাৰকুছিৰ 'প্ৰাগ্‌জ্যোতি মহাবিদ্যালয়ৰ' পৰা পোন প্ৰথমবাৰৰ বাবে এখন আলোচনী প্ৰকাশৰ আয়োজন চলিছে বুলি জানিব পাৰি বৰ আনন্দ পালো। ছাত্ৰ-ছাত্ৰী সকলে, এই আলোচনীৰ যোগেদি নিজৰ সাহিত্য জীৱনৰ পাতনি মেলাৰ সুবিধা পাব। শিক্ষক-শিক্ষয়িত্ৰী সকলেও এই আলোচনীৰ জৰিয়তে, ছাত্ৰ-ছাত্ৰী সকলক এই দিশত উৎসাহিত কৰিব বুলি আশা কৰিলো।

এই আলোচনীৰ মাধ্যমেৰে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীলৈ শুভেচ্ছা জনাই, আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰিলো।

স্বাঃ— পবিত্ৰ কুমাৰ তালুকদাৰ।
মহাবিদ্যালয় সমূহৰ পৰিদৰ্শক
গুৱাহাটী বিশ্ববিদ্যালয়।

তাং— ১৩।১২।৮৯ গুৱাহাটী— ১৪

Library
1979
Date 2

# ঃ সূচী-পত্র ঃ—


| | |
|---|---|
| সম্পাদকীয় | |
| নির্ম্মল হালৈ মহাবিদ্যাল - এটি চমু ইতিবৃত্ত | শ্ৰীজিতেন শৰ্ম্মা যুটীয়া সম্পাদক, মঃ পঃ সঃ |
| ঃ প্ৰবন্ধাৱলী ঃ | |
| সংস্কৃত সাহিত্যৰ মুকুট বিহীন সম্ৰাট কালিদাস | শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী, প্ৰৱক্তা সংস্কৃত বিভাগ। |
| শিক্ষাৰ ক্ষেত্ৰত ভাৰতীয় নাৰীৰ ভূমিকা | শ্ৰীসুৰেশ শৰ্ম্মা, একাদশ মান শ্ৰেণী। |
| শৰতৰ কবি পাৰ্বতি প্ৰসাদ | শ্ৰীৰূপলেখা দেৱী প্ৰৱক্তা অসমীয়া বিভাগ। |
| গদ্য শিল্পী গোহাঞি বৰুৱা | শ্ৰীগজেন্দ্ৰ নাথ গোস্বামী প্ৰৱক্তা, অসমীয়া বিভাগ |
| দৰ্শন আৰু সামাজিক পৰিবৰ্ত্তন। | শ্ৰীমানিক চন্দ্ৰ দাস, প্ৰৱক্তা দৰ্শন বিভাগ। |
| ঃ কবিতাকুঞ্জ ঃ | |
| স্বপ্ন | শ্ৰীমূনীন চৌধুৰী, উঃ প্ৰঃ বাৰ্ষিক। |
| সময়ৰ গান | শ্ৰীনিখিল ডেকা এম-এ প্ৰাক্তন প্ৰৱক্তা, অঃ বিঃ |
| তুমি তাতেই থাকিবা | শ্ৰীবুদ্ধেশ্বৰ কলিতা, দ্বিতীয় বাৰ্ষিক স্নাতক। |
| উদ্বিগ্নতা | শ্ৰীপবেশ কলিতা একাদশ শ্ৰেণী। |
| মমবাতি | শ্ৰীসতীশ দাস, দ্বাদশ মান শ্ৰেণী। |
| শুভেচ্ছা পত্ৰ | শ্ৰীপৱন কুমাৰ চৌধুৰী, স্নাতক দ্বিতীয় বাৰ্ষিক। |
| মোৰ আগন্তুক সমাধি | শ্ৰীপ্ৰদীপ কুমাৰ শৰ্ম্মা, একাদশ শ্ৰেণী। |
| ঃ গল্প ঃ | |
| অপেক্ষা | শ্ৰীসমেন দাস উঃ মাঃ প্ৰথম বাৰ্ষিক। |
| দায়ী কোন | শ্ৰীপৱন কলিতা স্নাতক দ্বিতীয় বাৰ্ষিক। |
| ঃ ৰম্য ৰচনা ঃ | |
| কি দুৰ্গা দেৱীৰ স্মাৰক-পত্ৰ | শ্ৰীভবেশ শৰ্ম্মা প্ৰাঃ মাঃ সঃ স্নাতক ৩য় বাৰ্ষিক। |

# সম্পাদকীয়

সম্পাদকীয় লিখাৰ আদিতেই দেশ তথা জাতিৰ অস্তিত্ব ৰক্ষাৰ কাৰণে প্ৰতিটো সংকটপূৰ্ণ মুহূৰ্ত্তত যিসকল বীৰ-বীৰাঙ্গনাই বুকুৰ কলিজাৰ কেঁচা তেজ ঢালি-ঢালি মাতৃ-পূজাৰ ভক্তি-অৰ্ঘ্য নিবেদিলে, সেই পবিত্ৰ শ্বহীদসকললৈ মোৰ হিয়াৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

"অসমীয়া ভাষা মোৰ ধৰ মৰমৰ,
জনম সাধনা মোৰ কত জনমৰ।"

ভাষা-সংস্কৃতিৰ একান্ত সাধনাই হ'ল জীৱনৰ অহোপুৰুষাৰ্থ। পৃথিবীত তাৰ বাবে কতজনে জীৱন পাত কৰি গৈছে তাৰ সীমা সংখ্যা নাই। যাৰ ভাষা-সংস্কৃতিৰ অভাৱ, বিশ্বৰ বুকুত তাৰ নিজক চিনাকি দিবলৈও অভাৱ। ভাষা-সংস্কৃতিক জীয়াই ৰাখিবলৈ সাহিত্য চৰ্চ্চাৰ নিতান্তই প্ৰয়োজন। কিয়নো 'সাহিত্যই হৈছে এটা জাতিৰ দাপোন" স্বৰূপ। যেনেকৈ এখন দাপোনত এটা মানুহৰ প্ৰতিবিম্ব সুন্দৰ ভাবে প্ৰতিবিম্বিত হয় অৰ্থাৎ মানুহজনৰ সম্পূৰ্ণ ৰূপটো দাপোনখনত ফুটি উঠে, ঠিক তেনেকৈ এটা জাতিৰ প্ৰতিচ্ছবি সুন্দৰ ভাবে প্ৰতিবিম্বিত হয় সেই জাতিৰ সাহিত্যত। দেশৰ বৰ্ত্তমানৰ অস্থিৰ অৱস্থাত চাৰিও-ফালে এক অস্থিৰতাই বিৰাজ কৰিছে। অশুভ শক্তিবিলাকে দেশখনক চাৰিও-ফালে গ্ৰাস কৰিব ধৰিছে, য'ত এতিয়া মুকলি আকাশৰ পৰা সাহিত্যাকাশলৈ চৌদিশে এক দূষিত পৰিবেশে আচ্ছন্ন কৰি পেলাইছে। অসমখন ভাঙি ভাঙি নিঃশেষ কৰি দিয়া শক্তিবোৰে আকৌ অসমখন ভাঙিবলৈ প্ৰয়াস কৰিছে; এক চাতুৰ্য্য নীতিৰে। ইয়াৰ সংস্কৃতিত, ইয়াৰ সাহিত্যত কুৰি শতিকাৰ পোহৰৰ উন্মেষ ঘটাটো সেই অশুভ শক্তিবোৰৰ কাম্য নহয়। এই অশুভ শক্তিবোৰৰ অপচেষ্টা ব্যাহত কৰিব নোৱাৰিলে (দেশ তথা) জাতিসত্বা হৈ পৰিব দুৰ্ব্বল, আৰু দীৰ্ঘদিনীয়া সম্প্ৰীতিৰ এনাজৰী হৈ পৰিব ছিন্ন-ভিন্ন। তাৰ বাবে লাগিব চিন্তাশীল সকলৰ সুস্থিৰ চিন্তা-চৰ্চ্চা, আৰু সাহিত্যিক তথা সাংস্কৃতিক চিন্তাৰ এক নৱ জাগৰণ।

সাহিত্যিক অবিহণা অবিহনে পূৰ্ণতা লাভ নকৰা এই মহাবিদ্যালয়ৰ কথা

চিন্তা কৰি মই এইবাৰ পোনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ মুখপাত্ৰখন উলিয়াবলৈ প্ৰয়াস কৰিছোঁ। অৱশ্যে ইয়াত ভুল ভ্ৰান্তি হোৱাটো স্বাভাৱিক। তাৰ বাবে সদৌটিৰ ওচৰতে মই পোনতে ক্ষমা চাইছোঁ। এটা স্থায়ী পুঁজিৰ অভাৱত এখন আলোচনী প্ৰকাশ কৰাটো কিমান দুঃসাধ্য, সেইটো কাৰো অবিদিত নহয়। তথাপিও এই আলোচনীখন প্ৰকাশ কৰাৰ বাবে যি দুৰ্বাৰ সাহস, অপৰিসীম চেষ্টা যি জনাৰ, সেইজনা শ্ৰদ্ধেয় শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী চাৰলৈ মোৰ কৃতজ্ঞতাৰ অঞ্জলি যাচিছোঁ। যাৰ পৰামৰ্শ অবিহনে মোৰ বাবে আলোচনীখন প্ৰকাশ কৰা এক অসম্ভৱ কথা হৈ পৰিছিল।

আনহাতে এই আলোচনীখন পোহৰৰ পথলৈ উলিয়াই অনাৰ বাবে আৰ্থিক দিশত সাহায্য আগবঢ়োৱা অধ্যক্ষ মাননীয় শ্ৰীযুত কৃষ্ণকান্ত গোস্বামী দেৱলৈ মোৰ শ্ৰদ্ধা যাচিছোঁ। এই ক্ষেত্ৰত আলোচনী সম্পাদনা সমিতিৰ সমূহ সদস্য / সদস্যাক মোৰ হিয়াৰ কৃজ্ঞতা জনাবলৈ পাই নিজে ধন্য মানিছোঁ। সদৌ শেষত ১৯৮৮-৮৯ ইং চনৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্ব্বাচনত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক আলোচনী সম্পাদকৰ পদত বিপুল ভোটেৰে জয়যুক্ত কৰি সাহিত্য সেৱা কৰাৰ বাবে সুযোগ কণ দিলে সেইসকল বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ ঋণী হৈ ৰম। এই আলোচনীখনৰ বেটুপাতটি আঁকি আলোচনীখনৰ যি মহৎ-কাৰ্য্য সাধিলে তাৰ বাবে মই শ্ৰীযুত পংকজপদ চৌধুৰীৰ ওচৰত চিৰ কৃতজ্ঞ। আলোচনীখন বহুত আলৈ-আহুকালৰ মাজেৰে পলমকৈ প্ৰকাশ কৰাৰ বাবে সকলোৰে ওচৰত মাৰ্জ্জনা বিচাৰি এই আলোচনীৰ লগতে মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি সম্পাদকীয়ৰ সামৰণি মাৰিলোঁ।

জয়তু নিৰ্ম্মল হালৈ মহাবিদ্যালয়।

শ্ৰীবিনয় দত্ত।
সম্পাদক, আলোচনী বিভাগ।

# নিৰ্মল হালৈ মহাবিদ্যালয়

## —এটি চমু ইতিবৃত্ত।

শ্ৰীজিতেন্দ্ৰ নাথ শৰ্ম্মা।
যুটীয়া সাধাৰণ সম্পাদক,
মহাবিদ্যালয় পৰিচালনা সমিতি।

পাটাছাৰকুছি অসমৰ ভিতৰত এখন ঐতিহ্যপূৰ্ণ প্ৰাচীন ঠাই। ই বজালী চক্ৰৰ প্ৰশাসনিক কেন্দ্ৰ। পাটাছাৰকুছিয়েই বজালীৰ প্ৰাণবিন্দু। পাটাছাৰকুছি অবিহনে বজালী শূণ্যশালা। পাটাছাৰকুছি অসম বিধান সভাৰ এটি সমষ্টিৰো নাম। অতীজৰে পৰা শিক্ষাৰ ক্ষেত্ৰত পাটাছাৰকুছিয়ে বিশেষ অৰিহণা যোগাই আহিছে। ইং ১৯১০ চনত পাটাছাৰকুছিত এখন মধ্য ইংৰাজী বিদ্যালয় স্থাপন হৈছিল। বৰ্ত্তমানৰ বৰপেটা জিলাত সেই সময়ত বৰপেটা চৰকাৰী হাইস্কুল আৰু পাটাছাৰকুছি মধ্য ইংৰাজী বিদ্যালয়ত বাহিৰে ইংৰাজী শিক্ষাৰ আন কোনো শিক্ষানুষ্ঠান নথকাত বিভিন্ন প্ৰান্তৰ পৰা ইংৰাজী শিক্ষা লবলৈ পাটাছাৰকুছিলৈ বহুতো মেধাবী ছাত্ৰৰ সমাগম হৈছিল। অসম উচ্চ ন্যায়ালয়ৰ প্ৰথম মুখ্য ন্যায়াধীশ ৺হলিৰাম ডেকা, ৺হৰেন্দ্ৰ নাথ শৰ্ম্মা অধ্যাপক শ্ৰীৰজনী কান্ত দেৱ শৰ্ম্মা প্ৰভৃতি কৃত বিদ্য লোকসকল এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আছিল। ইং ১৯৩৫ চনত শিক্ষা-বিদ ৺হৰেন্দ্ৰনাথ শৰ্ম্মাই পাটাছাৰকুছি বিদ্যা-পীঠ স্থাপন কৰে। পাটাছাৰকুছি বিদ্যাপীঠ বজালীৰ দ্বিতীয়খন হাইস্কুল আৰু ৺শৰ্ম্মাদেৱৰ যত্নত যে অসমৰ ভিতৰত এখন খ্যাতিসম্পন্ন হাইস্কুলত পৰিণত হৈছিল তাক দোহাৰিবৰ প্ৰয়োজন নাই। কালক্ৰমত পাটাছাৰকুছি বিদ্যা-পীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈ

শিক্ষা জগতত এক গৌৰৱপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। নাৰী শিক্ষাৰ ক্ষেত্ৰতো পাটাছাৰকুছি অগ্ৰণী আছিল। ১৯৬৩ চনত আঞ্চলিক ৰাইজৰ চেষ্টাত ইয়াত এখন ছোৱালী হাইস্কুল স্থাপন হয়।

মাধ্যমিক আৰু উচ্চ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত পাটাছাৰকুছিয়ে এক বৈশিষ্ট্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল যদিও ওচৰত বজালী মহাবিদ্যালয় আৰু টিহু মহাবিদ্যালয় থকা বাবে ইয়াত এখন স্বকীয়া মহাবিদ্যালয়ৰ প্ৰয়োজন অনুভৱ কৰা নাছিল।

ইং ১৯৭৮ চনৰ কথা। সেই সময়ত বৰ্ত্তমান বৰপেটা জিলা আছিল বৰপেটা মহকুমা। মহকুমাধিপতি আছিল মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ শৰ্ম্মা। শৰ্ম্মাদেৱ এজন সুদক্ষ প্ৰসাশনিক বিষয়াৰ উপৰিও আছিল এজন বিজ্ঞ সংস্কৃত পণ্ডিত। মাজে সময়ে তেখেত পাটাছাৰকুছিলৈ আহি ধৰ্ম্মবিষয়ৰ বিভিন্ন আলোচনা কৰিছিল। কথা প্ৰসঙ্গত শৰ্ম্মাদেৱে পাটাছাৰকুছিত এখন মহাবিদ্যালয় স্থাপনৰ কাৰণে পৰামৰ্শ আগবঢ়াইছিল। শৰ্ম্মাদেৱৰ নিচিনাকৈ বৰপেটা ৰোডহাউলী মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় সত্য দাস দেৱেও পাটাছাৰকুছিত এখন মহাবিদ্যালয় স্থাপনৰ কাৰণে উৎসাহ যোগাইছিল এই দুয়োজন ব্যক্তি আমাৰ চিৰ নমস্য। তেখেত সকলৰ পৰা অনুপ্ৰেৰণা পাই ১৯৭৮ চনৰ ১৫ আগষ্ট শুক্লা ত্ৰয়োদশী তিথিৰ দিনা পাটাছাৰকুছি বিদ্যাপীঠত শ্ৰীৰঘুনাথ দেৱ চৌধুৰীৰ সভাপতিত্বত এখন প্ৰতিনিধিমূলক সভা বহে আৰু পাটাছাৰকুছিত এখন মহাবিদ্যালয় পতাত একমত হৈ পাটাছাৰকুছি উন্নয়ণ সমিতিক এখন ৰাজহুৱা সভা আহ্বান কৰাৰ দায়িত্ব দিয়ে। লগতে তলত লিখা সদস্যসকলক লৈ এখন আঁচনি সমিতি গঠন কৰি দিয়া হয়। আঁচনি সমিতিৰ সদস্য সকল হ'ল— সৰ্ব্বশ্ৰী ৰঘুনাথ দেৱ চৌধুৰী, যোগেশ্বৰ গোস্বামী, মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, জিতেন্দ্ৰ নাথ শৰ্ম্মা আৰু ভাবিত চন্দ্ৰ হালৈ। প্ৰতিনিধিমূলক সভাৰ সিদ্ধান্তৰ মৰ্মে উন্নয়ণ সমিতিৰ হকে সৰ্ব্বশ্ৰী মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, জিতেন্দ্ৰ নাথ শৰ্ম্মা আৰু বিনোদ চন্দ্ৰ গোস্বামীয়ে ইং ১২/১০/৭৮ তাৰিখে এখন ৰাজহুৱা সভা আহ্বান কৰে। সভাত সভাপতিত্ব কৰে ৺ডাঃ হোমেশ্বৰ চৌধুৰীদেৱে। নিমন্ত্ৰণী চিঠিত সভাৰ উদ্দেশ্য দিয়া হৈছিল 'পাটাছাৰকুছিত এখন স্নাতক মহাবিদ্যালয় স্থাপন কৰা সম্বন্ধে আলোচনা কৰা।' কিন্তু সভাত সিদ্ধান্ত হ'ল পাটাছাৰকুছিত এখন প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী থকা মহাবিদ্যালয় স্থাপন কৰা। এই সিদ্ধান্তটো বৰ সমীচীন সিদ্ধান্ত আছিল বুলি ক'ব নোৱাৰি। পাটাছাৰকুছিত যেহেতু প্ৰাক্ বিশ্ববিদ্যালয়ৰ সমপৰ্য্যায়ৰ পাঠ দান কৰা এটি শিক্ষানুষ্ঠান আছে, গতিকে সেই সময়ত স্নাতক



মহাবিদ্যালয় এখন খোলাৰ সিদ্ধান্ত লোৱাহে সময়োচিত আছিল। কিন্তু সেইয়া হৈ নুঠিল, যাৰ ফলত পৰৱৰ্ত্তী সময়ত মহাবিদ্যালয় প্ৰতিস্থাপক সমিতিয়ে বিভিন্ন ক্ষেত্ৰত উজুতি খাব লগা হৈছিল আৰু প্ৰতি পদক্ষেপতে বাধাৰ সৃষ্টি হৈছিল আনকি চৰকাৰৰ ঘৰতো। উক্ত ৰাজহুৱা সভাত ৺ডাঃ হোমেশ্বৰ দেৱ চৌধুৰীক সভাপতি আৰু শ্ৰীযোগেশ্বৰ গোস্বামীক সম্পাদক হিচাপে লৈ এখন প্ৰস্তুতি সমিতি গঠন কৰি দিয়া হয়। শ্ৰীজিতেন্দ্ৰ নাথ শৰ্ম্মা আৰু চৰিফউদ্দিন আহমদক যুটীয়া সম্পাদকৰ দায়িত্বত ৰখা হয়। প্ৰস্তাৱিত মহাবিদ্যালয়খনৰ নাম "প্ৰাগ্‌জ্যোতি মহাবিদ্যালয়, পাটাছাৰকুছি" ৰাখিবলৈ উক্ত সভাতে সিদ্ধান্ত লোৱা হয়। প্ৰস্তুতি সমিতিয়ে আঁচনি সমিতিৰ পৰামৰ্শমতে কামত অগ্ৰসৰ হয়। প্ৰথমে আৰম্ভ হ'ল একৈশ টকীয়া সদস্য ভৰ্ত্তিৰ অভিযান। ছয় মাহ মানৰ ভিতৰতে প্ৰায় পাঁচ শ মান সদস্য ভৰ্ত্তি কৰা হ'ল আৰু পাটাছাৰকুছিত এখন মহাবিদ্যালয় স্থাপনৰ বাবে ৰাইজক সচেতন কৰি যোগাই তোলা হ'ল।

এবছৰৰ মূৰত পুনৰ এখন ৰাজহুৱা সভা আহ্বান কৰা হয়। এই সভাত প্ৰস্তুতি সমিতিয়ে পদত্যাগ কৰে আৰু অধ্যাপক ৰজনী কান্ত দেৱ শৰ্ম্মাক সভাপতি আৰু শ্ৰীউমেশ চন্দ্ৰ দেৱ চৌধুৰীক সম্পাদক হিচাপে লৈ এখন নতুন সমিতি গঠন কৰা হয় আৰু সেই বছৰতে প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিক শ্ৰেণী খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়— ৰাইজৰ নিভাজ সমৰ্থন ক্ৰমে। শ্ৰেণী খোলাৰ সিদ্ধান্ত আছিল নিমস নোহোৱাকৈ থেকেৰা কুটাৰ নিছিনা। প্ৰথম ধনৰ অভাৱ। দ্বিতীয়তে নাই ঘৰ-মাটি, নাই প্ৰৱক্তা। বিদ্যাপীঠৰ উচ্চতৰ মাধ্যমিক শাখাৰ বিষয় শিক্ষক সকল পাঠ দানৰ বাবে আগবাঢ়ি অহাত শিক্ষকৰ সমস্যা দূৰ হ'ল যদিও মাটি আৰু ঘৰৰ সমস্যা থাকি গ'ল। অৱশেষত ১৯৭৯ চনৰ ৩০ জুলাই তাৰিখৰ পৰা প্ৰাচ্য সংঘৰ ৰঙ্গমঞ্চতে ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি কাম আৰম্ভ কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছিল ৫২ গৰাকী। বিদ্যাপীঠৰ বিষয় শিক্ষক আৰু সামান্য পৰিতোষিকত নিয়োগ কৰা শিক্ষক সকলৰ দ্বাৰা প্ৰাচ্য সংঘৰ ৰঙ্গমঞ্চতে পাঠ দান কাৰ্য্য চলাই থকা হ'ল। ইতিমধ্যে আৰম্ভ হ'ল অস্তিত্ব ৰক্ষাৰ বাবে ছ-বছৰীয়া অসম আন্দোলন। আন্দোলনে মহাবিদ্যালয়ৰ অগ্ৰগতিত বিশেষ বাধা প্ৰদান কৰিলে। মহাবিদ্যালয়খন নমৰি কোনোমতে জী থাকিল— অনানুষ্ঠানিক ভাবে। ইফালে মহাবিদ্যালয় সমিতিৰ পট পৰিবৰ্ত্তন হ'ল। শ্ৰীউমেশ চন্দ্ৰ দেৱ চৌধুৰীৰ ঠাইত শ্ৰীগোলকেশ্বৰ গোস্বামীক সম্পাদক পতা হ'ল। আগৰছোৱা কালত শ্ৰীকৃষ্ণকান্ত গোস্বামীক অবৈতনিক অধ্যক্ষ হিচাপে ৰখা হৈছিল যদিও গোস্বামীৰ কাৰ্য্যকালত শ্ৰীশিৱ নাথ শৰ্ম্মা এম-এ শাস্ত্ৰীদেৱক মহাবিদ্যালয়ৰ

অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। ব্যক্তিগত অসুবিধাত শ্ৰীগোলকেশ্বৰ গোস্বামীয়ে পদত্যাগ কৰাত শ্ৰীগিৰীন্দ্ৰ নাথ শৰ্ম্মা সম্পাদক নিৰ্ব্বাচিত হয়। অসম আন্দোলনে বিত্ত শৰ্ম্মাৰ কাৰ্য্যকালতো মহাবিদ্যালয়খনক গতিশীলতাৰ পৰিবৰ্ত্তে স্থবিৰতাত ৰখাতহে সহায় কৰিলে। বজালী আৰু টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ দুগৰাকীৰ অনুগ্ৰহত প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰ বাবে দুয়োগৰাকী অধ্যক্ষ ক্ৰমে শ্ৰীৰাজেন্দ্ৰ নাথ শৰ্ম্মা আৰু শ্ৰীশৈলেন মেধি ডাঙৰীয়া শ্ৰদ্ধাৰ পাত্ৰ। মহাবিদ্যালয়ৰ শ্ৰেণী খোলাৰ বিভাগীয় অনুমতি লাভ কৰা নাইবা মহাবিদ্যালয়ৰ স্থায়ী মাটি-ঘৰৰ ব্যৱস্থা কৰা ৰবৰ কথা সাত মাহ ধৰি সাধাৰণ পাৰিশ্ৰমিকখিনি দিব নোৱাৰাত অধ্যক্ষ শৰ্ম্মাদেৱ মহাবিদ্যালয়লৈ অহাৰ পৰা বিৰত থাকিল। নামমাত্ৰ পাৰিতোষিকত নিযুক্তি দিয়া প্ৰৱক্তাসকলৰ এজন এজনকৈ গুছি যাব ধৰিলে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'লগৈ একেবাৰে নগণ্য। ইতিমধ্যে আহিল ১৯৮৩ চনৰ ৰক্তক্ষয়ী বিধান সভাৰ নিৰ্ব্বাচন। দেশত এটি বিৰাট হুলস্থূল। এনে এটি সঙ্কট অৱস্থাত ৰাজহুৱা সভা বহি অধ্যাপক শ্ৰীৰজনী কান্ত দেৱ শৰ্ম্মাক সভাপতি, শ্ৰীকৃষ্ণকান্ত গোস্বামীক কাৰ্য্যকৰী সভাপতি, শ্ৰীগণেশ চন্দ্ৰ দেৱ চৌধুৰীক সম্পাদক, শ্ৰীজিতেন্দ্ৰ নাথ শৰ্ম্মা আৰু শ্ৰীভাবিত চন্দ্ৰ হালৈক যুটীয়া সম্পাদক হিচাপে লৈ এখন নতুন সমিতি গঠন কৰি দিয়ে।

১৯৮৩ চনৰ ১৩ অক্টোবৰ তাৰিখে আমি কাৰ্য্যভাৰ গ্ৰহণ কৰো। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আমি অক্টোবৰ মাহৰ ভিতৰতে দিচপুৰলৈ গৈ অৱৰ শিক্ষা সচিব শ্ৰীমতী সুচিব্ৰতা ৰায় চৌধুৰীক লগ ধৰি পাটাছাৰকুছিত প্ৰাগ্‌জ্যোতি মহাবিদ্যালয়ৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ অনুমতি প্ৰদান কৰাৰ বাবে আবেদন জনাওঁ। ৰায় চৌধুৰী আমাৰ প্ৰতি বৰ সহানুভূতিশীল আছিল যদিও চৰকাৰী নীতি অনুসৰি মহাবিদ্যালয়ৰ নিজা মাটি আৰু ঘৰ নাথাকিলে অনুমতি প্ৰদান যে কৰিব নোৱাৰে সেই বিষয়ে আমাক ভালদৰে বুজাই কলে। যেহেতু মাটি-ঘৰ সহজে কৰাটো আমাৰ পক্ষে সাধ্যাতীত আছিল, গতিকে আমি হতাশ হৈ উভতি আহিলো। আনুষ্ঠানিক ভাবে যদিও মহাবিদ্যালয়ৰ শ্ৰেণী খোলা হৈছিল ১৯৮৩ চনলৈকে চৰকাৰীভাৱে তাৰ কোনো স্থিতি নাছিল। আমি হতাশ হৈছিলো যদিও ধৈৰ্য্য হেৰুৱা নাছিলো। কামত লাগি থাকিলো। মাটিৰ বিষয়ত বৰপেটাৰ তদানীন্তন অতিৰিক্ত উপায়ুক্ত শ্ৰীজিতেন গোস্বামীয়ে বিশেষ সহায় কৰাত মাটিৰ সমস্যা অস্থায়ী ভাবে দূৰ হ'ল যদিও ঘৰৰ সমস্যা সমাধান কৰাৰ একো উপায় নথকাত প্ৰাচ্য সংঘৰ ৰঙ্গমঞ্চটো মহাবিদ্যালয়ৰ নামত ৰেজেষ্টী দলিলযোগে দান দিবলৈ সংঘৰ



কৰ্তৃপক্ষক অনুৰোধ জনালোঁ। বহু বাধা আৰু সমালোচনাৰ সন্মুখীন হৈও সংঘৰ সভাপতি শ্ৰীশ্ৰীপদ চৌধুৰীয়ে আমাৰ অনুৰোধ ৰক্ষা কৰিলে। আমি কৃতাৰ্থ মানিলো। ঘৰ আৰু মাটিৰ সমস্যা সাময়িক ভাবে দূৰ হোৱাত মহাবিদ্যালয় প্ৰাক্ বিশ্ববিদ্যালয়ৰ শ্ৰেণী খোলাৰ অনুমতি বিচাৰি শিক্ষাধিকাৰৰ কাষ চাপিলো। সেই সময়ত শিক্ষাধিকাৰ আছিল ড' শৈলজানন্দ ভড়ালী। ভড়ালীদেৱে কোনো পধ্যেই প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ অনুমতি দিবলৈ সন্মত নহল। তেওঁৰ যুক্তি হ'ল পাটাছাৰকুছিত প্ৰাক্ বিশ্ববিদ্যালয়ৰ সমপৰ্য্যায়ৰ পাটাছাৰকুছি বিদ্যাপীঠ আছে, যি খন অসমৰ ভিতৰতে এখন লেখত লবলগীয়া শিক্ষানুষ্ঠান। পাটাছাৰকুছিত প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ অনুমতি দিয়া মানে পাটাছাৰকুছি বিদ্যাপীঠৰ ক্ষতি সাধন কৰা। তেখেতৰ মতে পাটাছাৰকুছিৰ বাইজে প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ পৰিবৰ্ত্তে স্নাতক শ্ৰেণী খোলাৰ সিদ্ধান্তহে লব লাগিছিল। তেতিয়া তেখেতে সহজে শ্ৰেণী খোলাৰ অনুমতি দিব পাৰিলেহেতন। আমাৰ সজাতি দলত সভাপতি শ্ৰীৰজনী কান্ত দেৱ শৰ্ম্মাও আছিল। তেখেতে পাটাছাৰকুছিত প্ৰাক্ বিশ্ববিদ্যালয়ৰ শ্ৰেণী খোলাৰ সপক্ষে বহুতো সবল যুক্তি দাঙি ধৰিছিল। শৰ্ম্মাদেৱে শিক্ষাধিকাৰক কোৱা কেইটামান কথা আজিও মোৰ মনত আছে। শৰ্ম্মাদেৱে কৈছিল— 'ভড়ালী, তুমি সোঁতৰ বিপৰীতে গৈছা। আজি তুমি শিক্ষাধিকাৰৰ চকীত আছা গতিকে তুমি আমাক শ্ৰেণী খোলাৰ অনুমতি নিদিব পাৰা। কিন্তু তুমি সদায় এইখন চকীত নাথাকিবা। পাটাছাৰকুছিৰ ৰাইজে তাত এখন কলেজ পাতিব আৰু শ্ৰেণী খোলাৰ অনুমতিও লাভ কৰিব আৰু সেইখন কলেজে সময়ত অসমৰ ভিতৰত এখন সৰ্ব্বাঙ্গ সুন্দৰ কলেজ হৈ উঠিব।" আমি অবাক হৈ তেখেতৰ কথা শুনি থাকিলোঁ। কেই দিনমান পিচত পাটাছাৰকুছি বিদ্যাপীঠৰ অধ্যক্ষলৈ শিক্ষাধিকাৰৰ পৰা এখন গোপন চিঠি আহিল। সোধা হ'ল— প্ৰতি বছৰে বিদ্যাপীঠৰ উচ্চতৰ মাধ্যমিক শাখালৈ কিমান ছাত্ৰ ছাত্ৰী আহে আৰু ইয়াত এখন সমপৰ্য্যায়ৰ মহাবিদ্যালয় হ'লে বিদ্যাপীঠৰ কিবা ক্ষতি হব নেকি? অধ্যক্ষৰ পৰা অনুকূল প্ৰতিবেদন পোৱাত এমাহৰ ভিতৰতে ১৯৮৪-৮৫ চনৰ বাবে প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিক শ্ৰেণী খোলাৰ অনুমতি পালো। লগতে অৱৰ শিক্ষা সচিব ৰায় চৌধুৰী মহাশয়াৰ অনুগ্ৰহত লগে লগে চৰকাৰী অনুমোদনও লাভ কৰিলোঁ। এই প্ৰসঙ্গতে আমি অতিৰিক্ত উপায়ুক্ত শ্ৰীজিতেন গোস্বামী, প্ৰাচ্য সংঘৰ সভাপতি শ্ৰীশ্ৰীপদ চৌধুৰী, শিক্ষাধিকাৰ ভড়ালী ডাঙৰীয়া আৰু অৱৰ শিক্ষা সচিব ৰায়-চৌধুৰী মহোদয়াক আমাৰ অধুষ্ঠানটিক দেখুৱা সহৃদয়তাৰ বাবে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা

নিবেদিলো। মহাবিদ্যালয়ৰ সভাপতি শৰ্ম্মাদেৱকো তেখেতৰ বলিষ্ঠ নেতৃত্বৰ বাবে পাটাছাৰকুছিৰ ৰাইজে কোনোদিনে নাপাহৰে।

ইতিমধ্যে সৰুপেটাৰ শ্ৰীৰজনী কান্ত চৌধুৰীদেৱক নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হ'ল। তেখেতৰ যত্নতেই পোন প্ৰথমবাৰৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে আমাৰ মহাবিদ্যালয়ত এটা পি. উ পৰীক্ষা কেন্দ্ৰ মঞ্জুৰ কৰে। তেখেতে সুখ্যাতিৰে দুই বছৰ এই পৰীক্ষা কেন্দ্ৰ পৰিচালনা কৰে। তেখেতৰ দিনতেই শিক্ষা পৰিষদৰ পৰা উচ্চতৰ মাধ্যমিক শাখাৰ শ্ৰেণী খোলাৰ অনুমতি আৰু স্বীকৃতি লাভ কৰো আৰু স্নাতকশ্ৰেণী খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰো। কিন্তু দুখৰ বিষয় কাম কৰি থকা অৱস্থাতেই তেখেতৰ পৰলোক প্ৰাপ্তি হয়। তেখেতৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিলো।

পাটাছাৰকুছিত মাটিৰ সমস্যা এটা বৰ ডাঙৰ সমস্যা। মাটি দান পোৱা দূৰৰ কথা কিনিবলৈ পোৱা টান। চৰকাৰৰ ওচৰত আবেদন কৰি দলেগাওঁত (কুৱাৰা) ত্ৰিশ বিঘা এক লেছা চৰকাৰী মাটি মহাবিদ্যালয়ৰ নামত পাওঁ যদিও বহুখিনি মাটি কালদিয়া নদীৰ বুকুত আছে। মাটিখিনি মহাবিদ্যালয়ৰ কাৰণে উপযুক্ত নহয় যদিও বিভাগীয় কৰ্তৃপক্ষৰ পৰা প্ৰাক্ বিশ্ববিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক শাখাৰ শ্ৰেণী খোলাৰ অনুমতি লাভত সহায় কৰিছিল। মাটিখিনি বৰ্ত্তমানেও মহাবিদ্যালয়ৰ নামত আছে। বৰ্ত্তমান মহাবিদ্যালয়ৰ য'ত স্থায়ী গৃহ নিৰ্ম্মাণ হৈছে, এই মাটিখিনি আছিল পাটা সত্ৰৰ গোঁসাই সকলৰ। নামত যদিও তেওঁলোক পট্টাদাৰ মাটিডোখৰৰ অধিকাংশই আছিল আনৰ দখলত। উপায় বিহীন হৈ মাটিৰ স্থায়ী সমাধানৰ বাবে পাটাসত্ৰৰ গোঁসাই সকলৰ কাষ চাপিলো আৰু মাটি কিনাৰ প্ৰস্তাৱ আগবঢ়ালোঁ। তেখেত সকলে কলে— "আমি যদিও পট্টাদাৰ, মাটি আনৰ দখলত আছে। তাত দখলদাৰে ঘৰ বহুৱাইছে। দুই-এজনৰ বাহিৰে আধি দিয়া দূৰৰ কথা খাজনা খিনিও নিদিয়ে। তেওঁলোকে দখল এৰি নিদিলে আপোনালোকৰ মাটি কিনি কি লাভ হব? যদি তেওঁলোকৰ পৰা দখল লব পাৰে আমাৰ মাটি বিক্ৰী কৰাত আপত্তি নাই।" আমি তেতিয়া এখন সভা আহ্বান কৰি দখলদাৰ সকলক মাতি আনি কলো যে মাটি নহলে পাটাছাৰকুছিত মহাবিদ্যালয় নহব। আন ঠাইত মাটি কিনিবৰ সম্বল আমাৰ নাই। ৰাইজৰ স্বাৰ্থত তেওঁলোকক মাটিডোখৰৰ দখল এৰি দিবলৈ অনুৰোধ জনালোঁ। আবাহমান কালৰ পৰা দখল কৰি থকা মাটিৰ দখল এৰি দিব বুলি কোনেও কল্পনা কৰা নাছিল। কিন্তু আমাৰ অনুৰোধ আৰু ৰাইজৰ স্বাৰ্থলৈ লক্ষ্য কৰি সকলোকে বিস্ময়ান্বিত কৰি দখলদাৰ শ্ৰীবাতিৰাম



কলিতাই প্ৰথমে তেওঁৰ দখলত থকা মাটিখিনি দখল এৰি দিবলৈ সন্মতি জনালে। বয়সত শ্ৰেষ্ঠ শ্ৰীবাতিৰাম কলিতাক আমি সকলোৱেই 'বাতিকা' বুলি মাতো। বাতিকা যদিও অশিক্ষিত তাকেই শিক্ষাপ্ৰেমী মহান ব্যক্তি বুলিব লাগিব। বাতিকাই দখল এৰি দিবলৈ সন্মতি দিয়াত বাকী দখলদাৰ সকলেও নিজ নিজ দখলত থকা মাটিৰ দখল এৰি দিবলৈ প্ৰতিশ্ৰুতি আগবঢ়ালে। তেওঁলোকৰ এই ত্যাগ মহান ত্যাগ। এই ত্যাগৰ বিনিময়ত আমি ১৫/১০ লেছা মাটি কিনিবলৈ সক্ষম হলো। দখলদাৰ সকল আছিল— সৰ্ব্বশ্ৰী বাতিৰাম কলিতা দীন কলিতা, শনিয়া শীল, জনকু শীল, ভৱানী কলিতা, পঞ্চানন দাস, ধৰণী দাস আৰু হৰিচৰণ দাস। এওঁলোক আটাইকেইজন আঞ্চলিক ৰাইজৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ পাত্ৰ। এই আপাহতে মাটি বিক্ৰী কৰা বাবত পট্টাদাৰ পাটাসত্ৰৰ গোঁসাই সকলক আন্তৰিক শলাগ যাচিলোঁ। মাটি কিনাৰ ক্ষেত্ৰত আগভাগ লোৱা সহযোগী কৰ্ম্মী এজনৰ কথা সদায় মনত পৰে। তেখেত হৈছে হৰেন্দ্ৰ বল্লভ দেৱ চৌধুৰী।

অধ্যক্ষ ৰজনী কান্ত চৌধুৰীৰ মৃত্যুৰ পিচত অধ্যক্ষৰ সমস্যাই দেখা দিলে। কিছুদিনৰ বাবে শ্ৰীতৰুণ চন্দ্ৰ শৰ্ম্মাক ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে ৰখা হ'ল। অধ্যক্ষৰ বাবে স্থানীয় কেইবাজনো ব্যক্তিৰ কাষ চাপিলো। তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয় এখনত অধ্যক্ষ হব লাগিলে আৰ্থিক ভাবে বহুতো ক্ষতি স্বীকাৰ কৰিব লগা হয়। সেয়েহে কোনো এজনেও অধ্যক্ষ হৈ আহিবলৈ মান্তি নহল। মহাবিদ্যালয়ত কমেও দহ বছৰৰ শিক্ষাদানৰ অভিজ্ঞতা থকা ব্যক্তিক অধ্যক্ষ হিচাপে নাৰাখিলে স্নাতক শ্ৰেণী খোলাৰ অনুমতি আৰু স্বীকৃতি দিয়াত বিশ্ববিদ্যালয়ৰ বাধা আছে। আমি উপায়হীন হৈ পৰিলো। শেষত নাথকুছিৰ শ্ৰীকৃষ্ণকান্ত গোস্বামীৰ ওচৰলৈ গৈ তেখেতক আমাৰ মহাবিদ্যালয়খনৰ অধ্যক্ষ হৈ আহিবলৈ প্ৰস্তাৱ আগবঢ়ালোঁ। গোস্বামীৰ মহাবিদ্যালয়খনৰ প্ৰতি বিশেষ মৰম ভাব এটি আছিল। কাৰণ জন্ম-লগ্নৰে পৰা কাৰ্য্যকৰী সভাপতি হিচাপে গোস্বামী মহাবিদ্যালয়খনৰ লগত নিবিড় ভাবে জড়িত আছিল। অনিশ্চিত ভবিষ্যৎ এটিক আকোৱালী লৈ ত্যাগৰ মহামন্ত্ৰেৰে অনুপ্ৰাণিত হোৱা গোস্বামীৰ ভবিষ্যত জীৱনৰ অনিশ্চয়তা আৰু আৰ্থিক ক্ষতিৰ কথা চিন্তা কৰি সঙ্কিত হোৱা পত্নী আৰু অগ্ৰজ ভাতৃৰ বাধা নেওচি আমাৰ প্ৰস্তাৱৰ প্ৰতি সহাৰি জনালে। আমি স্বস্তিৰ নিশ্বাস পেলালো। ১৯৮৭ চনৰ ১৬ নবেম্বৰ তাৰিখেই গোস্বামীয়ে তেখেতৰ প্ৰাণৰ অনুষ্ঠানটিত অধ্যক্ষ হিচাপে যোগদান কৰিলে। গোস্বামী অধ্যক্ষ হিচাপে যোগদান কৰাত পাটাছাৰকুছিত যে মহাবিদ্যালয় এখন হব এই বিষয়ে ৰাইজ সুনিশ্চিত হ'ল। মহাবিদ্যালয়ৰ কৰ্ম্মীসকল দুগুণ উৎসাহেৰে কামত লাগি গ'ল। বিশ্ব-

বিদ্যালয়ৰ নিয়ম অনুযায়ী অধ্যক্ষ ৰখাত স্নাতক প্ৰথম বাৰ্ষিক খোলাৰ অনুমতি লাভ কৰিলোঁ।

অধ্যক্ষ আৰু মাটিৰ সমস্যা দূৰ হোৱাত ৰাইজৰ অনুদান, ৰাজ্যিক লটাৰী পুঁজিৰ পৰা পোৱা অনুদান, উপহাৰ অাঁচনি আৰু আৱাহন থিয়েটাৰৰ পৰা পোৱা ধনেৰে ৩০´ × ৩২´ ৰ তিনিটা কোঠা নিৰ্ম্মাণ কৰা হয়। এইখিনিতে এগৰাকী মহান ছাত্ৰীৰ কথা উল্লেখ কৰিব লাগিব। তেখেত হৈছে বেজকুছি গাওঁৰ শ্ৰীসাবিত্ৰী চৌধুৰী। মহাবিদ্যালয়লৈ দহ হাজাৰ টকা দান দিয়া তেখেত প্ৰথম গৰাকী ছাত্ৰী। এই গৰাকী মহিয়সী নাৰীৰ প্ৰতি সশ্ৰদ্ধ প্ৰণাম দিবেদিছোঁ। মহাবিদ্যালয় পৰিচালনা সমিতিৰ আপ্ৰাণ চেষ্টাত আৰু আঞ্চলিক ৰাইজৰ সক্ৰিয় সহযোগত বিশ্ববিদ্যালয়ৰ চৰ্ত্তসমূহ পূৰণ কৰি দ্বিতীয় বাৰ্ষিক শ্ৰেণী খোলাৰ অনুমতি আৰু স্নাতক প্ৰথম খণ্ডৰ স্বীকৃতি লাভ কৰিছো। বৰ্ত্তমান মহাবিদ্যালয়ে মাহিলী তিনি হাজাৰ টকাকৈ তদৰ্থ মঞ্জুৰী পাই আছে। আৱশ্যকীয় কোঠা সম্পূৰ্ণ হৈ উঠাত যোৱা ২৩/১/৮৮ ইং তাৰিখ পূণ্য মাঘী শ্ৰীপঞ্চমী তিথিৰ দিনা প্ৰাচ্য সংঘৰ ৰঙ্গমঞ্চৰ পৰা মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ নতুন ভৱনলৈ স্থানান্তৰিত কৰা হয় আৰু লগে লগে মহাবিদ্যালয়ৰ আলহী জীৱনৰ অৱসান ঘটে।

জন্ম লগ্নৰে পৰা যুটীয়া সম্পাদক হিচাপে একনিষ্ঠ ভাবে অনুষ্ঠানটিলৈ সেৱা আগবঢ়াই থকা শ্ৰীভাবিত চন্দ্ৰ হালৈৰ মোমায়েক শদিয়া নিবাসী দানবীৰ শ্ৰীনিৰ্ম্মল হালৈ পাটাছাৰকুছি লৈ অহাত হালৈ পত্নী শ্ৰীমতী ভবাণী হালৈ মোমায়েকক অভিযোগৰ সুৰত কলে যে স্বামী হালৈয়ে সদায় মহাবিদ্যালয়খনৰ কামতে ব্যস্ত থাকে ঘৰখনৰ প্ৰতি কিন্তু একেবাৰে উদাসীন। হালৈ-পত্নীৰ কথাই কিন্তু পাটাছাৰকুছি ৰাইজৰ মহৎ উপকাৰ সাধিলে। মোমায়েকে মহাবিদ্যা- লয়খন চাবলৈ গ'ল আৰু মহাবিদ্যালয়খনৰ প্ৰতি আকৃষ্ট হল। সেই সুযোগতে হালৈয়ে মোমা- য়েকক মহাবিদ্যালয়খনলৈ এটি দান দিয়াৰ প্ৰস্তাৱ আগবঢ়ালে আৰু পৰিচালনা সমিতিৰ কেইজনমান সদস্যক মাতি নি মোমায়েকৰ লগ কৰি দিলে। হালৈৰ প্ৰতি থকা তেখেতৰ অটল বিশ্বাস অকৃত্ৰিম স্নেহ আৰু শিক্ষাৰ প্ৰতি থকা সচেতনতাৰ বাবে এই গৰাকী মহান দাতাই মহাবিদ্যালয়খনৰ উন্নতিৰ কল্পে ৪,১১,১১১`০০ টকাৰ দান আগবঢ়ায়। ইতিমধ্যে মহাবিদ্যালয় কৰ্তৃপক্ষই উক্ত দান গ্ৰহণ কৰি প্ৰশাসনিক সমিতি আৰু সাধাৰণ সভাৰ সিদ্ধান্তৰ মৰ্ম্মে মহাবিদ্যা- লয়খনৰ নাম প্ৰাগ্‌জ্যোতি মহাবিদ্যালয়ৰ পৰিবৰ্তে 'নিৰ্ম্মল হালৈ মহাবিদ্যালয়" ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এইগৰাকী দাতাৰ মহান দানৰ বাবে পাটাছাৰকুছি আঞ্চলিক ৰাইজৰ মাজত



তেখেত অমৰ হৈ থাকিব। ১৯৮৯ চনৰ ১ ফেব্ৰুৱাৰীৰ দিনা হালৈদেৱক আঞ্চলিক ৰাইজৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত সভাত হালৈদেৱে পুনৰ তেখেতৰ পত্নী সৰস্বতী হালৈৰ নামত ৯১০০০`০০ হাজাৰ টকা দান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। এই দানৰ টকাৰে "সৰস্বতী হালৈ ভৱন" নামেৰে এটি ভৱন নিৰ্ম্মাণ কৰা হৈছে। হালৈদেৱলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ আৰু তেখেতৰ দীৰ্ঘ জীৱন কামনা কৰিছোঁ। মোমায়েকৰ পৰা দান লাভৰ ক্ষেত্ৰত আগভাগ লোৱা যুটীয়া সম্পাদক হালৈদেৱকো এই প্ৰসঙ্গতে কৃতজ্ঞতা জনালোঁ।

বাণী প্ৰকাশ গোষ্ঠীয়ে মহাবি- দ্যালয়ৰ পুথি ভঁড়ালয়লৈ একলাখ টকাৰ কিতাপ আৰু আচ-বাব দান হিচাপে দিয়াৰ প্ৰতিশ্ৰুতি আগবঢ়াইছে। ইতিমধ্যে বুজন পৰি- মানৰ কিতাপ মহাবিদ্যালয়ে তেখেত সকলৰ পৰা দান হিচাপে পাইছে। সেয়েহে প্ৰশাসনিক সমিতিৰ এক প্ৰস্তাৱ যোগে পুথিভঁড়ালটোৰ নাম "হৰেন্দ্ৰ মাথ শৰ্ম্মা, চক্ৰধৰ চৌধুৰী গ্ৰন্থাগাৰ" ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। বাণী প্ৰকাশ গোষ্ঠীৰ এই দানৰ বাবে তেখেত সকল পাটা- ছাৰকুছি ৰাইজৰ শ্ৰদ্ধাৰ পাত্ৰ।

ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা মহাবিদ্যালয়লৈ অহা-যোৱা কৰা ৰাস্তা নথকাত এটি বিৰাট সমস্যাই দেখা দিছিল। বৰ্ত্তমান ব্যৱহাৰ কৰি থকা ৰাস্তাৰ কিছু অংশ মাটি সৰ্ব্বশ্ৰী দেবেন্দ্ৰ নাথ গোস্বামী, সুৰেন্দ্ৰ নাৰায়ণ গোস্বামী, মুনীন্দ্ৰ নাৰায়ণ গোস্বামীৰ, কিছু অংশ অক্ষয় গোস্বামীৰ আৰু কিছু অংশ শ্ৰীসুশীল কুমাৰ শৰ্ম্মাৰ। তেখেত সকলৰ অনুমতি ক্ৰমে মহাবিদ্যালয়লৈ অহা-যোৱা কৰাত ৰাষ্টাটো ব্যৱহাৰ কৰা হৈছে। ইয়াৰ বাবে গোস্বামী পৰিয়ালৰ তিনিওজন ভাই-ককাই, অক্ষয় গোস্বামী আৰু সুশীল কুমাৰ শৰ্ম্মালৈ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলো। ৰাস্তাটোৰ স্থায়ী সমাধানৰ বাবে গোস্বামী পৰি- য়ালৰ হকে মহাবিদ্যালয় খনৰ উন্নতিৰ বাবে সদায় চিন্তা-চৰ্চ্চা কৰি থকা আৰু উপ-সভাপতি হিচাপে নিষ্ঠাৰে কাৰ্য্য-নিৰ্ব্বাহ কৰি থকা শ্ৰীমুনীন্দ্ৰ নাৰায়ণ গোস্বামী দেৱে ৰাস্তাটোৰ সম্পূৰ্ণ মাটি দান হিচাপে দিবলৈ প্ৰতিশ্ৰুতি দিছে। এই মহান দানৰ বাবে প্ৰশাসনিক সমিতিয়ে প্ৰস্তাৱিত ৰাস্তাটোৰ নাম তেখেত সকলৰ পিতৃ ৺গৰ্গ নাৰায়ণ গোস্বামী (মৌজাদাৰ) দেৱৰ নামেৰে নামাকৰণ কৰিবলৈ সিদ্ধান্ত কৰিছে। গোস্বামী পৰিয়ালৰ এই বদান্যতা চিৰদিন অম্লান হৈ থাকিব।

শ্ৰীকৃষ্ণকান্ত গোস্বামীৰ নেতৃত্বত মহা- বিদ্যালয়খনৰ যথেষ্ট অগ্ৰগতি লাভ কৰিছে, সেই কথা অনস্বীকাৰ্য্য। তেখেতে প্ৰথমে এক বছৰৰ ছুটি লৈ আমাৰ মহাবিদ্যালয়লৈ আহিছিল। এক বছৰ পূৰ্ণ হোৱাত আকৌ এক বছৰ ছুটি লয়।

যোৱা ১৫/১১/৮৯ ইং তাৰিখে তেখেতৰ ছুটি শেষ হোৱাত আকৌ এক বছৰৰ ছুটিৰ কাৰণে আবেদন কৰে যদিও বজালী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমিতি নথকাত অধ্যক্ষই নিজাববীয়াকৈ ছুটি বঢ়াই দিবলৈ অপৰাগ হয়। তথাপি আমাৰ অনুৰোধ ৰক্ষা কৰি তেখেতে গোস্বামীৰ ছুটি ৩১/১২/৮৯ ইং তাৰিখলৈ বৃদ্ধি কৰি দিয়ে। প্ৰশাসনিক সমিতি ইতিমধ্যে গঠন হয় যদিও পূৰ্ণাঙ্গ নোহোৱাৰ বাবে গোস্বামীৰ আবেদন বিবেচনা কৰিব পৰা নাই। আন একো উপায় নথকাত গোস্বামী সাত মাহৰ ছুটি লৈ যোৱা ১/১/৯০ ইং তাৰিখে পুনৰ বজালী মহাবিদ্যালয়ত যোগদান কৰে। গোস্বামী দুই বছৰৰ ওপৰ কাল আমাৰ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কাৰ্য্য-নিৰ্ব্বাহ কৰিছে। এই সময়ছোৱাত তেখেতে শাৰিৰীক, মানসিক সকলো প্ৰকাৰে সহায়-সহযোগ কৰাৰ উপৰিও প্ৰতি মাহে দুই হাজাৰৰ ওপৰ আৰ্থিক ক্ষতি স্বীকাৰ কৰিব লগা হৈছে। তেখেতৰ এই মহান ত্যাগৰ বিনিময়ত আমাৰ দিবলৈ একো নাই। পাটাছাৰকুছি ৰাইজ সৰ্ব্বদা তেখেতৰ ওচৰত কৃতজ্ঞ হৈ থাকিব। গোস্বামীৰ ছুটিৰ কালছোৱাত নলবাৰীৰ শ্ৰীঅচ্যুত চন্দ্ৰ গোস্বামীক সাময়িক ভাবে অধ্যক্ষৰ পদত নিযুক্তি দিয়া হৈছে।

মহাবিদ্যালয়ৰ পূৰ্ণাঙ্গ স্বীকৃতিৰ বাবে যোৱা ৬/১১/৮৯ ইং তাৰিখে পৰিদৰ্শণ হৈ গৈছে। আশাকৰোঁ ১৯৮৯-৯০ চনৰ বাবে মহাবিদ্যালয়ে পূৰ্ণাঙ্গ স্বীকৃতি লাভ কৰিব। ইয়াৰ পিচৰ পৰ্য্যায় হ'ব মাটি মঞ্জুৰী পোৱা। মহাবিদ্যালয়ৰ পৰিদৰ্শক মাননীয় শ্ৰীপবিত্ৰ কুমাৰ তালুকদাৰে অনুষ্ঠানটিৰ অগ্ৰগতিৰ বাবে বিভিন্ন দিহা-পৰামৰ্শৰে আমাক অনুপ্ৰাণিত কৰা বাবে আমি তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ।

পাটাছাৰকুছি বিদ্যাপীঠৰ মহাবিদ্যালয়ত শিক্ষাদান কৰা বিষয় শিক্ষক সকল, পাটাছাৰকুছি উন্নয়ণ সমিতি, প্ৰাচ্য সংঘ আৰু বজাৰ কমিটীৰ পৰা পোৱা সহায়-সহযোগ আৰু আৰ্থিক দানৰ কথা কোনো দিনে পাহৰিব নোৱাৰিম। নিৰ্ভীক, স্পষ্টবাদী নীতিত অবিচল অগ্ৰজ প্ৰতিম শ্ৰীগণেশ চন্দ্ৰ দেৱ চৌধুৰী সম্পাদক হিচাপে থকাত আমি কাম কৰাত যথেষ্ট অনুপ্ৰেৰণা পাই আহিছো আৰু বহুত বাধা অতিক্ৰম কৰিবলৈ সক্ষম হৈছো। মহাবিদ্যালয়খনৰ উন্নতিত বহুকেইজন ব্যক্তিয়ে বিভিন্ন প্ৰকাৰে সহায় সহযোগ আগবঢ়াইছে— যি সকলৰ অক্লান্ত শ্ৰম, কায়িক-মানসিক আৰু আৰ্থিক সাহাৰ্য্যৰ প্ৰতি "নিৰ্ম্মল হালৈ মহাবিদ্যালয়", এই আটাইকেইজন ব্যক্তিৰ প্ৰতি সশ্ৰদ্ধ প্ৰণাম আৰু আন্তৰিক কৃতজ্ঞতা জনালোঁ। যোৱা ১৬/১২/৮৮ ইং তাৰিখৰ পৰা চৰকাৰে গঠন কৰি দিয়া প্ৰশাসনিক সমিতিয়ে মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কাম কৰি আছে। এইখনেই চৰকাৰী ভাবে গঠিত হোৱা প্ৰথম প্ৰশাসনিক সমিতি। প্ৰশাসনিক সমিতিৰ বিষয়ববীয়া সকল হ'ল— অধ্যাপক শ্ৰীৰজনী কান্ত দেৱ শৰ্ম্মা সভাপতি, শ্ৰীগণেশ চন্দ্ৰ দেৱ চৌধুৰী সম্পাদক, শ্ৰীজিতেন্দ্ৰ নাথ শৰ্ম্মা আৰু শ্ৰীভাবিত চন্দ্ৰ হালৈ যুটীয়া সম্পাদক। আন সদস্য সকল হ'ল— অধ্যক্ষ ( পদেন সদস্য ) শ্ৰীবিশ্বেশ্বৰ শৰ্ম্মা, শ্ৰীদেৱ বালা চৌধুৰী, ড° কনক চন্দ্ৰ মেধি, অধ্যক্ষ পাটাছাৰকুছি বিদ্যাপীঠ শ্ৰীনিৰ্ম্মল হালৈ, শ্ৰীহৰিচৰণ ডেকা, শ্ৰীমদন চন্দ্ৰ কলিতা, শ্ৰীনিৰ্ম্মল শইকীয়া আৰু শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী ( প্ৰৱক্তা গোটৰ প্ৰতিনিধি )।

বৰ্ত্তমান মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় একহাজাৰ। অধ্যক্ষ সহ প্ৰৱক্তা, সাময়িক প্ৰৱক্তা আৰু কৰ্ম্মচাৰী মিলি মুঠ ২২ জন। এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ হিয়াভৰা শুভেচ্ছা আৰু আশীৰ্ব্বাদ জনালোঁ। লগতে শিক্ষাদানত ব্ৰতী হোৱা সমূহ প্ৰৱক্তা বৃন্দলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিলোঁ। সৰ্ব্বশেষত ভগৱাণৰ ওচৰত প্ৰাৰ্থনা জনাইছো 'নিৰ্ম্মল হালৈ মহাবিদ্যালয়ে" বিভিন্ন দিশত উত্তৰোত্তৰ উন্নতি লাভ কৰি বজালী তথা অসমৰ ভিতৰত এটা লেখত লবলগীয়া আদৰ্শ শিক্ষানুষ্ঠান হিচাপে নাম জিলিকাব পাৰে।

—জয়তু নিৰ্ম্মল হালৈ মহাবিদ্যালয়।

জয়তু পাটাছাৰকুছি অঞ্চলৰ শিক্ষাপ্ৰেমী জাগ্ৰত জনতা।

# প্ৰবন্ধাৱলী

"আধুনিক অসমীয়া সাহিত্যৰ প্ৰধান ভাৱাদৰ্শ হ'ল মানৱতাবাদ। জাতি-বৰ্ণ, উচ্চ-নীচ নিৰ্বিশেষে মানুহৰ মানৱীয় পৰিচয় প্ৰতিষ্ঠা আৰু প্ৰচাৰ কৰাই তাৰ লক্ষ্য বুলিব পাৰি।"

—ড° হীৰেণ গোঁহাই—

# সংস্কৃত সাহিত্যৰ মুকুটবিহীন সম্ৰাট কালিদাস

শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী
প্ৰৱক্তা, সংস্কৃত বিভাগ

বৰ্ত্তমান ভাৰতীয় ভাষা সাহিত্যৰ ক্ষেত্ৰত যদিওবা সংস্কৃত ভাষা অনাদৃত আৰু অবহেলিত, তথাপিও আৰ্য্য সভ্যতাৰ ভাৰতীয় ভাষা বিলাকে সংস্কৃত ভাষা অবিহনে এখন্তেকো বৰ্তি থাকিব নোৱাৰে। কিয়নো এই সংস্কৃত ভাষাই হ'ল ভাৰতীয় কৃষ্টি সভ্যতাৰ মেৰুদণ্ড স্বৰূপ। এই সংস্কৃত ভাষাৰ মাধুৰ্য্যতা বিশ্বৰ আন আন ভাষা-বিলাকতকৈ অন্যতম। সংস্কৃত ভাষাৰ কবি সম্ৰাট হ'ল কবি কালিদাস। নিসন্দেহে কালিদাসক বিশ্বৰ এজন শ্ৰেষ্ঠ কবি আৰু নাট্যকাৰ হিচাবে আখ্যা দিব পাৰি। যদিওবা বাল্মিকী, ব্যাস আদিয়ে সংস্কৃত ভাষাৰ গাঠনি সুদৃঢ় কৰি নিজ নিজ আসনত প্ৰতিষ্ঠিত হৈছিল তথাপিও মুকুট-বিহীন সম্ৰাট কবি কালিদাসে নিজৰ অনুপম ৰচনা-ৱলীৰে সংস্কৃত সাহিত্যত নিজৰ স্থিতি জাউতি লীয়া কৰি থৈ গৈছে প্ৰসিদ্ধিৰ উচ্চতম শিখৰত আৰোহন কৰা এইজন কবিৰ জীৱন, জন্মস্থান আৰু কাল সম্বন্ধে বিশ্ববাসীয়ে আজিও একমতত উপনীত হব পৰা নাই। সংস্কৃত সাহিত্যত কালিদাস নামটো আজিও এক কিম্বদন্তী হৈ ৰ গৈছে।

মহাকবি কালিদাস ক'ৰ মানুহ আছিল, তেওঁৰ জন্মস্থান ক'ত আছিল এই সম্পৰ্কে পণ্ডিত সকলে এক স্থিৰ সিদ্ধান্তত উপনীত হব পৰা নাই। কিছুমান পণ্ডিতৰ মতে তেওঁৰ জন্ম-স্থান কাশ্মীৰ, কিছুমানৰ মতে বিদিশা আৰু কিছুমানৰ মতে উজ্জয়িনী। সকলো পণ্ডিতৰ মতবিলাক জুকিয়াই চাই আৰু ভাৰতীয় পৰম্পা-ৰাক লক্ষ্য কৰি এনে এক স্থিৰ সিদ্ধান্তত উপনীত হব পাৰি যে তেওঁৰ জন্মস্থান হ'ল উজ্জয়িনীৰ অৱন্তীনগৰী।

কবি কালিদাস সম্পৰ্কে আৰু তেওঁৰ আবি-ৰ্ভাৱৰ কাল সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন মত পোষণ কৰিছে। এই মহান কবিজনে তেওঁৰ জীৱন, জন্মস্থান আৰু কাল সম্পৰ্কে কোনো ধৰণৰ স্পষ্ট ইঙ্গিত ৰাখি থৈ যোৱা নাই। বিভিন্ন ধৰণৰ জনশ্ৰুতি আৰু পৰম্পৰাক লক্ষ্য কৰিলে দেখা যায় যে কালিদাস উজ্জয়িনীৰ অধিবাসী। ভাৰতবৰ্ষত বিভিন্নজন বিক্ৰমাদিত্যই ৰাজথিতাপ ভোগ কৰি গৈছে। তাৰেই এজন দ্বিতীয় চন্দ্ৰগুপ্ত, বিক্ৰমাদিত্য নামে জনাজাত। কথিত আছে এইজনা কবি কালিদাস বিক্ৰমাদিত্যৰ

সভাকবি আৰু তেওঁৰ ৰাজসভাত থকা নৱৰত্ন সকলৰ ভিতৰত অন্যতম আছিল। কালিদাসে ৰচনা কৰা বুলি অভিহিত জ্যোতিৰ্বিদাভৰণত বিক্ৰমাদিত্যৰ ৰাজসভাত থকা নৱৰত্নৰ স্পষ্ট উল্লেখ আছে—

"ধন্বন্তৰিক্ষপনকামৰসিংহ শঙ্কু
বেতাল ঘটকপৰি কালিদাসাঃ।
খ্যাতো বৰাহমিহিৰো নৃপতেঃ সভায়াং
ৰত্নানি বৈ বৰৰুচিৰ্নৱ বিক্ৰমস্য॥"

এই শ্লোক অনুসৰি কব পাৰি ধন্বন্তৰি, ক্ষপনক, অমৰ সিংহ, শঙ্কু, বেতাল ভট্ট, ঘটকপৰি কালিদাস, বৰাহমিহিৰ আৰু বৰৰুচি এই নজন নৱৰত্ন আছিল। এওঁলোকৰ পৃষ্ঠপোষক আছিল ৰজা বিক্ৰমাদিত্য। এইজন বিক্ৰমাদিত্য আছিল গুণী, জ্ঞানী আৰু বিদ্যাবন্ত। এই পৰম্পৰাৰ আত ধৰি জনা যায় যে কালিদাসে উজ্জয়িনীৰ কোনো এক ব্ৰাহ্মণ কুলত জন্ম গ্ৰহণ কৰিছিল। লৰাকালত কালিদাস বৰ দুৰ্দ্দান্ত আছিল। উদ্ধত স্বভাৱৰ বাবে লৰাকালতে তেওঁ পঢ়াশালী ত্যাগ কৰিবলগীয়া হৈছিল। আনহাতে শৈশৱকালতে তেওঁৰ পিতৃ বিয়োগ হয়। কিন্তু মাকে পিতৃ বিয়োগ হোৱাতো পুতেকক বহুত বুজোৱাত কোনো ফল নধৰিল। অদৃষ্টৰ পৰিহাস, সেই সময়ত গৌড় দেশৰ অধিপতিৰ কন্যা বিদ্যাৱতীৰ হাতত দেশৰ পণ্ডিতসকলে তৰ্ক শাস্ত্ৰত পৰাস্ত হৈ চক্ৰান্ত কৰি মহামূৰ্খ কালিদাসৰ লগত বিদ্যাৱতীৰ বিবাহ সম্পন্ন কৰিলে। অৱশেষত ৰাজকুৱৰীয়ে পণ্ডিতসকলৰ চলনা বুজি পালে, কিন্তু তেতিয়া প্ৰতিকাৰ কৰাৰ একো উপায় নাথাকিল। বিদ্যাৱতীয়ে নিষ্ঠুৰ নিয়তিৰ পৰিহাসৰ কথা আৰু মূৰ্খ স্বামীৰ কথা চিন্তা কৰি কান্দিবলৈ ধৰি[...] আৰু খঙত হিতাহিত জ্ঞান হেৰুৱাই কালিদাস[...] পদাঘাত কৰি ঘৰৰ পৰা উলিয়াই দিলে। কালি[...] দাসেও পণ্ডিতসকলৰ প্ৰলোভনৰ কথা বুজি পা[...] আৰু নিজৰ অজ্ঞতাৰ কথা চিন্তা কৰি সে[...] ৰাতিয়েই ৰাজ প্ৰাসাদৰ পৰা ওলাই আহি[...] লক্ষ্যভ্ৰষ্ট ভাৱে গৈ গৈ এখন অৰণ্যত প্ৰবে[...] কৰিলে। তেওঁ ভোক-পিয়াহত জৰ্জৰিত হৈ অৰণ্য[...] মনেৰে সেই অৰণ্যত থকা সৰোবৰত আত্মহত্যা[...] কৰিবৰ বাবে জাপ দিলে। সৌভাগ্যবশতঃ সেই[...] সৰোবৰটো আছিল সৰস্বতীকুণ্ড। দেৱীয়ে তেওঁৰ[...] উদ্ধাৰ কৰি আনি বৰ দিলে যে তেওঁ দেৱী[...] বৰ পুত্ৰ হব। আনহাতে তেওঁৰ প্ৰাৰ্থনাত দেৱী[...] ৰুষ্ট হৈ অভিশাপো দিলে যে তেওঁৰ সামান্য[...] গণিকাৰ হাতত মৃত্যু হব। দেৱী সৰস্বতীৰ বৰত[...] জ্ঞানেৰে উদ্ভাসিত হৈ তেওঁ ঘৰলৈ উভতি আহে আৰু পত্নীক মাতিলে "কান্তে দ্বাৰমুদ্‌ঘাটয়" অৰ্থাৎ— "হে পত্নী দুৱাৰ মেলি দিয়া।" বিদ্যাৱতীয়ে নিজৰ স্বামীৰ মাত শুনি ভিতৰৰ পৰাই প্ৰশ্ন কৰিলে "কিমত্ৰ প্ৰয়োজনম্" "তোমাৰ ইয়াত কিহৰ প্ৰয়োজন? তেতিয়া কালিদাসে উত্তৰ দিলে "অস্তি কশ্চিদ্ বাগ্‌বিশেষঃ" কোনো এটা বিশেষ কথা আছে।" তেতিয়া বিদ্যাৱতীয়ে দুৱাৰ মেলি দিবলৈ অসন্মত হ'ল আৰু এটা চৰ্ত উল্লেখ কৰিলে যে 'অস্তি কশ্চিদ্ বাগ্‌বিশেষঃ' এই চাৰিটা শব্দেৰে যদি চাৰিখন কাব্য ৰচনা কৰিব পাৰে তেতিয়াহে তেওঁক স্বামী বুলি বৰণ কৰিব। তেতিয়া মহাকবি কালিদাসে অস্তি শব্দেৰে কুমাৰসম্ভৱ, কশ্চিদ্ শব্দেৰে মেঘদূত, বাগ্ শব্দেৰে ৰঘুবংশ আৰু বিশেষ শব্দেৰে ঋতুসংহাৰ ৰচনা



কৰে। লোক প্ৰবাদ অনুসৰি শেষত এইজন কালিদাসে সিংহলৰ ৰজা কুমাৰদাসৰ এজনী সুন্দৰী গণিকাৰ হাতত মৃত্যু বৰণ কৰে।

বিশ্ববৰেণ্য এই কবি সম্ৰাটজনাৰ আবিৰ্ভাৱ সম্পৰ্কে বা তেওঁৰ কাল সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন মত পোষণ কৰি আহিছে। কালিদাসক কোনোবা এজন বিক্ৰমাদিত্যৰ সৈতে সাঙোৰা হৈছে। ভাৰতবৰ্ষত বিভিন্ন সময়ত বিভিন্নজন বিক্ৰমাদিত্যই ৰাজপাট শুৱনি কৰি গৈছে, আৰু কালিদাসো এনে এজন বিক্ৰমাদিত্যৰে ৰাজসভাৰ নৱৰত্ন আছিল বুলি ওপৰত উল্লেখ কৰি অহা শ্লোকটোৰ পৰা অনুমান কৰিব পাৰি। "ধন্বন্তৰি ... ... বৰৰুচিৰ্নৱ বিক্ৰমস্য।" এই শ্লোকটোক উপলক্ষ্য কৰি Fergusson এ এটা নতুন মত প্ৰচাৰ কৰিছিল যে উল্লিখিত বিক্ৰমাদিত্যজন হ'ল উজ্জয়িনীৰাজ হৰ্ষবিক্ৰমাদিত্য। খৃষ্টাব্দ ৫৪৪ শতকত ভাৰতৰ পৰা শকবিলাকক বিতাড়িত কৰি তাৰ আগৰ ৬০০ বছৰ আগৰ পৰা, অৰ্থাৎ খৃঃ পূঃ ৫৬ অব্দৰ পৰা তেওঁ নিজৰ নামেৰে বিক্ৰমাব্দৰ প্ৰতিষ্ঠা কৰিছিল। কিন্তু Kirtle আৰু Mandassor ৰ শিলালিপিৰ পৰা এই মত ভ্ৰান্ত বুলি প্ৰমাণিত হৈছে। অধ্যাপক K. B. Pathak ৰ মতে কালিদাসৰ আবিৰ্ভাৱ কাল ৫ম শতাব্দী। ডঃ কীঠ, ডঃ ভণ্ডাৰকাৰ আদিয়ে দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্ব কালকে [ ৩৬৫-৪১৩ খৃঃ ত ] কালিদাসৰ স্থিতিকাল বুলি নিৰ্ণয় কৰিছে।

দ্বিতীয় পুলকেশীৰ আইহোল শিলালিপিত [ Aihole inscription ] কালিদাসৰ নামৰ স্পষ্ট উল্লেখ আছে। খৃষ্টাব্দ ৬৩৪ এই লিপি ৰচিত হৈছিল। খৃষ্টাব্দ ৪৭২ ত ৰচিত Mandassor লিপিৰ কিছুমান শ্লোকৰ সৈতে কালিদাসৰ মেঘদূত, ঋতুসংহাৰৰ কিছুমান শ্লোকৰ মিল দেখিবলৈ পোৱা যায়। এই বিলাকৰ পৰা প্ৰমাণিত হয় যে কালিদাস ৫ম শতাব্দীৰ আগত আবিৰ্ভূত হৈছিল। আনহাতে নিঃসংশয়ে নাট্যকাৰ ভাস আৰু অশ্বঘোষৰ পৰৱৰ্ত্তী কালৰ। কিয়নো কালিদাসে ব্যৱহাৰ কৰা প্ৰাকৃত ভাষাও এওঁলোকৰ পৰৱৰ্ত্তী কালৰ প্ৰাকৃত।

কালিদাসৰ গ্ৰন্থৰ পৰা বুজিব পাৰি যে এওঁৰ কোনোবা 'শকাৰি' বিক্ৰমাদিত্যৰ সৈতে সম্বন্ধ আছিল। এইজন 'শকাৰি' বিক্ৰমাদিত্য হ'ল দ্বিতীয় চন্দ্ৰগুপ্ত। এওঁৰ ৰাজধানী আছিল উজ্জয়িনী নগৰী আৰু এওঁৰ ৰাজসভা অনেক বিদ্বান পণ্ডিতেৰে সদায় অলঙ্কৃত হৈ আছিল। আমাৰ দুৰ্ভাগ্যৰ বিষয় এয়ে যে নিজৰ বিষয়ে স্পষ্ট ইঙ্গিত ৰাখি থৈ নোযোৱা বাবে ভাৰতৰ শ্ৰেষ্ঠ কবি সম্ৰাট আৰু নাট্যকাৰজনৰ ইতিবৃত্ত আজিও অন্ধকাৰাচ্ছন্ন হৈ আছে।

কালিদাসৰ অমূল্য ৰচনাৰাজী হ'ল - কুমাৰসম্ভৱ, মেঘদূত, ৰঘুবংশ, ঋতুসংহাৰ, অভিজ্ঞান শকুন্তল, বিক্ৰমোৰ্ব্বশীয়, মালবিকাগ্নিমিত্ৰ, অম্বাস্তৱ, কালীস্তোত্ৰ, গঙ্গাস্তক, চন্দ্ৰিকাদণ্ডকাস্তোত্ৰ, জ্যোতিৰ্বিদাভৰণ, দুৰ্ঘটকাব্য, নলোদয়, পুষ্পবানবিলাস, মঙ্গলাষ্টোক, বিদ্বদ্বিনোদ কাব্য, বৃন্দাবন কাব্য, শৃঙ্গাৰ তিলক, শৃঙ্গাৰৰসাষ্টক, শৃঙ্গাৰসাৰ কাব্য, শ্যামলাদণ্ডক, শ্ৰুতবোধ আৰু সেতুবন্ধ। ইয়াৰ প্ৰথম সাতখন গ্ৰন্থ কালিদাসৰ

ৰচনা বুলি প্ৰমাণিত হৈছে। বাকী গ্ৰন্থকেইখন কালিদ সৰ ৰচনা বুলি নিঃসন্দেহে কব নোৱাৰি। কিয়নো ওপৰৰ সাতখন গ্ৰন্থৰ লগত বাকীবোৰ গ্ৰন্থৰ মিল দেখিবলৈ পোৱা নাযায়। কুমাৰসম্ভৱ আৰু ৰঘুবংশ এই দুখন গ্ৰন্থক মহাকাব্য বোলা হয়। মেঘদূত আৰু ঋতুসংহাৰক খণ্ড কাব্য হিচাপে আখ্যা দিয়া হয়। আনহাতে মেঘদূতক গীতিকাব্যও [ Lyric ] বোলা হয়। অভিজ্ঞান-শকুন্তল, বিক্ৰমোৰ্ব্বশীয় আৰু মালবিকাগ্নিমিত্ৰ এই তিনিখন নাটক। ইয়াৰ অভিজ্ঞান শকুন্তল নামৰ নাটকখনৰ দ্বাৰাই কালিদাসে বিশ্বৰ বুকুত উজ্জল ভোটা তৰাৰ দৰে জিলিকি আছে। ঘাইকৈ উপমা অলঙ্কাৰৰ ক্ষেত্ৰত কালিদাসে সংস্কৃত সাহিত্যত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হৈছে। যাক আজিও কোৱা হয় — "উপমা কালিদাসস্য।" সুন্দৰ শব্দ সংযোজন আৰু ৰসসৃষ্টিৰ ক্ষেত্ৰতো কালিদাসে সফল হৈছে। ঘাইকৈ নৱৰসৰ ভিতৰত শৃঙ্গাৰ আৰু করুণৰসৰ সৃষ্টিত কালিদাস সুন্দৰ ভাৱে সফল হৈছে।

সেয়েহে কালিদাস সংস্কৃত সাহিত্যৰ এটি উজ্জল জোতিষ্ক। তেওঁৰ নিচিনা কবিত্ব শক্তি সম্পন্ন লিখক কেৱল ভাৰততেই নহয়, সমগ্ৰ বিশ্বতেই বিৰল। 'কবিকুল চূড়ামণি' এই নামটো যথাৰ্থতে তেওঁৰ সাৰ্থক হৈছে। তেওঁৰ যশস্যা, গৌৰৱ কেৱল মাত্ৰ ভাৰতবৰ্ষতে সীমাবদ্ধ নহয়, সুদূৰ সাগৰৰ সিপাৰেও বিয়পি আছে আৰু ভৱিষ্যতলৈকেও বিয়পি থাকিব।

"যি জাতিয়ে নিজৰ অতীতৰ ইতিহাস আৰু সাহিত্যত গৌৰৱ অনুভৱ নকৰে সি তাৰ জাতীয় চৰিত্ৰৰ আধাৰশিলাকো হেৰুৱাই পেলাই।"

—মেক্সমূলাৰ।



# শিক্ষাৰ ক্ষেত্ৰত ভাৰতীয় নাৰীৰ ভূমিকা

শ্ৰীসুৰেশ শৰ্ম্মা।
একাদশ মান শ্ৰেণী।

গতিশীল সময়ে পৰিবৰ্ত্তনৰ মোট সলোৱাৰ লগে লগে সভ্যতাই ক্ৰমবিকাশৰ বুকুৰে গতি কৰে নতুন যুগৰ সুচনাৰ কামনাৰে এই ক্ৰম-বিকাশৰ ফলতে ভাৰতত নাৰী শিক্ষাই উন্নতি লাভ কৰি বৰ্ত্তমানৰ অৱস্থা পাইছেহি। সেই-বুলি আমি কব খোজা নাই যে প্ৰাচীন ভাৰতত নাৰী শিক্ষাৰ প্ৰচলন নাছিল; এইটো নহয়। স্বাধীনতাৰ ৩৫ বছৰ পিছত ভাৰতত নাৰী শিক্ষাই যিখিনি প্ৰভাৱ লাভ কৰিছে স্বাধীনতাৰ আগতে বা প্ৰাক্ বৃটিছ যুগৰ আগতে নাৰী শিক্ষাই ইমান প্ৰসাৰতা লাভ কৰা নাছিল।

১৮৫৮ চনত ভাৰতৰ শাসনভাৰ কোম্পানীৰ হাতৰ পৰা ইংলণ্ডৰ ৰাণীৰ হাতলৈ যায়। তাৰ পিছৰ পৰা ভাৰতত নাৰী শিক্ষাৰ কিছু প্ৰসাৰ হবলৈ আৰম্ভ কৰে। ১৯১৬ চনত ছোৱালীৰ বাবে বেলেগে পুণাত এটি ছোৱালী বিশ্ববিদ্যালয় স্থাপন কৰা হয়। এই কালছোৱাত ভাৰতত নাৰী শিক্ষাই কিছু উন্নতি লাভ কৰা যেন দেখিলেও শতকৰা হিচাপত তেনেই নগণ্য। লোক পিয়লৰ তথ্যৰ পৰা বুজিব পাৰি যে প্ৰতি দশকতে নাৰী শিক্ষাৰ উল্লেখযোগ্য ভাৱে উন্নতি হৈছে যদিও পুৰুষৰ শিক্ষিতৰ হাৰ অনুপাতে তিৰোতাৰ শিক্ষিতৰ হাৰ বহুতো কম। ১৯০১ চনৰ পিয়লত প্ৰতি ১০ জন সাক্ষৰ পুৰুষৰ বিপৰীতে এগৰাকীতকৈও কম তিৰোতা সাক্ষৰ আছিল। ১৯০১ চনৰ তথ্যমতে প্ৰতি ১০ জন সাক্ষৰ পুৰুষৰ বিপৰীতে সাক্ষৰ তিৰোতাৰ অনুপাত ৪.৫ গৰাকী হয়গৈ। ইয়াৰ উপৰিও কিছুমান উচ্চ কাৰিকৰী শিক্ষা যেনে— ইঞ্জিনিয়াৰিং, পলিটেকনিক, কৃষি বিজ্ঞান, মেডিকেল কলেজ, আইন কলেজ আদিত মহিলা স্নাতকৰ সংখ্যা অতি নগণ্য। ইয়াৰ পিছত যেতিয়া ভাৰতত ১৯২৯ চনত সাৰদী আইন প্ৰবৰ্ত্তন কৰি ১৪ বছৰৰ আগেয়ে অভিভাৱক-সকলে ছোৱালী বিয়া দিয়াতো বন্ধ কৰি দিলে তেতিয়াৰ পৰাহে স্কুলবোৰত ছাত্ৰীৰ সংখ্যা কিছু বৃদ্ধি পাবলৈ ধৰে। ১৯৪৫ চনলৈ ভাৰতত ছোৱালীৰ বাবে ৫৪ খন কলেজ, ১৯ খন প্ৰফেচনেল কলেজ, ১৪৪৫ খন মাধ্যমিক স্কুল আৰু

২১,৫৬৭ খন প্ৰাথমিক স্কুল স্থাপিত হয়। ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত শিক্ষা ব্যৱস্থাই তিনিটা দশক অতিক্ৰম কৰি চতুৰ্থ দশকত ভৰি দিয়েছি। এই সুদীৰ্ঘকাল ছোৱাত শিক্ষা সংস্কাৰৰ মানসে নানান কল্পনা-পৰিকল্পনা গ্ৰহণ কৰা হয়। শিক্ষা সমীক্ষাৰ বাবে নানান আয়োগ গঠন কৰি কোটি কোটি টকা ব্যয় কৰা হল। ফলস্বৰূপে দেশৰ প্ৰায়বোৰ অঞ্চলতে প্ৰাইমাৰী স্কুল, মজলীয়া স্কুল, হাই-স্কুল, পাব্লিক স্কুল, হায়াৰ চেকেণ্ডাৰী স্কুল, কলেজ, বিশ্ববিদ্যালয় আদি শিক্ষানুষ্ঠানে মূৰ তুলি উঠিল। তথাপি ভাৰতৰ সকলো ঠাইতে নাৰী শিক্ষাই বিশেষ প্ৰসাৰতা লাভ কৰিব পৰা নাই। তৃতীয় শিক্ষা জৰিপত স্পষ্টভাৱে উল্লেখ আছে যে হাৰিয়ানাত ৰাজ্য গঠনৰ আৰম্ভনিৰ পৰাই বাধ্যতামূলক শিক্ষা আইন বলবৎ থকা স্বত্বেও ১৯৭১ চনৰ জৰিপৰ পৰা দেখা পোৱা যায় যে গুৰগাওঁ জিলাৰ ১৮৩ খন গাওঁৰ ভিতৰত এগৰাকীও শিক্ষিতা মহিলা নাই। মহাৰাষ্ট্ৰৰ চন্দ্ৰপুৰ জিলাৰ জনজাতীয় লোক সকলৰ মাজত শিক্ষিতা মহিলাৰ হাৰ কমি আহিব ধৰিছে। ইয়াৰ মূলতে ভাৰতীয় সমাজত প্ৰচলিত ৰক্ষণশীল সমাজ ব্যৱস্থাই নাৰী শিক্ষাত যথেষ্ট বাধা দি আহিছে।

ইয়াৰ পিছত ১৯৫২-৫৩ চনত মাধ্যমিক শিক্ষা আয়োগে ভাৰতৰ যিবোৰ অঞ্চলত জন-সাধাৰণে লৰা-ছোৱালীৰ সহ শিক্ষা সমৰ্থন কৰে সেইবোৰ শিক্ষাৰ ব্যৱস্থা কৰাৰ বাবে মত প্ৰকাশ কৰে। আৰু যিবোৰ অঞ্চলত জনসাধাৰণে লৰা-ছোৱালীৰ সহ শিক্ষাৰ সমৰ্থন নকৰে সেইবোৰ অঞ্চলত ছোৱালীৰ বাবে সুকীয়া স্কুল স্থাপনৰ নিৰ্দ্দেশ দিয়ে। এই ব্যৱস্থা অনুযায়ী নাৰী শিক্ষাই কিছু উন্নতি লাভ কৰা যেন দেখিলেও পুৰুষৰ সমানে আগবাঢ়িব পৰা নাই। পৰি-সংখ্যা চালে গম পোৱা যায় ১৯৫১-৫২ চনত ভাৰতত স্কুলীয়া লৰাৰ সংখ্যা আছিল শতকৰা ৩৯ জন আৰু ছোৱালীৰ সংখ্যা আছিল শতকৰা ২৫ জনী। ১৯৬০-৬১ চনত লৰাৰ সংখ্যা বাঢ়ি গৈ শতকৰা ৮০ জন হয় আৰু ছোৱালীৰ সংখ্যা ৪০ জনী হয়গৈ। ১৯৫৮ চনত ভাৰত চৰকাৰে নাৰী শিক্ষাৰ উন্নতিৰ বাবে এখন জাতীয় সমিতি গঠন কৰে এই সমিতিৰ পৰামৰ্শ অনুসৰি নাৰী শিক্ষাৰ বাবে এখন জাতীয় পৰিষদ গঠন কৰা হয়। আৰু তেতিয়াৰ পৰাই নাৰী শিক্ষাই ভাৰতত অগ্ৰগতি লাভ কৰা বুলি কব পাৰি।

উন্নতিৰ বিভিন্ন দিশ পৰ্য্যালোচনা কৰি চালে দেখা যায়, এই বিলাকত ভাৰতীয় নাৰীৰ বিশেষ কোনো ভূমিকা নাই। এনে সমীক্ষকৰ ভাষাত— "In respect of girls' education, we are among the most backward countries in the world, better than Pakistan, Nepal and Afganistan" শিক্ষাৰ ক্ষেত্ৰত দেখা যায়; যেতিয়া লৰাৰ সংখ্যা এশজন হয় তেতিয়া শিক্ষিতা ছোৱালীৰ সংখ্যা হয় মাত্ৰ ৩১ জনী। ১৯৭১ চনৰ চেঞ্চাস্ অনুযায়ী মাত্ৰ শতকৰ ১৮.৭ ভাগ ছোৱালীক শিক্ষা দিয়া হৈছিল। আৰু তেওঁ-লোকৰ ভিতৰত মাত্ৰ শতকৰা ১.৪ ভাগ হাইস্কুলৰ



শিক্ষাত উত্তীৰ্ণ হব পাৰিছিল। ১৯১১-১৯৭১ চনৰ ভিতৰত চাকৰি কৰা নাৰীৰ সংখ্যা এক নিযুতৰ পৰা একত্ৰিশ নিযুত হৈছিল। কিন্তু তুলনামূলকভাৱে সেই সময়ছোৱাৰ ভিতৰত নাৰী আৰু পুৰুষৰ বৰ্দ্ধিত সংখ্যাৰ হাৰ হ'ল যথাক্ৰমে শতকৰা ২৫ ভাগ আৰু ২৪ ভাগ। কৰ্ম্মক্ষেত্ৰত পুৰুষৰ সংখ্যা শতকৰা ১৫.২ ভাগ বৃদ্ধি হৈছিল আৰু নাৰীৰ সংখ্যা শতকৰা ৪১.৫ ভাগ হ্ৰাস হৈছিল। ঠিক সেইদৰে ৰাজনৈতিক, সামাজিক আদি সকলো দিশতে নাৰীৰ ভূমিকা লাজ-লগাকৈ দুখ লগা।

অন্যান্য সমাজতান্ত্ৰিক দেশ বিলাকত নাৰী সমাজৰ উন্নতি মনকৰিবলগীয়া। ৰাছিয়াৰ প্ৰত্যেক বিভাগতে শতকৰা ৩০ ভাগ মাইকী মানুহ পোৱা যায়। পাৰ্লিয়ামেণ্ট বা শিক্ষা ক্ষেত্ৰত তেওঁলোকৰ সংখ্যা গৰিষ্ঠতা দেখিবলৈ পোৱা যায়। শতকৰা ৯২ জনী তিৰোতাক চাকৰিত নিযুক্ত কৰা হয় বা শিক্ষা দিয়া হয়। তাত শতকৰা ২৯ ভাগ মহিলা বৈজ্ঞানিক, চিকিৎসক সকলোৰে শতকৰা ৭২ ভাগ মহিলা চিকিৎসক। জাৰ্ম্মেনিত এক তৃতীয়াংশ বিচাৰক আৰু প্ৰত্যেক পঞ্চমজন মেয়ৰ মহিলা। এইবিলাক দেশত মাইকী মানুহক অবাধ স্বাধীনতা দিয়া হয়। তেওঁলোকক ঘৰুৱা কাম-কাজৰ পৰা মুক্তি দিয়া হয়। কিন্তু আমাৰ দেশৰ প্ৰত্যেকজনী মহিলাই কেছুৰাৰ আল ধৰাকে আদি কৰি সকলোবিলাক ঘৰুৱা কাম সম্পাদন কৰিছে তেওঁ-লোকৰ কৰ্ম্মস্থানলৈ গতি কৰিব পাৰে।

বৰ্ত্তমান শিক্ষা, সমাজ ব্যৱস্থা আদি সকলোৰে সংস্কাৰ ব্যৱস্থা অনতি বিলম্বে লোৱা অতি প্ৰয়োজন। কিন্তু সকলো ব্যৱস্থাৰ দিহা কৰা হলেও দেশৰ নাৰীগণে যদি বৰ্ত্তমানতকৈ অধিক উৎসাহ আৰু উদ্যম লৈ আগবাঢ়ি নাহে তেতিয়া হলে তেওঁলোকৰ বাবে লোৱা কোনো আঁচনিকে কাৰ্য্যকৰী কৰিব পৰা নেযাব, তেওঁ-লোকৰ ভেঁটি তেওঁলোকে নিজেই গঢ়িব লাগিব। উৎসাহ, উদ্দীপনা, দৃঢ়তা, দূৰদৰ্শিতা, কষ্টসহিষ্ণুতা আদিৰ প্ৰকৃত মূল্যায়ন কৰিবলৈ প্ৰত্যেক নাৰীয়ে শিকা উচিত।

---

"Education of boy is education of one person,
but education of girl is the education of the entire family."

*- Jawaharlal Nehru.*

# শৰতৰ কবি পাৰ্বতি প্ৰসাদ

শ্ৰীৰূপলেখা দেৱী,
প্ৰৱক্তা অসমীয়া বিভাগ,

"সোন শৰতৰ পৰশ লাগি,
আঙুলি বুলায় হঠাং জাগি,
পোহৰ বেণুৰ সুৰ উফৰি
গগন ভৰিল ঐ"

কবিতাত শৰতৰ বৰ্ণনাক মহাকবি কালিদাস আৰু কবিগুৰু ৰবিন্দ্ৰনাথ ঠাকুৰৰ দৰে আমাৰ কবি পাৰ্বতি প্ৰসাদেও আগস্থান দিছে। কবিৰ ৰচনাত অসমৰ শৰং কালৰ ৰূপটো যেনেদৰে মূৰ্ত্তিমন্ত হৈ উঠিছে, আন মোনো অসমীয়া কবিৰ ৰচনাত তেনেকৈ ধৰা দিয় নাই ; সেয়েহে তেখেতক 'শৰতৰ কবি বুলি আখ্যা দিব পাৰি।

শুকুলা শৰতৰ বৰ্ণনাত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰো আত্মহাৰা হৈছে। তেওঁৰ বৰ্ণনাত শৰতৰ ৰূপ জীৱন্ত ভাৱে প্ৰস্ফুটিত হৈছে।

"আমাৰ বেঁধেছি কাশেৰ গুচ্ছ
আমাৰা গেথেঁছি শেফালি মালা
নবীন ধানেৰ মঞ্জৰী দিয়ে
মাজিয়ে এনেছি ডালা।
এসো গো শাৰদ লক্ষ্মী, তোমাৰ শুভ্ৰ
মেঘেৰ ৰথে,
এসো নিৰ্ম্মল নীল পথে
এসো ধৌত শ্যামল
আলো ঝলোমলো
বনগিৰি পৰ্ব্বতে
এসো মুকুটে পৰিয়া শ্বেত শতদল
শীতল শিশিৰ ঢালা।"

আকৌ ..............

"শৰৎ, তোমাৰ অৰুণ আলোৰ অঞ্জলি
ছড়িয়ে গেল ছাপিয়ে মোহন অঙ্গুলি।
শৰৎ, তোমাৰ শিশিৰ ধোওয়া কুন্তলে
বনেৰ পথে লুটিয়ে পড়া অঞ্চলে
আজ প্ৰভাতেৰ হৃদয় ওঠে অঞ্চলে।"

পাৰ্বতি প্ৰসাদ বৰুৱা মূলতে গীতি কবি। বনগীত সুৰীয়া কবিতা ৰচনা কৰি অসমীয়া সাহিত্যত প্ৰতিষ্ঠা লাভ কৰা কবি সকলৰ ভিতৰত পাৰ্বতি প্ৰসাদ অন্যতম। গীতি কবিতা হ'ল মন্ময় ধৰ্ম্মী কবিতা। ই কবিৰ একান্ত ব্যক্তিগত কল্পনা, চিন্তাৰ প্ৰকাশ। গীতি কবিতা সুৰ আৰু অনুভূতি প্ৰধান।



বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল, 'মানুষ নিৰ্ম্মাণ কৰে ব্যৱসায়েৰ প্ৰয়োজনে, সৃষ্টি কৰে আত্মাৰ প্ৰেৰণায়।' (সাহিত্যৰ পথে) বৰুৱাদেৱে কবিতা ৰচনা কৰিছিল আত্মাৰ প্ৰেৰণাত।

পাৰ্বতি প্ৰসাদে জন্ম গ্ৰহণ কৰিছিল ১৯০৪ চনত। তেওঁৰ ৰচিত কবিতা পুথিবোৰ হ'ল গুণগুণনি, লুইতী, ভঙা টোকাৰীৰ সুৰ, শুকুলা ডাৱঁৰ ঐ কঁহুৱা ফুল, খেল ভঙা খেল, ময়াপী। তাৰোপৰি তেওঁৰ গীতি নাট্য নাটিকা হ'ল লখিমী আৰু সোণৰ সোলেঙ।

পাৰ্বতি প্ৰসাদ বৰুৱাদেৱৰ শৰং বিষয়ক কবিতা কেইটি বিশেষকৈ 'শুকুলা ডাৱঁৰ ঐ কঁহুৱা ফুল' পুথিখনতে সন্নিবিষ্ট কৰা হৈছে। দুই এটা এই বিষয়ৰ কবিতা গুণগুণনি, লখিমী আৰু সোণৰ সোলেঙ আদি গীতি নাট্যত প্ৰকাশ হৈছে।

শৰতৰ আগমণত বৰাগী কবিৰ অন্তৰ বলিয়া হয় ; থৌকি-বাথৌ অন্তৰ লৈ কবিয়ে গায়—

'আহিন মহীয়া শেৱালি সৰিলে
নিঁয়ৰত তিতিলে বন ;
জোনাকত উপঙিল কিহবাৰে ৰাগি
কেনেবা কৰিলে মন
বান্ধে ঐ
কেনেবা কৰিলে মন।'

তাৰোপৰি,

আজি ৰঙৰে দিনতে কিহৰ ঐ চিতনি
থৈ দে ঘৰৰ কাম,
শেৱালিৰ মালা পিন্ধি নাচোঁহক
লগাই দে বিহুৰ নাম।'

বৰষাৰ আমনিদায়ক পৰিস্থিতিৰ পৰা শৰতে প্ৰকৃতিক মুক্ত কৰে। প্ৰকৃতি লৈ এক স্নিগ্ধ নিৰ্মলতা আনে। শৰতৰ সোণালী পুৱা, লুইত পাৰৰ কঁহুৱা বনৰ শুকুলা শোভা, পথাৰৰ শাৰী শাৰী সেউজীয়া ধাননি, শেৱালীৰ গোন্ধৰ সুৰভিয়ে ভৰা ৰাতিপুৱা, শুকুলা ডাৱঁৰ মাজৰ শুভ্ৰ ৰাজহংসৰ কলৰৱ, নিয়ঁৰত তিতা বননি— শৰতৰ এই মনোৰম দৃশ্যাৱলীয়ে সকলোৰে মনত এক অনিৰ্বচনীয় অনুভূতিৰ সৃষ্টি কৰে। ভাব বিলাসী কবিৰ তুলিত ই প্ৰাণ পাই উঠিছে।

'লুইতৰ সিপাৰৰ কঁহুৱা বনতে
নাচনী উঠিছে জাগি
ইপাৰৰ ধাননিত কঁপনি উঠিছে
বতাহৰ টো লাগি।'

আকৌ,

'কোনে ঐ মেলে দুৱাৰ
শৰতৰ সোণৰ পুৱাৰ।'

শব্দৰ দ্বাৰা চিত্ৰ অংকনৰ ক্ষমতাও কৱিৰ অপৰূপ।

'ডাৱঁৰৰ যুঁজতে সূৰুয়ে জিকিলে
এন্ধাৰ কৰবালে গ'ল
পোহৰৰ কাঁড়েৰে ডাৱঁৰ সৰকালে
বতৰ ফৰকালে হ'ল।

ইয়াত 'ডাৱঁৰৰ যুঁজতে সূৰুযে জিকিলে,' 'পোহৰৰ কাঁড়' আদি বাক্যই একো একোটি

সূক্ষ্ম চিত্ৰ প্ৰকাশ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱা দেৱে সেয়েহে তেওঁৰ লিখনীক 'যাদুকৰী তুলিকা' বুলি অভিহিত কৰিছে।

মানুহৰ প্ৰতি মানুহৰ সহৃদয় সহজাত। ৰোমাণ্টিক কবিয়ে সেয়েহে শৰৎ ঋতুক মানবীয় ৰূপ প্ৰদান কৰিছে। শৰতক কবিয়ে 'শৰত কোঁৱৰ' বুলিছে। শৰতক সৰু বৰ সকলো দৃশ্যতে মানবিক চেতনা আনি কবিয়ে আমাৰ আত্মীয় কৰিছে। শৰত ঋতুক কবিয়ে মূৰ্তৰূপ দিছে—

'অৰুণ জেউতি ভৰা
আহিনৰ ৰাতিপুৱা
হাতত কুঁকিটি লৈ
ভুমুকি মাৰিলে ধীৰে
এটি ফুল তোলা ল'ৰা।'

শৰতক কবিয়ে লখিমী আইৰ লগতো তুলনা কৰিছে। প্ৰকৃতিৰ নৈসৰ্গিক ৰূপত প্ৰাণ প্ৰতিষ্ঠা কৰা কবিৰ কবিতাত নিজা সৃষ্টি প্ৰতিভাৰ পৰিচয় দেখা গৈছে।

শৰতৰ পোহৰে, বতাহে, আকাশে, নৈয়ে এক সাদৰি সুৰ বাজি উঠিছে। সুৰৰ বিষয়ে কবিৰ কেইবাটাও চিত্ৰ দেখা যায়।

'বজালে আহিনে বাঁহী নে বীণ
সুৰত পালানে চিন ?'

আৰু,

'চিনো যেন চিনো যেন লাগে
মাটিত মেঘৰ সুৰ জাগে।'

পাৰ্বতি প্ৰসাদ পোহৰ আৰু সুন্দৰৰ পূজা জীৱন বিলাসী কবি। প্ৰকৃতিৰ লগত তেও আশা-আনন্দৰ সম্বন্ধ আছে। 'শুকুলা ডাৱৰ কঁহুৱা ফুল'ৰ কবিতাত শৰতৰ আকাশ বতাহ সুন্দৰ সোণোৱালী ভৱিষ্যতৰ সংকেত আছে।

এই সুন্দৰ পৃথিবীক কবিয়ে মন প্ৰাণ ভাল পায়। সেয়ে শৰতৰ অফুৰন্ত সৌন্দৰ তেওঁ অথলে যাবলৈ দিয়া নাই। শৰতক কবি তেওঁৰ তুলিত জীৱন্ত ৰূপ দিছে। সৌন্দ পিয়াসী কবিৰ কেতিয়াও মৃত্যু নাই। তে অমৰ।

'আকাশৰ সৌ বগা ডাৱৰৰ শাৰী;
তাৰ লগতে অসীমত দিওঁ পাৰি।
সোণৰ পখুম বিচাৰি যাওঁ,
পখুম বনত মৃণাল উভালি খাওঁ।'

"আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত অসমক মৰিবলৈ নিদিও, অসমীয়াক জীণ যাবলৈ নিদিও, অসমীয়া সংস্কৃতিক লুপ্ত হবলৈ নিদিও।"

——কলাগুৰু বিষ্ণুৰাভা।



এটি চমু পৰ্য্যালোচনা :—

# গদ্য শিল্পী গোহাঞিবৰুৱা

শ্ৰীগজেন্দ্ৰ নাথ গোস্বামী।
প্ৰৱক্তা, অসমীয়া বিভাগ।

গোহাঞিবৰুৱা যুগটো আছিল অসমীয়া ভাষা সাহিত্যৰ সন্ধিক্ষণৰ যুগ। বিভিন্ন এক শ একুৰি সমস্যাই চাৰিওপিনে ৰঘুমালাৰ নিচিনা অসমীয়া ভাষা সাহিত্যৰ সমাজখনক চানি পেলাইছিল। গতিকে বেজবৰুৱা আৰু গোহাঞিবৰুৱাই নিমজ সাহিত্য পথাৰ এখন পোৱা নাছিল। সেয়েহে গোহাঞিবৰুৱাই পাঠ্য পুথি ৰচনাৰ পৰা আৰম্ভ কৰি সাহিত্যৰ বিভিন্ন বিভাগ সমূহৰ উন্নতি কল্পে কাম চলাই যাব লগা হৈছিল। সেয়েহে (গতিকে) আটাইবোৰ ৰচনা উন্নত মানদণ্ডৰ নহয় যদিওঁ, কিছুমানত তেওঁৰ পুৰঠ হাতৰ পৰিচয় পোৱা যায়। তেওঁৰ আটাইবোৰ সাহিত্য দিশক সামৰি লোৱাতো এই চমু আলোচনাত সম্ভৱ নহয়। মাথোন তেওঁৰ গদ্য সাহিত্যৰ বিশেষ বৈশিষ্ট্য সমূহৰ আলোচনা কৰিবলৈ যত্ন কৰিছোঁ।

১৮৪৬ চনত 'অৰুণোদই' যুগ আৰম্ভ হয়। এই যুগ আৰম্ভ হোৱাৰ লগে লগে অসমীয়া সাহিত্য পশ্চিমীয়া সাহিত্যৰ সংস্পৰ্শলৈ আহে। আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰী ব্ৰাউন, ব্ৰনছন আদিৰ চেষ্টাত খ্ৰীষ্টান ধৰ্ম বিষয়ক পুথি আৰু পাশ্চাত্যৰ চিন্তা ধাৰা সাহিত্যত প্ৰকাশ পাব ধৰিলে। বেপ্টিষ্ট সকলৰ লগে লগে আনন্দৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা প্ৰমুখ্যে স্বদেশ হিতৈষী ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ ফলত আধুনিক পদ্যশৈলী প্ৰতিষ্ঠিত হয় আৰু দৃঢ় পদক্ষেপেৰে আগবাঢ়ি যাবলৈ ধৰিলে।

ইংৰাজী ১৮৮৮ চনৰ ২৫ আগষ্টৰ দিনটো অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক চিৰস্মৰণীয় দিন। এই দিনটোতেই 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' স্থাপিত হয়। এই অনুষ্ঠানৰ প্ৰচেষ্টাত

১৮৮৯ চনত ‘জোনাকী’ কাকত প্ৰকাশ হোৱাৰ লগে লগে অসমীয়া সমাজ জীৱন আৰু সাহিত্য জগতত এক নৱজাগৰণৰ সুত্ৰপাত হয়। জোনাকী’ যুগৰ সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা প্ৰমুখ্যে লেখক সকলে ‘অৰুণোদই’ যুগৰ সাহিত্যৰ পৰা প্ৰেৰণা লাভ কৰি প্ৰেৰণা-মূলক সাহিত্য ( Absulute, Literature ) আৰু সৃষ্টি ধৰ্মী সাহিত্য সৃষ্টি কৰিবলৈ সক্ষম হল। উনবিংশ শতিকাৰ শেষছোৱা আৰু তাৰ পৰবৰ্ত্তী যুগ হৈছে— অসমীয়া সাহিত্যৰ বাবণে অনুপ্ৰেৰণাৰ যুগ। নতুন ভাৱধাৰাৰ সোঁত বোৱাৰ উপৰিও নতুন আহি আৰু সাহিত্য ৰচনাৰ নতুন নতুন কলা-কৌশলে সাহিত্যত গা কৰি উঠিল। সেই যুগৰ লেখক সকলৰ দৃঢ় নেতৃত্ব আৰু সাহিত্যিক প্ৰতিভাৰ গুণতে অসমীয়া গদ্য সাহিত্যৰ উন্নতিৰ যুগ আৰম্ভ হয়। বিভিন্ন বিষয়বস্তু গ্ৰহণ কৰি সাহিত্যক প্ৰাণময় ৰূপত গঢ়ি তোলে। ধৰ্মৰ বিশ্লেষণাত্মক দৃষ্টিভংগী আৰু যুক্তিবাদে প্ৰাধান্য লাভ কৰিলে। অসমৰ শিক্ষা, সাহিত্য জগতত নতুন আলোড়ণ সৃষ্টি হল। নৱসৃষ্টিবাদী তৰুণ লেখক সকলে নৱন্যাসৰ ভাৱধাৰাৰে উদ্বুদ্ধ হৈ বিভিন্ন বিষয়ৰ সাহিত্য সৃষ্টিত উঠি পৰি লগাৰ লগে লগে সাহিত্যৰ ক্ষেত্ৰত যুক্তিমূলক গদ্যৰ অংকুৰ প্ৰস্ফুটিত হল।

আধুনিক গদ্য সাহিত্যৰ পথিকৃত্ সকলৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱাই এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। তেখেতৰ গদ্য সুসংগঠিত আৰু প্ৰাণময় ভাষাৰে পুষ্ট, যতি চিহ্ন, ছেদ চিহ্ন, নতুন শব্দ আৰু পাৰিভাষিক শব্দৰ সৃষ্টি, অলংকাৰৰ সুপ্ৰয়োগৰ ফলত তেখেতৰ গদ্য সমৃদ্ধিশালী হৈ পৰিছে। ঘৰুৱা আৰু থলুৱা শব্দ জতুৱা, ঠাঁচ খণ্ড বাক্য আদিৰ সাৰ্থক প্ৰয়োগত গোহাঞিবৰুৱা সিদ্ধহস্ত আৰু সেই কাৰণেই তেখেতৰ হাতত অসমীয়া গদ্যই এক নতুন ৰীতি পৰিগ্ৰহণ কৰিছে। ইংৰাজীৰ পৰা অনুবাদ কৰা কৃত্ৰিম খণ্ড বাক্য আৰু প্ৰবাদ বাক্যই নিজস্ব জাতীয় সুৰ বা ভাৱৰ প্ৰতিফলন ঘটাব নোৱাৰে বুলি গোহাঞিবৰুৱাই ভালদৰে উপলব্ধি কৰিছিল। চিৰ চেনেহী অসমীয়া ভাষাৰ সেৱাত আত্মোতসৰ্গ কৰা হেতুকে গোহাঞিবৰুৱা অসমীয়া জাতিৰ পূজনীয় ব্যক্তি ৰূপে পৰিগণিত হৈছে।

পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰতিভা বহুমুখী। তেখেত সাধাৰণ লেখক হোৱাহেতেন অসমীয়া সাহিত্যক এক নতুন ৰূপত সজাই তুলিব নোৱাৰিলেহেতেন। তেখেতৰ ৰচিত সাহিত্য বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থ ৰূপে স্বীকৃত নহব পাৰে, কিন্তু অসমীয়া ভাষা সাহিত্যৰ “নমমৌন তস্থৌ” অৱস্থাত নানা বিষয়ৰ পুথি ৰচনা কৰি তেখেতে তেখেতৰ সাহিত্য প্ৰতিভাৰ পৰিচয় দি গৈছে। গোহাঞিবৰুৱাদেৱে অসমীয়া সাহিত্যৰ সংকটপূৰ্ণ যুগত নতুন জাগৰণ আনি দিছিল।



‘জোনাকী’ যুগৰ সাহিত্যিক সকলৰ প্ৰথম আৰু মুখ্য উদ্দেশ্য আছিল প্ৰতিজন অসমীয়াৰ অন্তৰত জাতীয় চেতনা সঞ্চাৰ কৰা। অসমীয়া সাহিত্যৰ এনে এটা সময়ত তেওঁলোকে কাম হাতত লৈছিল যিটো সময়ত সাহিত্যৰ স্বকীয় গুণতকৈ পৰিসৰৰ প্ৰয়োজন বেছি আছিল। পঢ়াশালিৰ পাঠ্য পুথিৰ পৰা আৰম্ভ কৰি নাটক, উপন্যাস, তথ্যপূৰ্ণ প্ৰবন্ধ আদি উচ্চপৰ্য্যায়ৰ সাহিত্যলৈকে অভাৱ পূৰ্ণমাত্ৰাই দেখা গৈছিল। গতিকে সেই সময়ত অসমীয়া সাহিত্যত এটা পৰম্পৰা সৃষ্টি কৰিবৰ কাৰণে কিছুমান সাহিত্য বিষয়ক পুথিৰ বিশেষ প্ৰয়োজন আছিল। সেয়েহে গোহাঞিবৰুৱাই বিভিন্ন সাহিত্য সম্ভাৰেৰে প্ৰমাণ কৰি গল যে, সাহিত্যই জাতীয়ত্বৰ আচল চিনাকী, সাহিত্যই জাতীয়ত্বৰ প্ৰকৃত জীৱন, সাহিত্যৰ অবিহনে কোনো জাতিৰ অস্তিত্ব টিকিবৰ সম্ভাৱনা নাই।

অসমীয়া ভাষাৰ বিকাশ আৰু অসমীয়া সাহিত্যৰ উংকৰ্ষ সাধনেই গোহাঞিবৰুৱাৰ জীৱনৰ একমাত্ৰ সাধনা। বেজবৰুৱাৰ দৰে গোহাঞিবৰুৱাইও মাতৃভাষাৰ প্ৰতি থকা ঐকান্তিক অনুৰাগ আশাশুধীয়া চেষ্টাৰ ফলত অসমীয়া সাহিত্যলৈ বিবিধ ৰচনা সম্ভাৰ আগবঢ়াই যাব পাৰিছে। নানা আৰ্থিক অনাটন আৰু প্ৰতিকূল অৱস্থাৰ মাজতো সাহিত্যৰ বস্তিগছ জ্বলাৰলৈ পাহৰা নাছিল। তেখেত এজন আদৰ্শ গদ্য শৈলীৰ স্ৰষ্টাৰূপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক ঐতিহাসিক ভূমিকা আছে। তেওঁৰ অমূল্য গদ্যৰ বিচাৰ আৰু বিশ্লেষণ কৰা অসমীয়া সাহিত্যৰ কাৰণে বিশেষ প্ৰয়োজন।

Library
Acc No 2
Date

পদ্মনাথৰ মাতৃভাষাৰ প্ৰতিথকা গভীৰ ভালপোৱা আৰু অসমৰ উন্নতি কামনাই যে একমাত্ৰ লক্ষ্য তাৰ বিভিন্ন দৃষ্টান্ত ‘মোৰ সোঁৱৰণী’ত পোৱা যায়। দুটি-এটি উদাহৰণ তলত উদ্ধৃত কৰা হল— ‘কলিকতাত স্বচক্ষুৰে দেখি অহা চুবুৰীয়া বংগালী আৰু ভিন ভিন প্ৰদেশৰ উন্নত ভাৰতবাসীৰ সমনীয়াকৈ মোৰ স্বপ্ৰদেশী স্বজাতীয় অসমৰ উন্নতি অনাত পলমে কেনেকৈ সাধিম, সেই ধাউতিত মোৰ মনে উদ্বাউল দি উঠিল।’ সেই প্ৰেৰণাত ৰব নোৱাৰি মই মোৰ সমনীয়া, মোতকৈ বয়সীয়া আৰু আমাতকৈ আগতীয়া জাতীয় আৰু জ্ঞাতীয় বন্ধু-বান্ধৱ আৰু দেশ হিতৈষী লোকসকলৰ সৈতে নানা প্ৰসঙ্গত, ছেগ বুজি জাতীয় উন্নতি কল্পে বিবিধ বিষয়ক আলোচনা কৰিবলৈ ধৰিলো’।

পদ্মনাথৰ সাহিত্যিক ব্যক্তিত্ব আৰু উৎকৃষ্ট গদ্য সৃষ্টিৰ দক্ষতা ‘মোৰ সোঁৱৰণী’ত সুন্দৰ ভাবে প্ৰকাশ পাইছে। ‘মোৰ সোঁৱৰণী’ অকল জীৱনী সাহিত্যই নহয়— ইয়াত কবিৰ কাব্যিক মনৰ প্ৰতিফলন সৌন্দৰ্য্যৰ প্ৰতি থকা স্পৃহা আৰু তাৰ নিখুত বৰ্ণনা বিশেষ মন কৰিবলগীয়া। প্ৰবন্ধকাৰ হিচাপে গোহাঞিবৰুৱাৰ দক্ষতা ‘মোৰ সোঁৱৰণী’ৰ পাততে পোৱা যায়। উপযুক্ত শব্দ প্ৰয়োগ, সংস্কৃত গদ্য শৈলীৰ ব্যৱহাৰ আৰু

ঘৰুৱা কথন ভঙ্গীৰে বৰ্ণিত ঘটনা সমূহে পাঠকৰ মন সহজে আকৰ্ষণ কৰিব পাৰে। বৰলুইতৰ প্ৰাকৃতিক শোভা গোহাঞিবৰুৱাই কিমান নিখুট ভাবে বৰ্ণনা কৰিছে, চাওঁক—

'দেখিলো সুপ্ৰশান্ত ব্ৰহ্মপুত্ৰ নদৰ কোনো পাকত কোনো পাৰত সুবিস্তীৰ্ণ বাঙ্গীখেৰৰ চাপৰিয়ে নিমজ সমান সোণালী পাৰি থোৱা পাটী একোখনৰ দৰে। ভাগৰুৱা বাটৰুৱাক একো-বাগৰ দি জিৰাই যাবলৈ আদৰেৰে আহ্বান কৰিব লাগিছে, কোনো পাৰত কোনো পাকত সুবিশাল কপনলী পাৰি থোৱা কমোৱা তুলাৰ তুলিৰ দোলন শয্যা বতাহত সুকোমল ঢৌ তুলি হেন্দুলীয়াই অতি শ্ৰান্ত পথিকক ক্ষন্তেকমান বিশ্ৰাম লৈ যাবলৈ বুলি সাংকেতিক নিমন্ত্ৰণ জনাব লাগিছে।' [ মোৰ সোঁৱৰণী, পৃষ্ঠা ৮২-৮৩ ]

মোৰ সোঁৱৰণীত অসমীয়া ঘৰুৱা শব্দ, অসমীয়া সাংস্কৃতি প্ৰকাশক শব্দ, অসমৰ বিভিন্ন সমস্যা, অসমীয়া ভাষা প্ৰচলন, অসমীয়া নাট্য আন্দোলন গঢ়ি তোলাৰ আভাস, ৰঙ্গমঞ্চ গঢ়ি তোলা, বিভিন্ন শিক্ষা বিষয়ক সমস্যা, বিভিন্ন বাতৰি কাকত চলোৱাৰ সময়ত বিভিন্ন বিপদ-বিঘিনিৰ বৰ্ণনা, ৰাজনৈতিক জীৱনৰ আভাস, বিভিন্ন ৰাজহুৱা সভা-সমিতি, অনুষ্ঠান আদিৰ জন্ম বৃত্তান্ত আৰু কিছুমান খ্যাতনামা ব্যক্তিৰ পৰিচয় দান লেখত লবলগীয়া। গোহাঞিবৰুৱাৰ 'মোৰ সোঁৱৰণ', 'অসম বুৰঞ্জী', 'সাহিত্য সংগ্ৰহ', 'উষা' আৰু 'বন্তি' কাকতৰ সম্পাদকীয় আৰু বিভিন্ন অভিভাষণ সমূহৰ ভাষাত মনোৰম প্ৰকাশভঙ্গী আৰু স্বকীয় ৰচনা ৰীতি ফুটি উঠিছে।

গোহাঞিবৰুৱাৰ ভাষা আৰু ৰচনা-কৌশল তেখেতৰ নিজা সম্পত্তি, সি অনুকৰণৰ অতীত। তলত উদ্ধৃত গদ্যাংশৰ লেখীয়া গদ্য আমি অকল গোহাঞিবৰুৱাৰ নিচিনা সাৰ্থক গদ্য শিল্পীৰ কাণৰ পৰাহে আশা কৰিব পাৰোঁ।

'বাহুৰে বাহুৰে মাৰি দুয়ো দুফালে কৰ্ফাল খাই পৰে, কিন্তু কেৱে কাকো হটাব নোৱাৰে, বুকুৰে বুকুৰে পটা-পিহনা দি দুয়ো দুইৰ হৃদিছাৰ ভাঙ্গে যেন কৰে, কিন্তু এজনা খোপনি আনজনে পিছ-লাব নোৱাৰে, মুৰে মুৰে মাৰি শিলভঙ্গা শহদেৰে জনতাৰ কাণ টাল মৰাই'—

'কেঁচা তেজৰ সোৱাদ পোৱা বাঘৰ দৰে গুজৰি উঠে, ভীমসেনে জৰাসন্ধৰ টংগালিত খামোচ মাৰি ধৰি মূৰৰ ওপৰে কেই পাকমান ঘূৰাই মাটিত কেনেহকৈ পেলাই লৈ, পিঠিত আঠুৰে হেচি ধৰি ৰাজহাড় ছুড়োখৰকৈ ভাংগি, শেষত এটা ভৰিত ভৰিৰে সৈতে গছকি ধৰি আনটো ভৰি দুহাতে খামোচ মাৰি ধৰি উচাল মাৰি বাঁহ ফলাদি জৰাসন্ধক দুচিটাকৈ ফালি পেলালে।

গোহাঞিবৰুৱাই শ্ৰীকৃষ্ণৰ (৩য় খণ্ড) নিচিনা গধুৰ ধৰ্মতত্বমূলক গ্ৰন্থতো এনেকুৱা ঘৰুৱা ঠাঁচ ৰক্ষা কৰি ভাবৰ লগত শব্দ প্ৰয়োগৰ সমন্বয় ৰক্ষা কৰি এজন সুদক্ষ গদ্য শিল্পীৰ পৰিচয়



দাঙি ধৰিব পাৰিছে। 'শ্ৰীকৃষ্ণৰ' গ্ৰন্থত ভাব আৰু ভাষাৰ মধুৰ সংযোগ ঘটিছে। ই সকলো শ্ৰেণীৰ পাঠকৰ কাৰণে সুখপাঠ্য হৈ পৰিছে। বাৰে বাৰে পঢ়ি থাকিলেওঁ বা শুনি থাকিলেও আমনি নেলাগে। এইটোৱেই গোহাঞিবৰুৱা গদ্যৰ বিশেষত্ব।

'আটাইতকৈ সুন্দৰ অসমীয়া লেখিব খোজা মানুহজনে এই ভাষাটোকে লেখিবৰ কাৰণে জীৱনব্যাপি সাধনা কৰিব লাগিব।'

গোহাঞিবৰুৱাই 'শ্ৰীকৃষ্ণ' গ্ৰন্থৰ গদ্যক বৈচিত্ৰপূৰ্ণ কৰি তুলিছে আৰু তেওঁৰ ব্যক্তিত্বৰ বিকাশ ঘটিছে। গদ্যক মধুৰ, ওজস্বী নাইবা প্ৰসাদগুণ সম্পন্ন কৰি তুলিব পাৰিছে। ভাষাক ভাবৰ অধীন কৰি বৰ্ণনা সমূহ হৃদয়গ্ৰাহী কৰি অংকণ কৰিছে।

'ভীম— পতনত শত্ৰু-মিত্ৰ, সপক্ষ-বিপক্ষ, সকলোৰে মাজত সমভাবে হাহাকাৰ লাগি উঠিল, দুৰ্য্যোধন আৰু কৃপাচাৰ্য্যই বিলাপত গছৰ পাত লৰাবলৈ ধৰিলে, কৌৰৱ পাণ্ডৱ উভয় শিবিৰ শোকত জয় পৰিল।'

'বাছা, এতিয়াও মোৰ কথা শুনা ধৈৰ্য্য ধৰা, শান্ত হোৱা, প্ৰকৃতিস্থ হোৱা, দুৰাশাৰ কল্পনা এৰি পেলোৱা, ইয়াকে কৰি নিলগৰ অপায় নিলগতে মাৰ নিয়াবলৈ চোৱা।'

'পোনা, আজি তই এই অভাগিনীৰ ভাগ্য প্ৰসন্ন কৰিলি, আজি মোৰ অন্তৰত সাতোটা সন্তান বিয়োগৰ সাতকুৰা শোকৰ অগ্নি তই নুমুৱালিহি, আজি তই মোৰ মৰা শৰীৰত জীৱনদান দিলিহি। সোণাই, মোক আকৌ তই অভাগিনী নকৰিবি, ..........

.......... তই কলেকো আঁতৰি নাযাবি দেই পোনা, যাবি নে নাযাও ক'।

ওপৰৰ গদ্যাংশত মাতৃ হৃদয়ৰ আকুল উৎকণ্ঠা, সৰল মাতৃৰ পুত্ৰ স্নেহৰ এটি সুন্দৰ স্তৱক ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰাত লিখক কৃতকাৰ্য্য হৈছে আৰু বৰ্ণনাটিত লিখকৰ ভাষা ভাবৰ অধীন হৈ পৰা কাৰণে সহজে পাঠকৰ মন স্পৰ্শ কৰিব পাৰে। গতিকে 'শ্ৰীকৃষ্ণ'ৰ গদ্য, অসমীয়া সাহিত্যৰ এক শ্ৰেষ্ঠ গদ্যৰ নিদৰ্শন। গীতাসাৰৰ ভাষা বিতোপন, পাঠ সুশোভন ব্যাখ্যা সুগম প্ৰণালী সুঠাম। অসমীয়া সাহিত্য ভঁৰাললৈ ই এটি ডাঙৰ দান।

গোহাঞিবৰুৱাৰ গদ্যৰ আন এটা লক্ষণীয় দিশ হল— মৌলিক দৃষ্টিভঙ্গী, সমাজবোধ আৰু সংযত ভাষাশৈলী। তেওঁৰ বিভিন্ন ৰচনাত নিম্ন স্তৰৰ মানুহৰ মনক বিশ্লেষণ কৰিব পৰা অদ্ভুত ক্ষমতাৰ পৰিচয় পোৱা যায়। ইবচনে আৰু বাৰ্ণাডশ্বই সমাজৰ বিভিন্ন দিশৰ ওপৰত আলোক-পাত কৰি সমাজ সংস্কাৰ কৰিব বিচৰাৰ দৰে গোহাইবৰুৱাই গম্ভীৰ সামাজিক নাট— 'গাওঁ-বুঢ়া', 'ভূত নে ভ্ৰম', নাটৰ যোগেদি অসমীয়া সমাজথনক সংস্কাৰ কৰিব বিচাৰিছিল। গোহা-

ঞ্জিবৰুৱাৰ গহীন সামাজিক নাট ৰচনাৰ ক্ষেত্ৰত অদ্ভুত দক্ষতা পৰিলক্ষিত হয়। সংলাপ, ঘটনা সংস্থাপন, অসংগতিপূৰ্ণ ভাষা ব্যৱহাৰৰ দ্বাৰা হাস্যৰস সৃষ্টি কৰাৰ লগে লগে সমাজৰ সংকীৰ্ণতা আৰু অনুদাৰতাৰ নিখুঁত ছবি সুন্দৰ ভাবে ফুটাই তুলিছে। নাট্যকাৰ হিচাপে গোহাঞিবৰুৱাৰ প্ৰায়বোৰ নাট ( বান ৰজাত বাহীৰে ) আজিও চিৰ নতুন হৈ আছে। -গাওঁবুঢ়া' আৰু 'টেটোন তামুলী' আজিৰ সমাজতো অতি জনপ্ৰিয় বিভিন্ন ৰঙ্গমঞ্চত নাট দুখনৰ অভিনয় হৈ থকা দেখা যায়। 'ভূত নে ভ্ৰম' লঘু প্ৰহসন জাতীয় নাটকখনত চৰিত্ৰ সমূহৰ সংলাপৰ মাজেৰে সমাজৰ অনাচাৰ, কুসংস্কাৰ আদিৰ বিৰুদ্ধে তীব্ৰ বিদ্ৰুপবান নিক্ষেপ কৰিছে। গোহাঞিবৰুৱাৰ 'গাওঁবুঢ়া' নাটকত স্বাধীনতা কালৰ আগৰ যুগ মানস আৰু বিভিন্ন অৰ্থনৈতিক আৰু সামাজিক সমস্যা অংকিত হৈছে। বিভিন্ন সমস্যাৰ মনস্তাত্বিক, সামাজিক তথা মানৱীয় বিশ্লেষণ মন কৰিবলগীয়া।

ঐতিহাসিক নাট 'জয়মতী', 'গদাধৰ', 'সাধনীত' নিম্ন শ্ৰেণীৰ চৰিত্ৰসমূহ অতি জীৱন্তৰূপে অঙ্কিত কৰিছে। নিম্ন শ্ৰেণীৰ চৰিত্ৰসমূহৰ মুখত দিয়া সংলাপত বাস্তৱত ( Realistic touch ) দিবৰ কাৰণে ছেক্সপিয়েৰৰ আহিত কথিত ভাষাৰ প্ৰয়োগ কৰিছে। 'জয়মতী' আৰু 'গদাধৰ নাটকত গদাপাণিৰ স্বগতঃ উক্তিবোৰৰ প্ৰয়োগৰ ক্ষেত্ৰত হেমলেটৰ স্বগতঃ উক্তিৰ সাদৃশ্য মন কৰিবলগীয়া। 'গদাধৰ' নাটকত গদাধৰৰ সংলাপ কেতিয়াবা পদ্যত আৰু কেতিয়াবা গদ্যত দিছে। এইটো ছেক্সপিয়েৰৰ নাটকত দেখা যায়। পদমৰ্য্যদা অনুসৰি আৰু নাটকীয় ভাৱে বেছি আকৰ্ষণীয় কৰিবৰ কাৰণে ( According to social rank and dramatic mood ) সংলাপৰ ব্যৱহাৰ গদাপাণি চৰিত্ৰৰ সংলাপত দেখা যায়। মুঠতে গোহাঞিবৰুৱাই পাশ্চাত্য ভাবধাৰাৰ লগত নিজস্ব ভাবধাৰাৰ সামঞ্জস্য ৰাখি, অসমীয়া সাহিত্যৰ প্ৰয়োজনৰ কাৰণে বিভিন্ন নাট ৰচনা কৰি অসমীয়া নাট্য সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰি গৈছে। স্বদেশপ্ৰেমেই নাটসমূহ ৰচনাত প্ৰেৰণা যোগাইছিল।

গোহাঞিবৰুৱাৰ সাহিত্য প্ৰতিভাৰ প্ৰধান মন কৰিবলগীয়া দিশ হ'ল— অনুপম গদ্য। পূৰ্ব্বৱৰ্তী আলোচনাবোৰত তেওঁৰ বলিষ্ঠ আদৰ্শস্বৰূপ গদ্যৰ বিষয়ে আলোচনা কৰা হৈছে। এওঁৰ ৰচনাত আন লিখকৰ হাতত সহজে ধৰা নিদিয়া কিছুমান অপ্ৰচলিত শব্দ বা সেই জাতীয় প্ৰকাশভঙ্গীৰ ব্যৱহাৰ মন কৰিবলগীয়া।

'তিথাপিত', 'সদোমুলি আমি ডেৰকুৰি মানুহে', 'ইতিমধ্যত', 'ইতিক্ষণত', 'ইতিছেগত', 'ডিঙি ভাঙি ভাঙি, 'হিয়া ভেজি মথি', 'তোমাসাৰ', আমাসাৰ', 'তোমাসৱৰ' ইত্যাদি। ভাউতি ( পৃষ্ঠা ১৮ ) উপজি পুৱাত (পৃঃ ৬:৬) ইতি অৱসাৰত ( পৃঃ ৫৯০ )

গোহাঞি বৰুৱাৰ গদ্যত আন লিখকৰ ৰচনাত নোপোৱা কিছুমান সংস্কৃত সন্ধিযুক্ত শব্দ



বা সেইজাতীয় প্ৰকাশভঙ্গীৰ ব্যৱহাৰ বিশেষ মন কৰিবলগীয়া কথা। যেনে— 'কৃষ্ণোস্থিত', 'কুশলাৰ্থে', 'যদিস্যাং', 'দন্তপহৰণ'।

গোহাঞিবৰুৱাই অসমীয়া সাহিত্যক বিভিন্ন সাহিত্য সম্ভাৰেৰে নদন-বদন ৰূপত সজাই তোলাৰ লগে লগে গদ্য সাহিত্যকো এটি গঢ় দি গৈছে। তেওঁৰ সাহিত্য প্ৰতিভাৰ ৰশ্মিয়ে অসম সাহিত্য আকাশ পোহৰ কৰি ৰাখিব- নতুন পুৰুষে পাব সাহিত্য সৃষ্টিৰ অনুপ্ৰেৰণা। এজন মহান গদ্য শিল্পী ৰূপে নতুন পুৰুষক দি যাব পাৰিছে এক বিশিষ্ট গদ্যৰ চানেকি- যি চানেকি আদৰ্শৰূপে লৈ অসমীয়া ভাষা সাহিত্যৰ নিজস্ব বৈশিষ্ট্য আৰু অসমৰ নিজস্ব সভ্যতা সংস্কৃতিৰ বৰ্ণাঢ্যৰূপে ফুটাই তুলিবলৈ সমৰ্থ হব। আধুনিক অসমীয়া ভাষা সাহিত্য নিৰ্মাতা আৰু আদৰ্শনীয় গদ্য স্ৰষ্টাৰূপে পদ্মনাথ গোহাঞিবৰুৱা অমৰ হৈ থাকিব □

# দৰ্শন আৰু সামাজিক পৰিবৰ্ত্তন

শ্ৰীমাণিক চন্দ্ৰ দাস।
প্ৰৱক্তা, দৰ্শন বিভাগ,

দৰ্শন শব্দটো সংস্কৃত শব্দ ইংৰাজীত দৰ্শন শাস্ত্ৰক 'ফিল'ছফি' ( Philosophy ) বোলা হয়। 'ফিল'ছফি' শব্দটো গ্ৰীক ভাষাৰ 'ফিল'ছ আৰু 'ছ'ফিয়া'ৰ পৰা আহিছে। 'ফিল'ছ' মানে আগ্ৰহ বা প্ৰেম ( Love ) আৰু 'ছ'ফিয়া মানে জ্ঞান ( Wisdom )। এতেকে 'ফিল'ছফি' মানে জ্ঞানাগ্ৰহ বা জ্ঞান-প্ৰেম। তেনেকৈ ভাৰতীয় দৰ্শন শব্দটো 'দৃশ্' ধাতুৰ পৰা আহিছে। দৃশ্ মানে দেখা। গতিকে সত্যক দেখা বা প্ৰত্যক্ষ কৰাই দৰ্শন। সত্যৰ অন্বেষণ বা প্ৰকৃত জ্ঞানৰ সন্ধানকে ভাৰতীয় ঐতিহ্যত দৰ্শন বুলি কোৱা হয়।

দৰ্শনশাস্ত্ৰ বা দাৰ্শনিক চিন্তা বুলি কলে আমি আধ্যাত্মিক, নৈতিক, মানসিক আৰু তত্বজ্ঞান আদিকে বুজো। দৰ্শন বা ফিল'ছফিৰ সুত্ৰ একেষাৰতে দিয়া টান। কিছুমানৰ মতে ইয়ে বিশ্বব্ৰহ্মাণ্ডক সামগ্ৰীক ভাবে জানিব খোজে। কিছুমানৰ মতে ফিল'ছফি মানে ধাৰণাসমূহৰ ব্যাখ্যা। কিছুমানৰ মতে ই তত্বজ্ঞান ইত্যাদি। কিন্তু এই সুত্ৰবোৰ সম্পূৰ্ণ শুদ্ধ নহয়। দৰ্শনৰ মূল উদ্দেশ্য হ'ল সত্যৰ বিষয়ে অধ্যয়ন কৰা। জীৱন আৰু জগতৰ বৰ্তমান চকুৰে দেখা ৰূপেই আচলনে ইয়াৰ অন্তৰালত কিবা গূঢ় তত্ব আছে দৰ্শনে এই কথা বিচাৰ কৰে। জীৱন আৰু জগতৰ মূল সত্তা কি ইয়াক উদ্ঘাটন কৰাই দৰ্শনৰ লক্ষ্য বা উদ্দেশ্য।

সাধাৰণ ভাবে কবলৈ হ'লে— দৰ্শন হ'ল জ্ঞানৰ যুক্তি সংগত ঐক্যৰ প্ৰচেষ্টা— অধ্যয়নৰ বিভিন্ন শাখাৰ পৰা পোৱা সত্যৰ সংগঠনৰ আৰু ইয়াৰ দ্বাৰা বিশ্বব্ৰহ্মাণ্ডক একেলগে যুক্তি সংগত ভাবে ব্যাখ্যা কৰাৰ এটি প্ৰচেষ্টা। অধ্যাপক ৱেবাৰৰ ভাষাত— 'ই প্ৰকৃতিৰ সামগ্ৰীক দৃষ্টিৰ অনুসন্ধান আৰু বস্তু সমূহৰ সামগ্ৰীক ব্যাখ্যাৰ প্ৰচেষ্টা।' ( It is the search for a comprehensive view of nature an attempt at a universal explanation of things). দৰ্শন হ'ল— 'যুক্তিবাদী প্ৰাণী হিচাপে মানুহৰ পৃথিৱীখনৰ সম্বন্ধে, ইয়াৰ লগত মানুহৰ সম্বন্ধে, মানুহৰ উৎপত্তি, কৰ্ত্তব্য আৰু লক্ষ্য সম্বন্ধে এটি স্পষ্ট ধাৰণা আহৰণ কৰাৰ প্ৰচেষ্টা'।

জীৱৰ ভিতৰত মানুহ হ'ল শ্ৰেষ্ঠ। চিন্তাশক্তি আছে বাবেই মানুহে চিন্তা কৰি নতুন কিবা জানিব খোজে। আদিম মানুহৰ মনত যিদিনাই এই চিন্তাশক্তিৰ জন্ম হ'ল সিদিনাৰ পৰাই পৃথিৱীৰ বিভিন্ন সমস্যাই মানৱ মনক অশান্ত কৰি তুলিলে। এই অশান্তি দূৰ কৰিবৰ বাবেই যি প্ৰয়াস তাৰ পৰাই জন্ম হ'ল— দৰ্শন, ধৰ্ম, সাহিত্য, বিজ্ঞান, কলা ইত্যাদি। তেনেদৰে মানুহ হ'ল সমাজ প্ৰিয় প্ৰাণী। জীৱন আৰু জগত যিহেতু পৰিবৰ্তনশীল সেয়ে সমাজো পৰিবৰ্তন হবলৈ বাধ্য। জীৱন আৰু জগতৰ পৰিবৰ্তনৰ লগতে মানুহৰ চিন্তা-ভাৱনাও পৰিৱৰ্তিত হয়। এতেকে মানৱ জাতিয়ে পৰিবৰ্তিত জগতৰ লগত নিজকে খাপ-খুৱাই লবলগীয়া হয়।

আকৌ মানুহৰ জীৱনৰ লগতে জগতখনকো পৰিবৰ্তন কৰাৰ ক্ষেত্ৰত দৰ্শনৰ এটা ডাঙৰ ভূমিকা আছে। ই আমাৰ পথৰ পাথেয়। সেয়ে মাৰ্ক্সীয় দাৰ্শনিক সকলেও এই বুলি কয় যে— 'There is no headway without philosophy'; অৰ্থাৎ দৰ্শন নহলে আমি জীৱনৰ বাটত এখোজো দিব নোৱাৰো। জগতখনক বুজাৰ লগতে পৰিবৰ্তন কৰাও দাৰ্শনিকৰ কাম। আচল ভাবাৰ্থটো হ'ল দৰ্শনে সামাজিক পৰিবৰ্তনৰ গতিটো নিৰ্ণয় কৰিব পাৰে।

পৰিবৰ্তন চিৰসত্য। বিশ্বব্ৰহ্মাণ্ডখনেই পৰিবৰ্তনশীল। সেয়ে বিশ্বব্ৰহ্মাণ্ডত থকা প্ৰত্যেকটো বস্তুৱেই পৰিবৰ্তনশীল। তেনেদৰে সামাজিক পৰিবৰ্তনেও সত্য যাক অস্বীকাৰ কৰিব নোৱাৰি। ই বাস্তৱ স্বীকাৰ্য্য সত্য যিয়ে মানুহৰ স্থান, বিশেষ বিশেষ ক্ষেত্ৰত মানুহৰ আনৰ লগত সম্বন্ধৰ নিৰ্দ্দেশ দিয়ে। আমি আশা কৰোঁ বা নকৰোঁ সমাজ ইয়াৰ নিজৰ গতিৰে পৰিবৰ্তন হবই— সেই পৰিবৰ্তন দ্বন্দাত্মকেই হওঁক বা আনেই হওঁক। আকৌ মানুহে এটা সামাজিক ঐক্য গঠন কৰি এটা নিৰ্দ্দিষ্ট লক্ষ্যত উপনীত হবলৈ বিচাৰে। কিন্তু সামাজিক পৰিবৰ্তনটো এটা মূল্যবান আদৰ্শ— যিটোক প্ৰগতি বুলি কব পৰা যায় তাৰ সৈতে থকা পৰিবৰ্তনৰ ক্ষেত্ৰতহে বুজা উচিত। অৰ্থাৎ এটা নিৰ্দ্দিষ্ট আদৰ্শ আগত ৰাখিহে সমাজৰ পৰিবৰ্তন ঘটোৱা উচিত। আৰু সামাজিক পৰিবৰ্তনটো যদি এনেদৰে বুজা যায় তেন্তে ই দাৰ্শনিক অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ বিষয় হব পাৰে।

সাধাৰণতে চিন্তাৰ দুটা অৱস্থা— 'স্থায়িত্ব' আৰু 'পৰিবৰ্তন' পাৰ্মেনাইড্ছ (Parmenides) আৰু হেৰাক্লিটাছ ( Heraclitus ) নামৰ দুজন দাৰ্শনিকৰ পৰা পোৱা যায়। পাৰ্মেনাইড্ছে

পৰিবৰ্তন অস্বীকাৰ কৰে, কিন্তু হেৰাক্লিটাছে সামাজিক পৰিবৰ্তনক স্বীকাৰ কৰে। পৰিবৰ্তন শব্দটো আচলতে হেৰাক্লিটাছৰ পৰাহে আহে। যি কি নহওঁক মানুহৰ প্ৰত্যেকটো বস্তুৱেই পৰিবৰ্তনৰ অধীন। সামাজিক পৰিবৰ্তন এটা বাস্তৱ স্বীকাৰ্য্য সত্য। ই প্ৰস্তৰ যুগত (Stone age) ধীৰ হব পাৰে নাইবা বৰ্ত-মানৰ শিল্প বিজ্ঞানৰ যুগত ক্ষীপ্ৰ হব পাৰে। কিন্তু জগতৰ পৰিবৰ্তনৰ লগে লগে সমাজো পৰিবৰ্তন হবই। সামাজিক পৰিবৰ্তন সাধাৰণতে প্ৰমূল্য, সামাজিক অনুষ্ঠান আৰু সামাজিক গতিবিধিৰ জৰিয়তে পাৰলৈ বিচৰা হয়। যদি এই প্ৰমূল্য আৰু অনুষ্ঠানবোৰ কোনো অতি মানৱ নাইবা ভগৱানৰ ক্ষেত্ৰত চিন্তা কৰা হয় আৰু মানুহে যদি তাকেই মূৰ্খৰ দৰে অনুসৰণ কৰে তেন্তে সেই পৰিবৰ্তন ধীৰ হবই। এনে-কুৱা ক্ষেত্ৰত অধিক প্ৰগতি আৰু আগৰ সামাজিক পৰিবৰ্তনৰ সুফলবোৰক একত্ৰিত কৰাত পৰম্পৰাই ইয়াৰ সামাজিক উদ্দেশ্যৰ দ্বাৰা নিস্ফল হয়। আনহাতে শাৰিৰীক বা সামাজিক দুয়োটা ক্ষেত্ৰতেই মানুহৰ কামবিলাক সৃজনীমূলক। মানুহ হ'ল গতিশীল প্ৰাণী। আৰু গতিশীল প্ৰাণী হিচাপে মানুহে সামাজিক পৰিবৰ্তন বিচাৰে— সেই পৰিবৰ্তন ধীৰেই হওঁক নাইবা ক্ষীপ্ৰই হওঁক।

সামাজিক পৰিবৰ্তনৰ ওপৰত বিভিন্ন পদ্ধতিৰ সংলগ্নৰ দ্বাৰা বিভিন্ন দাৰ্শনিক ৰচনা স্থাপন কৰা হয়। কিন্তু ব্যাখ্যাবোৰ আংশিক হয় যেতিয়া এটা পদ্ধতিয়ে গোড়ামিত দৃঢ় হৈ পৰে আৰু সকলোবোৰ পদ্ধতিয়ে এনেকুৱা কৰে যেতিয়ালৈকে সেইবোৰ নতুন ধৰণৰ জ্ঞানৰ ক্ষেত্ৰত গ্ৰহণযোগ্য নহয়। বুৰঞ্জীৰ দৰ্শনেও দেখুৱাই দিয়ে কেনেকৈ প্ৰায়ে সংস্কৃতিৰ মাজত বৈ থকা পদ্ধতিসমূহৰ পৰা পৃথক হোৱা এটা বা দুটা উপাদানৰ ওপৰত এটা পদ্ধতি গঠন কৰা হয় আৰু তাৰ পিছত অসীমলৈ নিয়া হয়। কিন্তু এজন ব্যক্তি যিজনে তেওঁৰ প্ৰচুৰ শক্তিৰ জৰিয়তে বিবাদ বা সহযোগিতাৰ সৃষ্টি কৰি সামাজিক জীৱনৰ গতিত গৈ থাকে তেওঁ যিকোনো সময়তে এটা পদ্ধতিতকৈ বেছি ওপৰত। সেয়েহে যুগে যুগে মানুহৰ তথা সমাজৰ মনোভাৱ নাইবা মানসচিত্ৰৰ পুনঃ পৰীক্ষা কৰাৰ আৱশ্যক হৈছে কাৰণ ব্যক্তিগত ক্ষেত্ৰতেই হওঁক নাইবা জ্ঞানৰ ক্ষেত্ৰতেই হওঁক সামাজিক পৰিবৰ্তনে সদায় প্ৰগতিৰ সম্ভাৱনাৰ সূচনা কৰে। এই প্ৰগতি বেছি ফলদায়ক হয় যদিহে দৰ্শনৰ জৰিয়তে সামাজিক পৰিবৰ্তন ঘটোৱা হয়।

সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত শিল্পবিজ্ঞানৰো ভূমিকা আছে। বৰ্তমানৰ শিল্প বিজ্ঞানৰ যুগত নতুন নতুন আৱিষ্কাৰবোৰে সামাজিক অনুষ্ঠান-বোৰৰ আৰু মানুহৰ সম্বন্ধৰ গঠনৰ পৰিবৰ্তন সাধিছে আৰু ইয়াৰ জৰিয়তে সামাজিক মূল্যবো পৰিবৰ্তন হৈছে। শিল্প বিজ্ঞানৰ ফলাফলবোৰ



মানুহৰ নিয়ন্ত্ৰণৰ ভিতৰতেই হওঁক বা বাহিৰতেই হওঁক এইবোৰৰ পৰিবৰ্তন হবই। গতিকে দেখা যায় শিল্প বিজ্ঞানে সামাজিক দিশত যথেষ্ট পৰিবৰ্তন আনিছে। ইয়াৰ উপৰিও সমাজ বিজ্ঞানৰো সামাজিক পৰিবৰ্তনক অন্তৰ্ভূক্ত কৰি সমাজৰ বিভিন্ন পদ্ধতিবোৰ অধ্যয়ন কৰা এটা কৰ্ত্তব্য। ই সমাজ বিজ্ঞানৰ এটা বৈধ কৰ্ত্তব্য যিহেতু সমাজ সমাজ বিজ্ঞানৰ অন্তৰ্ভূক্ত। আনহাতে দৰ্শনে নৈতিক দায়িত্বৰ ক্ষেত্ৰত অকৃত-কাৰ্য্য হব যদিহে ই সমাজৰ ঘটনাপ্ৰবাহৰ মূল্য আৰু অধ্যয়ন অস্বীকাৰ কৰে। যিকোনো দৰ্শন দৰ্শন হবলৈ হ'লে সংস্কৃতিৰ ঘটনাপ্ৰবাহ আৰু ফলসমূহৰ সৈতে বিবেচিত হব লাগিব। আৰু সংস্কৃতিৰ কোনো অধ্যয়নেই ফলপ্ৰসু হব নোৱাৰে।

মৰিছ গিনছবাৰ্গৰ মতে— 'সামাজিক পৰিবৰ্তন পোৱা যায় বিভিন্ন উৎসৰ পৰা পোৱা উপাদানবোৰৰ মিলনৰ ফলত যিবোৰে মাত্ৰ এটা বিন্দুলৈহে গতি কৰে।' কিন্তু বাৰট্ৰাণ্ড ৰাছেলে প্লেটো আৰু এৰিষ্ট'টলৰ নিচিনাকৈ কৈছিল যে — 'দাৰ্শনিকসকলৰ কাম জগতখনক পৰিবৰ্তন কৰাটো নহয়, ইয়াক বুজাহে।' ৰাছেলৰ মতটো কালমাৰ্ক্সৰ বিপৰীত। মাৰ্ক্সৰ মতে 'দাৰ্শনিকসকলৰ কাম অকল জগতখনক বুজি পোৱাটোৱেই নহয়, ইয়াক পৰিবৰ্তন কৰাওঁ।' সমাজ পৰিবৰ্তনৰ ক্ষেত্ৰত মাৰ্ক্সৰ ভূমিকা গুৰুত্বপূৰ্ণ। মাৰ্ক্সীয় দৰ্শনত জীৱনক জনা মানে মানুহৰ শৰীৰটোকো জনা আৰু তাৰ কাষৰ প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশক জনা। দাৰ্শনিক এজনে যেতিয়া জগতখনক পৰিবৰ্তন কৰিবলৈ যায় তেতিয়া নিজৰ অলক্ষিতে নিজৰ জীৱনকো অৰ্থাৎ মানৱ জীৱনকো পৰিবৰ্তিত কৰে। জীৱন যিহেতু জগতৰ এক অবিচ্ছেদ্য অংগ এতেকে জগত পৰিবৰ্তন হোৱাৰ লগে লগে জীৱনো পৰিবৰ্তিত হবলৈ বাধ্য। তেনেদৰে মাৰ্ক্সীয় দৰ্শন মতে জগত পৰিবৰ্তন হোৱাৰ লগে লগে সমাজো পৰিবৰ্তিত হবই।

সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত থকা গোটেই দাৰ্শনিক পথটোত শিক্ষাৰ দৰ্শনৰো এটা গুৰুত্ব-পূৰ্ণ ভূমিকা আছে। সংস্কৃতিৰ দৰ্শনৰ বিশাল কাৰ্য্যক্ষেত্ৰৰ মাজত শিক্ষাৰ দৰ্শনৰ ভূমিকা উল্লেখযোগ্য। বিদ্যালয়বোৰ হ'ল শিক্ষাৰ মাধ্যম। বিদ্যালয়বোৰ হ'ল সৰু সৰু সমাজ, যাৰ জৰিয়তে সামাজিক সমস্যাবোৰ আক্ৰমিত হয়, জনশ্ৰুতি আৰু মূল্যবোৰক আগবঢ়াই নিবলৈ চেষ্টা কৰা হয়। কিন্তু যদি সামাজিক পৰিবৰ্তনৰ এই উল্লেখযোগ্য মাধ্যম বিদ্যালয়ক দৰ্শনৰ সমালোচনাৰ বাহিৰত ৰখা হয় আৰু যদি ইয়াক ৰাজনৈতিক গন্দগোলৰ মাজত এৰি দিয়া হয় তেনেহলে বিদ্যালয়বোৰে শিক্ষা নাইবা সংস্কৃতিৰ ক্ষেত্ৰত অকৃতকাৰ্য্য হব। গতিকে বিদ্যালয়বোৰত প্ৰগতিশীল শিক্ষাৰ ওপৰত জোৰ দিলেহে ই কৃতকাৰ্য্য হব। তেনেদৰে দৰ্শনেৰে

পৰিপুষ্ট হলেহে বিদ্যালয়বোৰে সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত কৃতকাৰ্য্য হ'ব।

সামাজিক পৰিবৰ্তনলৈ অৱদান আগবঢ়োৱাৰ ক্ষমতা যে কিছুমান ব্যক্তিৰো আছে সেইটো নিঃসন্দেহে লক্ষ্য কৰা হয়— সেইসকল ব্যক্তি বৈজ্ঞানিক, দাৰ্শনিক, শিল্পী নাইবা সমাজ সংস্কাৰকেই হওঁক। তথাপি সামাজিক পৰি- বৰ্তনক ব্যক্তিগত ক্ষেত্ৰত বিবেচনা কৰিব নোৱাৰি। সামাজিক পৰিবৰ্তন হ'ল দল নাইবা ব্যক্তিৰ মাজৰ বিবাদ আৰু সহযোগিতাৰ পাৰ- স্পৰিক ক্ৰিয়াৰ গুণফল। সাধাৰণতে প্ৰত্যেকজন ব্যক্তিৰে সামাজিক পৰিবৰ্তনৰ একোজন কৰ্ত্তা ( agent ) হোৱাৰ দক্ষতা আছে। মাত্ৰ তেওঁক পৰিবৰ্তনৰ দিশ নিৰ্ণয়ৰ বাবে সমৰ্থ হ'বলৈ দাৰ্শনিক চিন্তাৰ আৱশ্যক হয়। আমাৰ জন- শিক্ষা আৰু স্বাধীনতাৰ এনে যুগত শিক্ষা আৰু স্বাধীনতা উভয়েই দুৰ্ব্বোধ্য হ'ব যদিহে সইবিলাক দাৰ্শনিক চিন্তাৰ দ্বাৰা পুষ্ট নহয়। আমাৰ সমাজত এনেকুৱা এটা সংকট আছেই। এই সংকটটো মানুহৰ অস্তিত্ব সম্পৰ্কীয় অৱস্থানৰ ওপৰত দাৰ্শনিক চিন্তাৰ অৱনতিৰ ফলতেই হৈছে। এহাতে দাৰ্শনিক চিন্তাৰ অভাৱ আৰু আনহাতে অনিয়ন্ত্ৰিত মনৰ আৱেগ আৰু অনিয়ন্ত্ৰিত শিল্প বিজ্ঞানে পৰ- স্পৰে পৰস্পৰক বেছি জটিল আৰু বেয়া কৰিছে। যদি এই সংকটৰ মাজতো সংস্কৃতি জীয়াই থাকিব লগা হয় তেন্তে দাৰ্শনিক চিন্তা-ধাৰাই বিশেষ ভূমিকা লব লাগিব। সেয়েহে সংস্কৃতিক পুনৰ গঠন কৰিব লাগিব আৰু স্বাধীনভাৱে সূচনা কৰিব লাগিব, কাৰণ সভ্যতাৰ সংকট মানেই হ'ল দাৰ্শনিক চিন্তাৰ সংকট।

গতিকে দেখা গ'ল যে দৰ্শনৰ কাম হ'ল জীৱনটোক সুন্দৰ কৰা, স্বাচ্ছন্দ্যপূৰ্ণ কৰা আৰু অৰ্থযুক্ত কৰা। যিটো দৰ্শন মানৱ জীৱনৰ বাস্তৱ দিশটোৰ গইনা লৈ গঢ় উঠে সি মানৱ জীৱনক এক উন্নত অৱস্থালৈ লৈ যোৱাত সহায়ক হ'বই। দৰ্শনৰ উদ্দেশ্য জগতত আনন্দ আৰু সৌন্দৰ্য্যৰ বাতাবৰণ সৃষ্টি কৰাও। তেনেদৰে সমাজখনকো সুন্দৰ কৰি তোলা দৰ্শনৰ এটা কাম। সমাজ পৰিবৰ্তনশীল। ই ইয়াৰ নিজৰ গতিৰে পৰিবৰ্তন হ'বই! কিন্তু এটা নিৰ্দ্দিষ্ট আদৰ্শ থাকিলেহে পৰিবৰ্তন ফলপ্ৰসু হ'ব। সমাজৰ এই পৰিবৰ্তন যদি দাৰ্শনিক চিন্তাৰে প্ৰভাৱিত হয় তেন্তে ই সমাজৰ বাবে অধিক ফলদায়ক হ'ব। গতিকে কব পৰা যায় যে সমাজ পৰিবৰ্তনৰ ক্ষেত্ৰত দৰ্শনৰ এক গুৰুত্ব- পূৰ্ণ ভূমিকা আছে। □

# কবিতাকুঞ্জ

"যুদ্ধজনিত তিক্ততাৰ সৰ্বাত্মক অভিজ্ঞতাই আৰু বিশ্বাসিহৰ বিপ্লৱৰ পটভূমিতেই আধুনিক কবিতাৰ সূচনা।

ড হীৰেন্দ্ৰ নাথ দত্ত।

## —ঃ স্বপ্ন ঃ—

শ্ৰীমুনীন চৌধুৰী।
উচ্চতৰ মাধ্যমিক,
প্ৰথম বাৰ্ষিক।

বাওনা হৈ মই
চন্দ্ৰলৈ হাত মেলিছো
মোৰ ভগা পঁজাৰ
চালৰ ফুৰুঙাৰে
বিচনাত এচেৰেঙা
জোনাক পৰিছে
শৰতৰ ৰূপোৱালী জোনাক।
( সেই ) বিচনাত শুই মই
দেখিছো অলেখ স্বপ্ন
মানুহ হোৱাৰ ·········
পেটত অত্যন্ত ক্ষুধা
তথাপিও !
ককালত টঙালি বান্ধি
হাল-কোৰ লৈ
ওলাইছো পথাৰলৈ—
দুবেলা দুমুঠি পেট ভৰাই
খোৱাৰ স্বপ্ন
বাস্তৱত ৰূপ দিবলৈ। □

## ঃ সময়ৰ গান ঃ

শ্ৰীনিখিল ডেকা এম-এ,
প্ৰাক্তন প্ৰৱক্তা,
অসমীয়া বিভাগ।

এতিয়া, বুকুৱে বুকুৱে কেৱল বিষ
গছৰ শিপাত মাটি নাই
জুই ছাই আৰু ধোঁৱাৰে ধূমায়িত আকাশ
কাৰ মুখত মুখ থৈ চাবা মানুহ
চকু মুৰ নোহোৱা মানুহ বাটে-পথে।
বতৰ সচাকৈয়ে বেয়া
বিস্ফোৰণৰ বতৰ য'তে ত'তে ডাৱঁৰীয়া।
পঞ্জাব-ভূপাল অথবা অসম-নগালেণ্ডৰ সীমাত
শৰবিদ্ধ হয় শতিকাৰ প্ৰেম আৰু মানৱতা।
এতিয়াও দিল্লীৰ ৰাজপথত হত্যা কৰা হয়
জনতাৰ শিল্পী ছফদৰ হাছমীক
সভ্যতাৰ 'চাইনবোড' আঁৰি লৈ
বৰ্বৰতাৰ খুটাত ফাঁচী দিয়া হয় গণ শিল্পীক।
সভ্যতাৰ পোছাক খহি পৰে বাটে-পথে
পাতল পৰ্দাৰ তলত উলঙ্গ হয় সভ্য সমাজ
এনেকৈয়ে !
হে সময় ! মেলি দিয়া তোমাৰ দুহাত
গাই যোৱা ধুমুহাৰ গান
উজ্জীৱিত কৰা মানুহৰ প্ৰাণ। □

# তুমি তাতেই থাকিবা

শ্ৰীবুদ্ধেশ্বৰ কলিতা।
২য় বাৰ্ষিক স্নাতক।

তুমি এতিয়া হিমালয়ৰ অভেদ্য বননিৰ মাজত
জীৱনৰ লগত যুঁজি সংগ্ৰামৰ শিক্ষা লোৱা ব্ৰতত,
তুমি এতিয়া মহানগৰীৰ বৃহৎ কাৰখানাটোৰ মাজত
মৃত্যু গহ্বৰমুখী শ্ৰমিকৰ আগত প্ৰতিবাদৰ প্ৰাচীৰ,
তুমি নিশ্চয় তাতেই থাকিবা—
যিসকলে দেশৰ বাবে গণ সংগ্ৰামক—
ৰণ-ঝংকাৰেৰে সুসজ্জিত কৰাত অগ্ৰসৰ,
হয়, তুমি তাতেই থাকিবা—
শ্বহীদ ভগ্নীয়ে হৃদয়ৰ সূতাৰে বোৱা গামোছাখন
শ্বহীদ-বেদীত উন্মোচন কৰিবলৈ
ক'ত হেজাৰজন নিৰ্য্যাতিতৰ সমাৱেশ।
তুমি সিহঁতকে ভালপোৱা—
যিসকলে অস্তিত্বৰ ৰাজহাড়ৰ অন্বেষণত
গণ সমূদ্ৰৰ লেলিহান মিছিলৰ সমুখত,
দানৱৰ তেজাল ৰাইফলৰ গুলীকো—
বুটলি লয় অস্তিত্বৰ অস্ত্ৰ হিচাৱে!

—:০:—

# ঃ উদ্বিগ্নতা ঃ

শ্ৰীপৰেশ কলিতা।
একাদশ শ্ৰেণী।

ৰাজ পথত
অসংখ্য শোভাযাত্ৰীৰ
মৌন মিছিল।
সাম্প্ৰদায়িক সংঘৰ্ষত
প্ৰক্ৰিতিৰ মুখবোৰ
এতিয়া বিবৰ্ণ।
সময়ৰ মকৰা জালত
বন্দী
বিজ্ঞ পুৰুষৰ
'ঐক্য স্বপ্ন'।
জনতাৰ তেজেৰেই
ফাকু খেলি—
অন্ধকাৰত আচ্ছন্ন
কাৰ দুই হাতে!
নিচান উৰুৱাৰ!

০—০
০

'কবিতাৰ প্ৰভাৱ প্ৰমাণৰ অসাধ্য আৰু ই সৰ্ব্বব্যাপী। ভাষাৰ কাৰণে, বোধ অনুভূতিৰ কাৰণে, এখন সমাজৰ সকলোবোৰ মানুহৰ জীৱনৰ কাৰণে, গোটেই জাতিটোৰ কাৰণে কবিতাৰ প্ৰভাৱ গুৰুত্বপূৰ্ণ।

—টি, এছ· এলিয়ট।



# ঃ মমবাতি ঃ

শ্ৰীসতীশ দাস।
দ্বাদশ মান শ্ৰেণী।

[ ১ ]

নীৰৱে নীৰৱে
সদায়—
নিজৰ বেদনাবোৰ নিঃশেষ কৰি
অকলেই জ্বলি জ্বলি
চগাবোৰক পুৰি মাৰি,
পোহৰ বিলাইছো
মাথো—
তোমাক সহায় কৰিবলৈ
আৰু—
তোমাৰ দুই ওঁঠত--
হাঁহি ফুটাবলৈ।

[ ২ ]

মই যদি কওঁ
আমাৰ জীৱনৰ গতি
এডাল জ্বলি জ্বলি শেষ হবলৈ ধৰা
মমবাতি?

::)×(::

# শুভেচ্ছা পত্ৰ

শ্ৰীপৱন কুমাৰ চৌধুৰী।
স্নাতক ২য় বাৰ্ষিক।

মোৰ সমুখৰ মেজত
এয়া এখনি নৱ-বৰ্ষৰ, পুৰণি
শুভেচ্ছা পত্ৰ।
বেটুপাতত জিলিকি আছে
গোলাপ এজুপি।
সেউজীয়া পাতেৰে।
আধাফুলা দুটি কলি
যেন এক অবুজ শিশুৰ দৰে
কিবা চাই চাই হাঁহিব লাগিছে।
তাৰ ওপৰত
এটি ভোমোৰাই গুণ গুণাইছে
যেন কাণে কাণে প্ৰতিশ্ৰুতি দিছে
আকৌ অহাৰ।
ভিতৰত লিখা আছে
মধুৰ কবিতা এটি,
তাতে লুকাই আছে
এক অবুজ শিহৰণ।
আৰু,
সেই গোলাপৰ
পাহে পাহে যেন লাগি আছে
এক চিনাকি সুবাস,
স্মৃতিৰ ৰোমান্তিক অনুভূতি,
প্ৰথম প্ৰেমৰ।

—:০:—

# ঃ মোৰ আগন্তুক সমাধি ঃ

শ্ৰীপ্ৰদীপ কুমাৰ শৰ্ম্মা।
একাদশ শ্ৰেণী

মোৰ সমাধিত,
আজলিয়ে আজলিয়ে দিয়া ফুলবোৰ
কোনোবাই নৰমেধ যজ্ঞ পাতিবলৈ বুটলি নিলে
মোক জগাই দিবা।
মোৰ কলমটো বন্দুক হোৱা দিনৰে পৰা,
সিহঁতে মোক বেনেটেৰে খুচিবলৈ বিচাৰি ফুৰিছে!
আজি মই আৱদ্ধ হৈছো, সমাধিত কবিতা লিখিছোঁ
পিষ্টলে চেপি চেপি আৱদ্ধ কৰা
মোৰ কলিজাৰ বায়ুখিনি
তোমলোকে ওলাই যাবলৈ নিদিবা।
বাৰুদৰ গোন্ধ কেতিয়াও নোপোৱাকৈ
মোক ইয়াতে থাকিবলৈ দিয়া;
......— যাযাবৰ মগজু মোৰ ওলাই গৈছে
সমাধিৰ মাজৰ পৰা.....—□॥

=::)০(::=

মোৰ কবিতাৰ ছন্দ লাগি
স্পন্দন তোৰ জাগেনে?
কথা মালিকাৰ গোন্ধ লাগি
সোণৰ সপোন ভাগেনে?

—বিষ্ণুপ্ৰসাদ ৰাভা।



# গল্পগুচ্ছ

"ঐক্য, সমাহাৰ আৰু ঘটনাৰ কেন্দ্ৰীকৰণ
চুটি গল্পৰ প্ৰধান লক্ষণ।"

—ব্ৰেণ্ডাৰ মেথিউজ।

গল্প

# অপেক্ষা

শ্ৰীসমেন দাস।
উচ্চতৰ মাধ্যমিক
প্ৰথম বাৰ্ষিক (কলা)।

জীৱনটোক বুজিবলৈ হ'লে বহুতো কিবাকিবি শিকিব লাগে। সংঘাট নহলে জীৱনটো কি বস্তু তাক ভালদৰে উপলব্ধি কৰাতো বৰ টান। এই কথাখিনি কৈ কৈ ওলাই আহিছিল দুই বন্ধু হিতেশ আৰু মোহিত দাসে স্কুলৰ সন্মুখত থকা ফুলৰ বাগিছাখনলৈ। সুবাস লৈছিল ইটো-সিটো ফুলৰ, উপভোগ কৰিছিল ফুলৰ সৌন্দৰ্য্য।

এক ধীৰ-স্থিৰ গতিত ৰাঙলী সুৰুযৰ কিৰণ মেঘৰ আৰ হৈ লুকাভাকু খেলি ম্লান হোৱাৰ উপক্ৰম। ওচৰত থকা গছৰ ডালত নানা তৰহৰ বনৰীয়া চৰায়ে কিৰিলি পাৰি ৰাঙলী সুৰুযৰ বিদায় সম্ভাষণ জনাইছিল।

মুক্ত আকাশৰ ফালে হিতেশে বৰ দুখ মনে চাই থকা দেখি মোহিতে কলে, হিতেশ তই দেখোন আজিকালি বৰ গহীন হৈ গলি, কি হ'ল তোৰ? তই কোনোবা স্বৰ্গৰ অপেশ্বৰীৰ প্ৰেমত পৰিছ নেকি? নে কৰবাত --- ... ... ? নহয় মোহিত তই মোক ভুল নুবুজিবি। মাজে সময়ে যে মোৰ কি হয়।

মনটো কোনোবা এক অজান দেশলৈ উৰি যায়। তাত দেখিছো মুক্ত আকাশত মুক্ত ভাবে বিচৰণ কৰিছে এহাল চৰাই। নাই কোনো ব্যৰ্থতা সিহঁতৰ আছে মাথো ইজনৰ প্ৰতি আনজনৰ বুকুভৰা মৰম।

সেইবোৰ বাদ দে এতিয়া। যদিহে অজান দেশৰ চৰাইৰ লগত উৰিব বিচৰা তেনেহলে Free Frank কৈ দে! আজি চাৰি বছৰে তোৰ লগত একে লগে কটালো, কিন্তু তোক কোনো দিনে এনেকুৱা দেখা নাই। যি হব লগা আছে হবই তাৰ কাৰণে চিন্তা কৰি একো লাভ নাই। নিজৰ মুৰটো নিজেই নাখাবি, পৰীক্ষালৈ বেছি দিন নাই। তাতে তইয়েই ডাঙৰ ল'ৰা। মনত ৰাখিবি হাড়ভঙা পৰিশ্ৰমৰ ধন যাতে বিফলে নাযাব।

মোহিত তই জান, মই এই স্কুলৰ এজন নাম থকা ছাত্ৰ ছাৰৰ চকুত এজন ভাল ছাত্ৰ। তই ভাব নেকি আগৰ সেই দুষ্ট স্বভাৱবোৰ এতিয়াও থকা বুলি। ঠিক আছে তোক Sevious বুলি ধৰিলো, পিছে এনেকুৱা চিন্তা ধাৰাৰ মাজত কিবা এটা ৰে লুকাই আছে ই খাটাং, হয়তো বোনোবা গাভৰু নহলে অন্য কিবা ………—।

ও তই ঠিকেই ধৰিছ যদিও ঠিক তেনেকুৱা নহয়। তোক মই সকলোবোৰ কথা কম বুলিয়েই ইয়ালৈ মাতি আনিছো। জান মোহিত মই ৰব দুৰ্ভগীয়া জীৱনত আৰু কিমান তিক্ততা বহন কৰিব লাগিব মই নাজানো।

কি হ'ল কছোন ক?

সকলো কম, মাত্ৰ শুনি থাক। সেয়া এদিনৰ কথা। আমাৰ স্কুলৰ কাষেৰে বৈ যোৱা নদীৰ পাৰৰ মুক্ত বতাহত ঢৌ খেলি থকা কদম গছজোপাৰ তলতেই লগ পাইছিলো এগৰাকী দীপলিপ গাভৰু … … …। নাম তাইৰ ৰূপা কলিতা। ৰূপাৰ ৰূপ-সৌন্দৰ্য্য আছিল পূৰ্ণিমাৰ জোনটোৰ নিচিনা লাজকুৰীয়া স্বভাৱৰ, চলন ফুৰণত ধীৰ স্থিৰ। ৰূপাক পাবলৈ মোৰ মনটো অধীৰ হৈ পৰিল। প্ৰথমতে ৰূপাৰ লগত মোৰ কোনো চিনাকী নাছিল। কিন্তু সময়ৰ সোঁতত এদিন সেই সুযোগ মোৰ হাতলৈ আহিল।

এদিন আবেলি মই আৰু চন্দন শিৱৰ থানলৈ যোৱা ৰাস্তাৰে আহি আহি আমাৰ নিৰ্দ্দিষ্ট ঠাইডোখৰ পালোহি, ঠিক তাতেই লগ পালো ৰূপাক। ৰূপাৰ পিনে দৃষ্টি ৰাখি চন্দনক কোৱাৰ চলেৰে কৈছিলো চন্দন এইবাৰ শিৱ পূজাত বাবা ভোলানাথক এটা ৰূপাৰ জোন দিব লাগিব। ৰূপাই কোনো উত্তৰ নিদি লাজত তলমূৰ কৰি লাজ লাজ ভাৱেৰে মিচিকীয়া হাঁহি মাৰি গুছি আহিছিল। এনেকৈ ৰূপা আৰু মোৰ মাজত এক গভীৰ ভালপোৱা থন ধৰি উঠিছিল। তাইৰ সেই মিঠাসুৰীয়া কোমল মোৰ হৃদয় স্পন্দিত হৈ উঠিছিল। তাইৰ প্ৰতি আপ্লুত হৈ পৰিছিল মোৰ মন। এক নিচিগা এনাজৰীৰে বান্ধ খালে দুয়োৰে মন। হৃদয়ৰ কোনো অংশত যেন ৰূপাৰ প্ৰতিচ্ছবিয়ে স্পৰ্শ কৰিলে।

তাৰ পাছত… … …।

এৰা ৰূপা আছিল বৰ অভিমানি, অভিমান ভাঙিছিলো, মই বহুত কথা কৈছিলো। তাইয়ো যথাযথ উত্তৰ দিছিল। ৰূপাৰ গানৰ সুৰ মইয়ে দিছিলো। তাই খুব ভাল গান গাব পাৰিছিল। ৰূপাক লৈ বহুত ৰঙীন কল্পনা কৰিছিলো।

কিন্তু ‥—… … …।

ৰৈ গলি যে?

ৰূপাৰ দেউতাক আছিল এজন বৰ ডাঙৰ ব্যৱসায়ী কৰা লোক তথা সমাজত নাম থকা মানুহ। মহিম কলিতা বুলি কলেই সেই অঞ্চলৰ মানুহে চিনি পায়। তেওঁৰেই ছোৱালী ৰূপা কলিতা।

তাৰ পিছত কি হ'ল?

কিনো হব আৰু—?

মই হ'লো এজন সাধাৰণ খেতিয়কৰ ল'ৰা। আমাৰ গাড়ী নাই, দুই মহলীয়া ঘৰ নাই। তেওঁলোকৰ তুলনাত আমাৰ একোৱেই নাই। এয়েই আছিল আমাৰ মাজত ৰাধাৰ প্ৰাচীৰ। তই জানো আগেয়ে এই বিষয়ে একো ভবা নাছিলি? ভাবিছিলো কিন্তু ৰূপাই মোৰ হাতত ধৰি আশ্বাস দিছিল। কৈছিল আমাৰ মিলন অনিবাৰ্য্য।

কিছুদিন পাছত এদিন লগ পাইছিলো ৰূপাক সেই একে ঠাইতে। কিন্তু স্বাভাৱিক ৰূপত নহয় অস্বাভাৱিক ৰূপতহে। ৰূপাই কান্দিছিল। মই অবাক হৈ প্ৰশ্ন কৰিছিলো কি হ'ল, কান্দিছা কিয় ৰূপা? তোমাৰ চকুত চকুলোৰে শোভা নাপায় ৰূপা! কোৱা ৰূপা কিয় কান্দিছা? ৰূপাই মোৰ বুকুৰ মাজত মুৰ থৈ কান্দি কান্দি কৈছিল 'মোক ক্ষমা কৰা হিতেশ দা'। মোক তুমি ক্ষমা কৰা। ই ৰে অসহনীয় বেদনা কান্দি কান্দি তাই কলে দেউতাক কোনো পধ্যেই মান্তি কৰিব নোৱাৰিলো। বহুতো কলো কিন্তু একো লাভ নহল! দেউতা অলৰ অচল। মই এতিয়া কি কৰো হিতেশ দা? তোমাৰ অবিহনে মই যে জীয়াই থাকিব নোৱাৰিম। কান্দি কান্দি তাই ভাগৰি পৰিল। কিন্তু কি হব! ৰূপাৰ বিয়া হৈ গ'ল। মোৰ নিচিনা নিঃকণ মানুহৰ জানো মূল্য আছে। নিজকে নিজে ধিক্কাৰ দিলো।

সময় বাগৰিল কিন্তু মৰমৰ এনাজৰী চিগা নাছিল। নিজে নিজেই সান্তনা লভিছিলো ধাৰণা হ'ল প্ৰেম মানে বিবাহ নহয় ই স্বৰ্গীয়, অমৰ।

কেইমাহ মান পাছত গম পালো তাই

সুখী নহল। দেউতাকে বিয়া দিছিল এজন জমিদাৰৰ ল'ৰাৰ লগত। মদ খায়, জুৱা খেলে, ৰাতি কেতিয়া ঘৰত সোমায় নিজেই নাজানে। আহিয়েই মদৰ ৰাগীত নানান অত্যাচাৰ চলায় ৰূপাৰ ওপৰত। বেচেৰীৰ সকলোবোৰ কল্পনা অথলে গ'ল। মদ খোৱা, জুৱা খেলাৰ কথা কলেই ৰূপাই পুৰস্কাৰ পাইছিল চাবুকৰ কোব। গিৰিয়েকৰ অপেক্ষাত কান্দি কান্দি কেতিয়াবা টোপনি যায়, কেতিয়াবা গোটেই নিশা উজাগৰে কটায়। ৰূপাৰ চকুৰ পানী আছিল একমাত্ৰ চিৰলগৰী। যুৱতী ৰূপা হৈ পৰিছিল এগৰাকী বৃদ্ধা তাইৰ অৱস্থাই মোক পুনৰ আঘাট দিলে। গিৰিয়েকৰ অত্যাচাৰ সহিব নোৱাৰি এদিন ৰাওনা হ'ল, ৰূপাই দেউতাকৰ ঘৰলৈ। তাই দেউতাকক কৈছিল— 'চোৱা দেউতা তোমাৰ ছোৱালী ৰূপা আজি কিমান সুখী' ধনৰ লোভত মোক শেষ কৰিলা। তোমাৰ ধনী জোৱাইৰ গুণ গৰিমাৰ অন্ত নাই।'

তাই কান্দি কান্দি কলে 'মই আৰু নাযাওঁ দেউতা মই ইয়াতে থাকিম মই নেযাওঁ।'

কিন্তু মহিম কলিতাৰ নিষ্ঠুৰ হৃদয় নগলিল।

এয়া সকলোবোৰ নিয়তিৰে পৰিহাস। দেউতাকৰ মান-সন্মান লাঘৱ হব বুলি ৰূপাক পুনৰ আশ্ৰয় নিদিলে। ৰূপা আগৰ ৰূপা হৈ নাথাকিল। তাইৰ স্থান এতিয়া ৰাজপথত। হিতাহিত জ্ঞান তাইৰ হেৰাই গৈছিল! সেই জনী ৰূপাই অতীতৰ কথাবোৰ চিঞঁৰি চিঞঁৰি ৰাজপথত ঘুৰি ফুৰে। এয়া তাইৰ জীৱন। মোৰ মন আজি জৰ্জৰিত, ভাবাক্ৰান্ত মোৰ হৃদয়। 'ধনৰ লোভত যদি মন বেহা-বেপাৰ হয় সেয়েহে চিঞৰি চিঞৰি কবলৈ মন যায়— 'হে মানৱ, মানৱ আত্মাক সংস্কাৰ কৰা, মলিনতা কলা এলান্ধু গুচাই মুক্ত কৰা নহলে যে সমগ্ৰ মানৱ জাতিটোৱে দানৱত পৰিণত হব। সমাজত ধনেৰে মানুহক নুজুখি মানুহ হিচাপে জীয়াই থাকিবলৈ দিয়া। কিছুপৰ দুয়ো নিমাতে থাকিল। তাৰ পাছত দুখ মনেৰে হঠাৎ হিতেশে কৈ উঠিল এয়াই প্ৰেম। মোৰ প্ৰেয়সী ৰূপা এতিয়া ৰাজপথত এয়াই আছিল তাইৰ জীৱন। এইবুলি কৈ হিতেশে কান্দিবলৈ ধৰিলে। মোহিতৰো অৱস্থা তদৰূপ। তাৰ চকুৰ পৰাও অজানিতে এটোপাল তপত চকুলো ওলাই আহিল। □

'যি আনৰ সৰ্ব্বনাশ কৰে
সি নিজৰ সৰ্ব্বনাশ মাতি আনে।'
— মহাত্মা গান্ধী।



# দায়ী কোন ?

শ্ৰীপৱন কলিতা।
স্নাতক দ্বিতীয় বাৰ্ষিক।

হতভগা অৰূপজন। জীৱনত বহুতো হেৰুৱাইছে সি। অতীতৰ হেৰোৱাবোৰক লৈ যেন জীয়াই আছে অৰূপ। অৰূপ আজি অনাদ্ৰিত, অৱহেলিত পথিক। পথেই তাৰ আশ্ৰয়। হাতত এখন ফটা-ছিটা ৰুমাল। দেহত এটা ফটা কামিজ আৰু এটা মলিয়ন ফটা পায়জামা। দুখ-যন্ত্ৰণাৰে প্ৰপিড়ীত অৰূপ আজি পাগল। সি আজি বাটৰ বলিয়া। সকলোৱে তাক আজি পাগল বুলি চিঞঁৰে। ল'ৰা-ছোৱালী-বোৰে ফৰমুটি দলিয়াই। অৰূপৰ কিন্তু মানুহৰ সেই নিষ্ঠুৰ ভৰ্ংসনাৰ প্ৰতি কাণসাৰ নাই। কাৰণ সি পথিক। অবিৰাম, অবিশ্ৰান্ত তাৰ গতি। হয়তো এই অনাদৰ, অৱহেলাই তাৰ পাথেয়। কিন্তু পাঠক, আপোনালোকে নিশ্চয় জানিব খোজে অৰূপ আজি কিয় পাগল? তাক পাগল সজালে কোনে? অৰূপৰ এই অৱস্থাৰ বাবে দায়ী কোন?

সহৃদয় পাঠক! আপোনালোকে নিশ্চয় শুনিছে বৰতলী গাৱঁৰ কথা। নিয়তিৰ চিৰন্তন প্ৰকাশ সৰু নৈ খনি অক্ষয়ধাৰে আজিও বৈ আছে বৰতলীৰ চৰণ ধুৱাই। এই বৰতলীতে আছিল কালিৰামৰ ঘৰ। মাক-পিতাকৰ একমাত্ৰ সন্তান। শিক্ষা-দীক্ষা নহলেও কালিৰামৰ চুকে-কোণে দুই এজন বন্ধু-বান্ধৱ নথকা নহয়। খুউব কম বয়সতে পিতাকে চুবুৰীয়া ধনীৰামৰ ছোৱালী জয়াৰ লগতে কালিৰামৰ বিয়া পাতি দিয়ে। তাই ৰূপে-গুণে আছিল এন্ধাৰ আকাশৰ এটা তৰা যেন। অতি আনন্দৰে পাৰ হৈ

গৈছিল সিহঁতৰ দাম্পত্য জীৱন। মাহৰ পিছত মাহ; বছৰৰ পিছত বছৰ বাগৰি গৈছিল। কিন্তু জয়াৰ দেহত মাতৃত্বৰ চিন অনুভূত হোৱা নাছিল। সিহঁতৰ দাম্পত্য জীৱনৰ আনন্দ ক্ৰমে ক্ৰমে ম্লান হৈ আহিব ধৰিলে। কালিৰামে বহুত চিকিৎসা কৰিলে জয়াৰ। মানুহৰ সুখ-দুখ চিৰদিনীয়া নহয়। কালিৰামহঁতৰ জীৱনলৈ এযেৰি পূৰ্ণিমাৰ জোনৰ পোহৰ। জয়াৰ দেহত এয়াই মাতৃত্ব। সুদীৰ্ঘ ১২ ( বাৰ ) বছৰৰ পিছত জয়া আৰু কালিৰামৰ মিলনৰ স্বাক্ষৰ স্বৰূপ ৰুমী আহিল নতুন অতিথি হৈ। কালিৰামৰ সৰু সংসাৰখনত আনন্দৰ পাৰ ভাঙিলে। এই ৰুমীজনী লৈ সিহঁতৰ আকাশ কুসুম কল্পনা। ৰুমীৰ জন্মৰ তিনি বছৰ পিছত জন্ম হয় অৰূপৰ। কালিৰামহঁতৰ আনন্দৰ শলিতাগছি আকৌ বেছি উজ্বল হৈ উঠিল। কিন্তু নিয়তিয়ে সহ্য কৰিব নোৱাৰিলে সিহঁতৰ এই সুখ স্বাচ্ছন্দ্য। বাৰিষাৰ ধল আহিল। নৈখনিৰ বুকুত বান আহিল। বলীয়া বানে পাৰ ভাঙিলে । কালিৰামৰ জীৱনত আনন্দ পাৰ ভাঙি নিৰানন্দৰ ধল বোৱালে। নিয়তিৰ বলীয়াবানে কোবাই গ'ল কালিৰামৰ সৰু সংসাৰখন। অৰূপ তেতিয়া চাৰি বছৰীয়া কোমলমতীয়া ল'ৰা। হঠাতে এদিন সৰ্প দংশনত জয়াৰ প্ৰাণপক্ষী উৰি গুছি গ'ল, কোনোবা অজান দেশলৈ। কালিৰাম হৈ পৰিল নিৰুপায়। কণ-কণ ল'ৰা-ছোৱালী দুটিক লৈ সি এতিয়া কি কৰে। ওচৰ-চুবুৰীয়াই কালিৰামক দ্বিতীয় সংসাৰ পাতিবলৈ উপদেশ দিলে। উপায় নাপাই কালিৰামে দ্বিতীয় এগৰাকী কন্যাৰ পাণি গ্ৰহণ কৰিলে। মাহীমাকে প্ৰথম অৱস্থাত ৰুমী আৰু অৰূপক নিজৰ ল'ৰা-ছোৱালীৰ দৰে মৰম কৰিছিল। সিহঁতেও অনুভৱ কৰা নাছিল মাতৃৰ অভাৱ। এনেদৰে পাৰ হৈ গৈছিল তিনিটা বছৰ। সিহঁতৰ সৰু সংসাৰখনলৈ আহিল আৰু এক নতুন আলহী। মাহীমাকৰ কোলাত আশ্ৰয় ললে বিষ্ণু। সময়ৰ সোঁতত বিষ্ণু হৈ পৰিল অৰূপহঁতৰ বিহগুটি। মাহীমাকৰ ব্যৱহাৰ দিনে-দিনে কঠোৰ হৈ পৰিল। অৰূপহঁতক আগৰ দৰে মৰম নকৰা হ'ল। দেউতাক কালিৰাম হৈ পৰিল দ্বিতীয় পত্নীৰ বহতীয়া। কালিৰামে অৰূপহঁতৰ ফালে নোচোৱাই হ'ল। মাহীমাক সিহঁতৰ মনত কালবাঘিনী স্বৰূপ। হৈ পৰিল মাহীমাকৰ অত্যাচাৰত ৰুমীয়ে স্কুল এৰিলে। বিনা অপৰাধত ৰুমী হৈ পৰিল অতিষ্ঠা। পেট পুৰাই ভাত খাব নিদিয়ে। নানা শাস্তি। তাৰ উপৰিও উঠোতে-বহোতে চৰ, কিল আছেই। অৰূপে তাৰ বন্ধু-বান্ধৱীৰ লগতে ঘুৰি থাকে? ঘৰত কমেই থাকে তেতিয়া অৰূপৰ প্ৰৱেশিকা পৰীক্ষা পাৰ হৈ গৈছে। তেনেতে তাৰ জীৱন কক্ষত অৱতীৰ্ণ হ'ল দ্বিতীয় ধুমকেতু। মাহী-মাকৰ অত্যাচাৰ উৎপীড়ণ তিষ্ঠি থাকিব নোৱাৰি ৰুমীয়ে কৰিলে আত্মহত্যা। অৰূপ হৈ পৰিল দিশহাৰা। ৰুমীৰ এই পৰাজয়ত চকুলো মোচা অৰূপৰ বাহিৰে কোনো নাছিল ঘৰখনত।



ফাগুনৰ শুকান বালিত জুই লাগিল। জুই লাগিল অৰূপৰ অন্তৰত। এই জুই যি এবাৰ জ্বলিলে সি আৰু নুমাব নোৱাৰে। ইতিমধ্যে অৰূপৰ প্ৰৱেশিকা পৰীক্ষাৰ খবৰ ওলাল। সি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। কিন্তু তাৰ এই আনন্দৰ ভাগ লওঁতা যে কোনো নাই আজি। মাহীমাকৰ নিৰ্য্যাতন, দেউতাকৰ স্বাভাৱিক অৱহেলাই অৰূপৰ মনৰ দৃঢ়তা শিথিল কৰি দিলে। চিৰদিনৰ কাৰণে সি পিতৃগৃহ ত্যাগ কৰিলে! কিন্তু অৰূপ যাব কলৈ? সি যেন কক্ষচ্যুত এক উল্কাহে। অৰূপ আজি পথভ্ৰষ্ট, দিশহাৰা পথিক। মাক আৰু ভনীয়েকৰ স্মৃতি সাৱটি লৈ সি গৈ থাকিল। আজি তাৰ যোৱাৰ শেষ নাই। হে পাঠক, শেষত নিয়তিয়ে অকনমান কেৰাহিকৈ চালে অৰূপৰ ফালে।

এয়া সদানন্দ চলিহাৰ ঘৰ। সদানন্দ চলিহা এজন আধ্যৱন্ত লোক ঠিকাদাৰ চলিহাৰ অভাৱ নাই অৰ্থ-সম্পদৰ নাম কৰা ঠিকাদাৰ তথা ধনাঢ্য লোক হিচাপে চলিহাৰ সমাজতো প্ৰতিপত্তি নথকা নহয়। তেওঁৰ পৰিয়ালত মানুহ বুলিবলৈ মাত্ৰ তিনিজন। চলিহা, চলিহাৰ পত্নী আৰু জীয়েক নমিতা চলিহা। নমিতা তেতিয়া নৱম মান শ্ৰেণীৰ ছাত্ৰী। পাঠক! অৰূপ আজি ধনাঢ্য সদানন্দ চলিহাৰ আশ্ৰিত। সদানন্দ চলিহা আমাৰ কালিৰাম দত্তৰ বাল্যবন্ধু। সেইবাবে চলিহাই অৰূপৰ সকলো দায়িত্ব বহন কৰে। ইতিমধ্যে অৰূপে উচ্চতৰ মাধ্যমিক শ্ৰেণীত নাম ভৰ্তি কৰে। দিনবোৰ লাহে লাহে বাগৰি যায়। সময়ৰ বালি চাপৰিত অৰূপ দত্ত আগবাঢ়ি গৈ থাকে। নমিতা চলিহাৰ একেটি মাত্ৰ সন্তান ৰূপে-গুণে অতুলনীয় তাই। ধনীৰ দুলালী হলেওঁ আভিজাত্যৰ চাপ নমিতাৰ দেহ মন, আচাৰ ব্যৱহাৰ একোতে পৰা নাই। সহজ, সৰল কোমলমতীয়া তাইৰ অন্তৰ। প্ৰথম দৰ্শনতে তাই হৈ পৰিছিল অৰূপৰ প্ৰণয় বেদীৰ পূজ্যা দেৱী। নমিতাৰ মৰমৰ পৰশ লাগি অৰূপৰো অন্তৰ চাহাৰা সজীৱ হৈ উঠিছিল। নমিতাৰ এই মৰম পৰশ লাগি কোনোদিনে অৰূপে অনুভৱ কৰা নাছিল জন্মদাত্ৰী চেনেহী মাক আৰু মৰমী ভনীয়েক ৰুমীৰ অনুপস্থিতি। তথাপি অৰূপ কিন্তু সততে চিন্তাশীল। নমতাৰ চকুত ধৰাপৰিছিল তাৰ এই মানসিক চিন্তা।

সিদিনাৰ ঘটনা। অৰূপ কলেজৰ পৰা আহি ঘৰতে আছে। বিছনাত পৰি অতীতক ৰোমন্থন কৰিছে। এয়া তাৰ চকুত চকুপানী। এনেতে নমিতা সোমাই আহিল তাৰ কোঠালৈ।

'অৰূপ দা'

হঠাত তন্দ্ৰা ভাঙিছিল অৰূপৰ। চিঃ অৰূপদা, এয়া তোমাৰ চকুত চকুপানী। তুমি নিজকে সদায় সদায় লুকাই ৰাখা কিয়? মই জানো তুমি নিশ্চয় কিবা এটা মোৰ পৰা লুকাই ৰাখিছা। অৰূপৰ চকুপানী মচি দি

মৰমসনা মাতেৰে নমিতাই কৈছিল তুমি কিন্তু আজি মোৰ আগত একোৱেই লুকাই ৰাখিব নোৱাৰা অৰূপ দা। তোমাৰ এই দুখৰভাগী মোক জানো হবলৈ নিদিবা? মই জানো তোমাৰ পৰ?

নমিতাৰ এই মৰম পৰশত অৰূপ উভতি গৈছিল তাৰ অতীতলৈ। সি তাৰ অতীত জীৱনৰ ইতিহাস মুকলি কৰিছিল নমিতাৰ ওচৰত। সময়বোৰ বাগৰি গৈছিল। সময়ৰ সোঁতত দুটি প্ৰাণ, দুটি মন আবদ্ধ হৈছিল প্ৰণয়ৰ শকত এনাজৰী গছিৰে। সেয়া অৰূপ দত্ত আৰু নমিতা চলিহা কল্পনাৰ ৰঙীন সপোন ৰচি, আশাৰ বালিঘৰ সাজি আগবাঢ়ি গৈছিল অৰূপ আৰু নমিতা।

অৰূপ উচ্চতৰ মাধ্যমিক শ্ৰেণী পাছ কৰা দুবছৰ পিছৰ কথা। অৰূপ এতিয়া স্নাতক মহল দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ আৰু নমিতা উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰী। হে পাঠক! ইমান সময়ে আপোনালোকে অৰূপ আৰু মোৰ মাজৰ সম্পৰ্ক ভাবি নিশ্চয় উৱাদিহে পোৱা নাই। পাঠক! অৰূপ দত্ত মোৰ সহপাঠীয়ে নহয়, পৰম বন্ধু। একেটা Hosetlৰ একেটা কোঠাত আজি দুই বছৰ পাৰ হৈ গ'ল। ৰাতি ন বজাত Hostel লৈ উভতি আহি দেখো অৰূপে বিচনাত পৰি চকুপানী টুকিছে। বহুত শান্তনা দি তাক সাধাৰণভাবে স্বাভাৱিক অৱস্থালৈ আনিলো। মোৰ অৰূপ কিন্তু আজি তন্দ্ৰামগ্ন ভাবুক নহয়। মোৰ ওচৰত সি আজি হৃদয়ৰ গোপন বেদনা উজাৰ দি যেন শান্তিৰ সুষমা বিচাৰিছে। যন্ত্ৰৰদৰে মই শুনি গৈছিলো। মই যেন আজি নীৰৱ শ্ৰোতা। অৰূপে আজি মোৰ আগত দাঙি ধৰিছে তাৰ অতীত চন্দ্ৰহাৰা জীৱন ইতিহাস। অৰূপে কৈছিল তাৰ মাক আৰু ভনীয়েক ৰুমীৰ নিদাৰুণ স্মৃতিৰ কথা। সদৌ শেষত মোৰ আগত দাঙি ধৰিছিল তাৰ প্ৰণয়ী পাত্ৰী নমিতাৰ চিঠিখন।

শ্ৰদ্ধেয় 'অৰূপ' দা,

তোমাৰ অভাগিনী নমিতাৰ শেষ শ্ৰদ্ধা-ৰুণ লবা। আচৰিত হবা ছাগে অৰূপ দা, আজিৰ পৰা পোন্ধৰ দিন পিছত ইঞ্জিনিয়াৰ দিপঙ্কৰ চলিহাৰ লগত মোৰ বিয়া। তুমি হয়তো ভাবিছা অৰূপ দা, মই আজি নিষ্ঠুৰ, ঠগ, প্ৰতাৰক। কিন্তু অৰূপ দা, বিপদত যে চকুপানীয়ে নাৰীৰ একমাত্ৰ আশ্ৰয়ৰ স্থল তাক তুমি হয়তো ভাল-দৰে জানা। বহুত প্ৰতিবাদ কৰিছিলো। তো-মাৰ অভাগিনী নমিতাৰ বেদনাসিক্ত চকুলোৱে কঠোৰ মানৱৰ হিয়াত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰিলে।

কাৰণ কি জানা অৰূপ দা? তোমাৰ মোৰ মাজত যে বৰ্ণৰ আভিজাত্যৰ, এক দুৰ্জ্জয় হেঙাৰ। বৃথা মোৰ এই কৰুণ আস্ফালন। সেয়ে দেউতাৰ ইচ্ছাৰ বলি হবলৈ ওলাইছো। যদি পাৰা তোমাৰ নমিতাক উদ্ধাৰ কৰিবা। কিন্তু মই জানো অৰূপ দা, সেয়া তোমাৰ সাধ্যাতীত। কাৰণ তুমি যে অসহায়। সেইবাবেই তোমাৰ ওচৰত মোৰ শেষ অনুৰোধ, তুমি যেন মোক অভিশাপ দিয়া যাতে বিয়াৰ আগতে তোমাৰ নমিতাৰ মৃত্যু হয়। ইতি—

তোমাৰ

নমিতা।

আপোনালোকে নিশ্চয় জানিব বিচাৰে ইয়াৰ পিছত অৰূপ দত্তৰ কি হ'ল? হে পাঠক মণ্ডলী! এই ঘটনাৰ চাৰি বছৰ পিছত, মই আপোনালোকৰ অৰূপ দত্তক লগ পাওঁ।

অৰূপ দত্ত পাগল। সি আজি পথহাৰা, অৱহেলিত, অনাদ্ৰিতা জগতত আজি তাৰ স্থান নাই। এৰি অহা পিতৃ গৃহ আজি তাৰ পৰিত্যক্ত। নমিতাৰ মৰম ভাল পোৱাও সি এতিয়া নাপায়। সি তাৰ পুৰণি স্মৃতি চিহ্ন আওঁপুৰণি ৰুমালখনক লৈ জীয়াই আছে।

সদাশয় পাঠক মণ্ডলী, আপোনালোকে নিশ্চয় বিচাৰ কৰিব অৰূপৰ এই চৰম পৰাজয়ৰ বাবে দায়ী কোন? সদানন্দ চলিহা নে তেওঁৰ আভিজাত্যতা নে এই শিথিল সমাজৰ পঙ্গু নীতি, নে তেওঁৰ পিতৃৰ কাপুৰুষত্ব? নে নিষ্ঠুৰ নিয়তিৰ পৰিহাস???

---

"জীৱনটো এখন সংগ্ৰামৰ থলী। সাহসী আৰু কৰ্ম্মপটু জনেহে এই সংগ্ৰামত জয়লাভ কৰিব পাৰে।"

—নেপোলিয়ন—

এটি ভিন্ন সুৰৰ

# ৰম্য-ৰচনা ঃ

## কি ! দুৰ্গা দেৱীৰো স্মাৰক-পত্ৰ ?

স্বৰ্গৰাজ্যৰ নিৰ্ভৰযোগ্য 'স্বৰ্গবাসীৰ' সংবাদ-দাতা শ্ৰীযুত নাৰদ কেৰকেৰিয়াই যোৱা পৰহি 'স্বৰ্গবাসীৰ' প্ৰথম কলমতেই সংবাদ প্ৰেৰণ কৰিছে যে— এইবাৰ শ্ৰীশ্ৰীদূৰ্গা দেৱী অসমলৈ অহাৰ আশা ক্ষীণ। কিয়নো ব্ৰহ্মাৰ হাতত এখন অদ্ভুত স্মাৰক পত্ৰ দি জনাইছে যে— 'অসমত নিজস্ব সাজপাৰৰ ব্যৱহাৰটো নাইয়েই আনকি শাৰীয়েও স্থান নোপোৱা হৈছে। কেৱল দিচ্‌কো দিচ্‌কো আৰু বেগী। দিনকদিনে দিচ্‌কো আৰু বেগীয়েই গোটেই অসমীয়া ডেকা-ডেকেৰীৰ, ল'ৰা-ছোৱালীৰ আনকি কিছুমান বুঢ়া-বুঢ়ীৰো অতি আদৰৰ বস্ত্ৰ হৈ পৰিছে। দেখিলে এনেহেন লাগে যে— চাদৰ-মেখেলা আদি কাপোৰবোৰ 'মিউজিয়াম'ৰহে বস্তু; কিছুমানে এইবোৰক আপুৰুগীয়া বস্তুৰদৰে বাকচত সংৰক্ষণ কৰি ৰাখিছে।

গতিকে শ্ৰীশ্ৰীদূৰ্গাদেৱীয়েও (অৱশ্যে দিচ্‌কো পচন্দ কৰা নাই ) এইবাৰ বেগী পিন্ধি অসমলৈ আহিবৰ বাবে ব্ৰহ্মাৰ পৰা অনুমতি বিচাৰিছে। কিয়নো একেবাৰে 'লুজ' কাপোৰ পিন্ধি যুদ্ধ কৰা বৰ সুবিধা। দ্বিতীয় অভিযোগ এই যে— অসমৰ মহিষাসুৰ বিলাকে আগৰ সেই যাঁঠি, তৰোৱাল ব্যৱহাৰ নকৰে। এতিয়া তেওঁলোকৰ হাতে হাতে শক্তিশালী মাৰণাস্ত্ৰ। গতিকে তেওঁকো ( শ্ৰীশ্ৰীদূৰ্গাদেৱীকো ) শক্তিশালী দহখন হাতত কমেও এটা 'ষ্টেনগান,, এটা 'কাৰ্ব্বন', এটা 'ৰাইফল', এটা 'পিষ্টল' আৰু কেইটামান 'হাইড্ৰ'জেন বোম' দিব লাগে। তেতিয়াহে তেওঁ কোনোমতে প্ৰাণটো বচাই ( অসুৰ নিধন কৰিব পাৰক বা নোৱাৰক ) পুনৰ স্বৰ্গাভিমুখে ৰাওনা হোৱাটো সম্ভৱ হব। অৱশ্যে পালি-পহৰীয়া বিলাকৰ লগত কমেও এটা 'টেঙ্ক' আৰু এটা 'মেচিনগান দিলে বেয়া নহয় বুলি তেওঁ মত প্ৰকাশ কৰে।

কিন্তু স্মাৰক পত্ৰৰ শেষত উল্লেখ কৰা মতে— আকাশ, বতাহ, জল আৰু স্থলত যি-কোনো পৰিবেশত চলাব পৰা এখন অত্যাধুনিক 'স্বৰ্গাকৃতী' ( বাহনৰ নাম ) লাগিবই। নহলে অসমৰ অসুৰবোৰৰ ,হীৰোহুণ্ডা', 'মাৰুতী' আদি বাহনৰ লগত পাট্টাই পোৱা নাযাব।

অৱশ্যে বৰ্তমান ব্ৰহ্মাই তেওঁক ক্ষীণ আশ্বাসহে দিছে। যদি আমাৰ মন্ত্ৰী, এম, এল, এ. বিলাকৰ নিচিনা এই আশ্বাস হয় তেনেহলে কোনো কথাই নাই। যদি নহয়. তেতিয়াহলে ........ ......।

মোৰ অনুৰোধ, হে ষাঠি বছৰীয়া আতা-আবু, ককাদেউতা-আইটা, খুড়া-খুড়ী, জেঠা-জেঠী, পেহা-পেহীসকল এইবাৰ দূৰ্গাপূজা চাবলৈ আঁপোনালোক আহিব জানো। আহিলেও কিন্তু নাপাহৰিব ? এতিয়াই বেগী চিলাওঁক। সুবিধা দুটা গন্দগোলত দৌৰিব পাৰিব আৰু বস্তুৰ যিহে দাম ! এজাপ টকা আনিলেহে এপোৱা 'জিলাপি' পাব। চিন্তা নাই বেগীৰ পকেট ডাঙৰ।

গতিকে শেষত মই আপোনালোক আটাইলৈ শাৰদীয় শুভেচ্ছা জনাই দূৰ্গাপূজালৈ সাদৰে নিমন্ত্ৰণ জনালোঁ। আহিবদেই —

শ্ৰীভৱেশ শৰ্ম্মা.
প্ৰাক্তন সাধাৰণ সম্পাদক,
স্নাতক মহলা, তৃতীয় বাৰ্ষিক।

এইমাত্ৰ স্বৰ্গৰাজ্যৰ পৰা বাতৰি পোৱামতে ব্ৰহ্মাই শ্ৰীশ্ৰীদূৰ্গাদেৱীৰ স্মাৰক-পত্ৰ অনুযায়ী সকলোবোৰ দাবী পূৰণ কৰা-নকৰা সম্পৰ্কে আলোচনা কৰিবলৈ তেওঁক ( শ্ৰীশ্ৰীদূৰ্গাদেৱীক ) ষষ্ঠী পুজাৰ দিনাখন আমন্ত্ৰণ কৰিছে। উক্ত আলোচনাত ভোলানাথ শিৱ আৰু বিষ্ণুৱেও যোগদান কৰাৰ সম্ভৱনা আছে।

গতিকে নিমন্ত্ৰিত অতিথিবৃন্দ, মই আগেয়ে নিমন্ত্ৰণ জনাইছিলো যদিও অলপ দেৰীকৈ মানে অষ্টমীৰ পিছতহে আপোনালোকে আহিবদেই ! কাৰণ শ্ৰীশ্ৰীদূৰ্গাদেৱীয়েই নাহে যেতিয়া আপোনালোক আহিয়েই বা কি কৰিব। অৱশ্যে শ্ৰীশ্ৰীদূৰ্গাদেৱীৰ দাবী সমূহ উক্ত আলোচনাত পূৰণ হ'লে, সপ্তমী পূজাৰ দিনাখন নিশ্চই অসমলৈ আহিবই।

---

"বিকৃতাকাৰবাগ্‌বেশচেষ্টাদেঃ কুহকাদ্ভবেৎ হাসো"।

—— বিশ্বনাথ কবিৰাজ।

[ চেহেৰা, কথা-বাৰ্ত্তা, অঙ্গীভঙ্গী, সাজপাৰ আদিৰ বিকৃতিৰ পৰা সৃষ্টিহোৱা কৌতুকৰ পৰা হাস্যৰসৰ সৃষ্টি হয়। ]

## !! নিৰ্ম্মল হালৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভা !!

ইং ১৯৮৮-৮৯ চন।



বাওঁফালৰ পৰা–( বহি ) সৰ্ব্বশ্ৰী হেমন্ত শীল, প্ৰণৱ দাস ( তত্বাৱধায়ক ছাত্ৰ জিৰণি কোঠা ), মাণিক দাস ( তত্বাৱধায়ক সমাজসেৱা, তৰ্ক আৰু আলোচনা বিভাগ ), নিৰ্মল শইকীয়া (তত্বাৱধায়ক ছাত্ৰ একতা সভা), কৃষ্ণকান্ত গোস্বামী (অধ্যক্ষ), প্ৰবোধ চন্দ্ৰ গোস্বামী ( তত্বাৱধায়ক আলোচনী আৰু সাংস্কৃতিক বিভাগ ), নিৰ্মালী মহন্ত চৌধুৰী, মনিকান্ত দাস। (থিয় হৈ) – সৰ্ব্বশ্ৰী পুলিন দাস, অনিল ৰয় (সাধাৰণ সম্পাদক), ধনেশ্বৰ ৰয় (সহকাৰী সাধাৰণ সম্পাদক), বিনয় দত্ত (সম্পাদক আলোচনী বিভাগ), পৰণ চৌধুৰী (সম্পাদক তৰ্ক আৰু আলোচনা বিভাগ), মামনী তালুকদাৰ (সম্পাদিকা ছাত্ৰী জিৰণি কোঠা), ব্ৰজেন্দ্ৰ নাথ শৰ্মা (সম্পাদক ছাত্ৰ জিৰণি কোঠা), সুবোধ দাস (সম্পাদক লঘু খেল বিভাগ), সমেন দাস (সম্পাদক সমাজ সেৱা), পৰেশ চন্দ্ৰ শৰ্মা (সম্পাদক সাংস্কৃতিক বিভাগ), ধৈৰ্য্যধৰ ৰয় (সম্পাদক সাধাৰণ খেল বিভাগ), প্ৰভাত ৰয়।

# ENGLISH SECTION

## N. H. COLLEGE JOURNAL

PATACHARKUCHI,

SESSION— 1988-89

*EDITOR* :
SRI BINAY DUTTA.

*PROF.-IN-CHARGE* :
SRI PRABODH CHANDRA GOSWAMI.

## English Section

1. To my pen pal, Jiten Goswami, H. S. 1st year. 1
2. A dream in the broad day light, 2
K. K. Goswami, M. A. Principal.

# To my pen pal

O, my dearest pal
You are my eye ball
You give me much pleasure
By your nice letter.
Your words are funny
Sweeter than honey
You encourage me in every pace
By your sweet fondness.

*Jiten Goswami,*
H. S. 1st. year.
Roll No.—4

# A DREAM IN THE BROAD DAY LIGHT.

*K. K. Goswami,*
Principal

"No-never-it can't be." Ratul emphatically declares.

"The colossal status of Lachit Barphukan can serve no purpose to-day. An Unique example of the dead past can bear no fruit to the living generation.

"Your very idea is wrong." I intervene, "past, present and future are not three distinct bodies, as your think. On the other hand, they are only three parts of one body. If you take time for a long running stream, past, present and future are three parts of it. Things even of the hoary past can serve a noble purpose in the living present. To-day we sow and tomorrow we reap. It is crystal clear, that the dead yesterday, the living to-day and the unborn tomorrow are co-releted—one cannot stand without the other."

I am sorry, 'Mr. Ratul does not pay any heed to my point.'

'Yes brother,' he goes on saying, on his own accord, 'Don't mind please, I have made a plan-a nice plan, for your good. To-day I see you weak and timid, tomorrow, I am sure, I will she you stout and sturdy, if not bravest of the brave! Let us buy for you a printed photo of dountless Lachit Barphukan to hang it on



the well—over your head and you will find yourself stonger and stonger, day by day. In the long run, you will be Lachit Barphukan of the age, How happy I shall be!'

I feel perplexed and an keeping mum.

"Of course" Ratul sasy, 'I never forget to tell your maternal uncle, always to keep away.'

'Brother', angrily I shout.

Your words are pinching me. Why are you cutting me to the quick?

Turning a deaf car to my words he says, 'Brother, let me run to my battle-field. Of course, I shall fight there only with my pen.'

With words on the tip of the tongue he goes on I see him at a run.

However, his words are still ringing in my ear, A good number of questions are puzzling me.

What is the use of the statue of Lachit Barphukan?

It is nothing but a toy from the market?

Why do we ruminate our glorious past?

Can we derive any benifit from it?

Befitting reply does not crop up in my mind.

Questions are lying unanswered.

Through the window I am gazing only at the high statue, as if I am demanding befitting answer from it!

Immediately I fall asleep. I am floating in the land of dream I find myself on the branch of a big tree, standing on a mighty river.

In my front-there lies a meadow-a wide one, stretching the farthest point of the horizon. A broad street runs through the grassy meadow almost equally dividing it—into two—one lying to the north and the other to the

south. In the southern portion of the meadow - I see two platforms almost of equal size and height, standing side by side. They are decorated richly. In the next moment raising my head high, I see another, the third one, standing at a distance to the north of the broad street. I see a flag fluttering - in front of each platform. Throwing my glance, a bit closely, I am sure that these flags are not of same disign, colour and size. In the emblems too, there lies difference. Thousands of youths are thronging around each of these pulpits.

A cursory glance on the very get up of the two platforms, lying side by side leads me to think, that one students' organization bifurcated for some internal group clash among the leaders. I grieve to think that the spirit of unity is missing. One question disturbs me. Why are they holding the session simultaneously - and that too, in the same field - lying side by side ?

In answer to it, the idea comes to my mind, that craving for political power prompts them to take that line. The visitors gallaries, I see, are packed to the capacity.

The third one again, lying at a distance to the north of the broad street is, most probably, formed by another group of studenes claiming different ethanic identity. Purpose is same - achievement of power, by fair means or foul.

It amuses me beyond measure, that on the one stage all are shonting 'slogans at the top of their voice and on the other, some one, I see is delivering firey lecture. Nothing is clearly heard - just a hullabaloo youths occupying the visitors' galleries apear to be not at all mindful. Gossiping is going on freely. Many of them are laughing under their sleeves. The



performances in both the platforms clearly reveal the daggers drawn relation between the two. Again I see. number of youths on the visitors' galleries are on their feet, demanding answer. Uncalled for remarks are very often heard. It appears. that the atmosphere is gradually becoming hot.

In the next moment, I see, a batch of agry students jumping down from one platform and running to the other, lying near. Their unsteady steps and uncalled for remarks clearly indicate, that they are under *heavy* alcoholc *pressure.*

'Why have you,' some one *shrills* 'raised this ugly platform on this *spot*, just by the side of ours ?

To create disturbance ?

Yes, you will get - *befitting* reward ?

How is this, ? reply is floating from the other platform. 'Are you speaking ill of our organization ? Keep it in mind—You are playing with fire. The organization of ours may not be the oldest— but I dare say— it is the best. By the by I tell you - rather bostfully decleare - though ours is a new one financially is on strong footing if not ihe strongest of all. Only by way of reference, I tell you that in our first anniversary we have collected thousands.'

'You *rascal* - idiot', some one roaring from the platform; 'are you going to teach your grandmother be *suck* ? I *spit*, I *kick* on your *rootless* organization. You are proud of financial *abundance*. of your poor organization; you are telling of thousands - horrible !

It is nothing—yes. I say nothing, I am shouting - keep it in mind, — we are paying thousands to the patty vendors against their bils on rum.

Exchange of hot words *leads* to a mad hue and cry.

At a distance I see one tall youth with short beards on his chin, running to the spot. I am astonished to see that his arrival is just adding fire to the fuel. "My hand will speak for me," he shouts at the top. Immediately, I see, one boy falling flat on the ground. Exchange of words and blows are going on simultaneously. The ugly sight of bleeding noses grieves me beyond measure. A mad hue and cry prevails. The dais meant for a dignified gathe-ring has been converted to a bloody cock-pit, I am trembling out of fear to see a number of boys, screaming with untold agony. They are running helter and skelter, A note of discord is almost everywhere, No right thinking man I see making an earnest attempt to bring back peace and harmony. A desperate *milee* under my nose! What can I do ? I am making persistant attempt to get rid of these wild scene, But no, not even an inch I can move. I am helpless.

Moving my head, I see a tall and sturdy fellow unsteadily movi-ng to the dias. And in his hand a big bottle of rum is clearly visible. He is shaking the big bottle over his head and I hear him shonting at the top of his voice, "None-none–*but* we can make lovely Assam lovelier still, We can and we shall nonelse–lovely Assm is becoming loveiier–lovelier'. Never he can stand erect. In the moment I see him falling flat on the dais. Yet he is shri-lling oft and on– lovely-lovely. However, he is seen keeping mum most probably he is, by now. in the lap of slumber. The dias, I see, takes a deserted look, Some youths have alredy left the spot and those who are on the dais



appear to be fully exhausted, most of them are unable, even to move.

Casting my glance at a dista-nce, I see the high pulpit lying to the north of the broad street. All the youths around the pulpit appear to be up and doing. On their face I see clear line of utter dissatisfaction. Their flat lips are trembling out of rage, as if they are in a vindicative mood, with a firm determination to take revenge upon some body ! A question pops up in my mind– what do they want to do ?

I see them jumping hurriedly from the high pulpit. They are moving in a body, covering the broad street, as if never ending lines of ants ! On colse observa-tion it has come to my notice, that none of them is moving free handed, they are armed to the teeth, though all these weapons are not fully ex-posed. This sight-leads me to think on the line, 'bad is gone only worse is nearing.' I am mak-ing persistant attempt to leave the spot, but with no efect ; I can move, not even an *inch*.

'Eh ! bloody–rogue' some one from the line bursts, 'don't flee away – an answer, a clear and stra-ight answer we want.'

'Tell us, yes–tell us prompt,' a rude voice is *hurled* from the mobile line, 'May we know on whose permission have you raised this platform–the ugly one–in our land ?'

'Yes a elear and prompt ans-wer we want,' another shrills. 'Is it not a clear case of encroach-ment ? Says one.

To two platforms lying to the south of the broad street is already wearing a deserted look. Some of the members have already left the spot. Many of them, again, are lying flat with bleeding injuries the inevitable result of group fighiting

'None-none,' reply comes from

the high platform. None should venture to demand an explanation. Who can challenge our authority? Who can make us foreigners in the land of our birth?"

'We hate—we spit on the selfish brutes.' One boy from the dais shonts.

'Mind it' puffing on his broad chest he declares, 'I tell you you are sowing winds just to reap *Whirldwind.*

Miracle—a miracle in the next moment, number of stout and strudy youths standing around the pulpit, I see, pressing into action riflse, revolvers, L. P. G., hand grenade and what not!

I am greatly alarmed, rather dead out of fear to witness such a terrible scene. What can I do? My loud outcry is *but* a cry in the wilderness.

The green meadow, the auspicious place of dignified gathering is taking the terrible look of a bloody battle-field. The heart breaking sight of wounds with dripping blood is too much for me to bear.

As a measure to get rid of this ghastly scene I close my eyes. But my ears are fully exposed. A tremendous sound I hear, as if the earth is torn asunder! I am trembling, The throbing of my heart, I distinctlp hear.

I open my eyes to see, what actually happens there. To my utter surprise, I see, thick whitish smoke enveloping the earth. wonderful, I do not see even the fingers of my hands. A mad hue and cry is heard. Only a cry out of bitter agony and dispair is heard. I am very surprised to see a gaint swallowing smoke! In the next moment no smoke is seen there, as if I am witnessing a magic show! On close observation it has become clear to me, that I see not a gaint, but the colossal statue of Lachit Barphukan. The



high statue is standing amidst the bewildred youths, with blood-shot eyes. He is swinging the long sword in the air. Pin drop *silence* prevails. My happiness knows no bound to see, that all are voluntarity throwing off from their blood stained hands, the deadly weapons of various descriptions. All students irrespective of ethnic groups are on their knees with folded hands. I too am bowing down.

All students present are saying in unison,—'we crave your blessings.'

A grave magestic tone is floating in the air,—'Don't think that Lachit Barphukan is dead. He is still living in the hearts of the sacred souls, dedicating their lives for the noble cause of Assam. Passive he is not and his rising sword in hand will fall on the satans tarnishing the good name of Assam.

Waking up I see Ratul standing by me along with his wife I feel ashamed to narrate, even a part of the dream—and that too in the broad day-light.

It Is though an empty dream—to me, it is living reality.

END

# নিৰ্ম্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ—

জয়জয়তে আমাৰ মহাবিদ্যালয়ৰ মুখপাত্ৰখনৰ উদ্বোধনী সংখ্যাত মোৰ প্ৰতিবেদন সংযোজন কৰি এটি পৰম্পৰা উন্মোচন কৰিবলৈ পাই মই নিজেই গৌৰৱান্বিত। ভঙা-গঢ়াৰ সংঘাটে গৰকা আমাৰ মহাবিদ্যালয়ৰ প্ৰাত্যহিক জীৱনলৈ সম্প্ৰতি আহি পৰা সুস্থিৰ সমাহিত পৰিবেশে ছাত্ৰ-ছাত্ৰী সকলৰ সুকুমাৰ মনত ভাষা-সাহিত্যৰ পাৰিজাত কাননত কিঞ্চিৎ অৰ্ঘ্য দিয়াৰ অশেষ প্ৰেৰণা দান কৰিছে। মহাবিদ্যালয়ৰ যৌৱনোদীপ্ত পৰিবেশত চকুৱে-মুখে সোণালী স্বপ্নৰ আবেশে ভৰা ছাত্ৰ-ছাত্ৰী সকলৰ নেতৃত্ব লোৱাৰ মোৰ বাসনাক যি সকলে সমৰ্থনৰ সম্প্ৰসাৰিত হাত আগবঢ়াই নিৰ্ব্বাচনত জয় কৰিছিল, তেওঁলোকলৈ মোৰ আন্তৰিক ওলগনি আকৌ নিবেদিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সাম্পদকৰ দায়িত্বভাৰ লৈ বিভিন্ন চিন্তাই জুমুৰি দি ধৰিছিল, মনটো ৰচনাত্মক দিশেৰে উজাই গৈ ছাত্ৰ-ছাত্ৰী সকলৰ সেৱা কৰোঁ, দৰাচলতে বহুতো মহাবিদ্যালয়ত সাধাৰণ সম্পাদকৰ সেৱা কাৰ্য্য গতানুগতিক আৰু ৰুটিন মাফিক। বিধিধতা সৃষ্টি পৰিসৰ আৰু পৰিবেশ সীমিত। আমিও তাৰ ব্যতিক্ৰম নহয়। তথাপিও আমাৰ মহাবিদ্যালয়, ইয়াৰ ছাত্ৰ-ছাত্ৰী, মোৰ স্বদেশ আৰু চৌপাশৰ আবেষ্টনীত সাধাৰণ সম্পাদক হিচাপে মই নিজক নতুনকৈ আবিষ্কাৰ কৰি মোৰ কৰ্ম্মদিশ নিৰ্ণয় কৰাৰ বিনম্ৰ প্ৰয়াষ কৰিছিলো।

আমাৰ মহাবিদ্যালয় :— ১৯৭৯ চনত আমাৰ মহাবিদ্যালয়ৰ মাঙ্গলিক উদ্বোধন কৰা হৈছিল। ইয়াৰ জীৱন পৰিক্ৰমাই সুদীৰ্ঘ কাল পাৰ কৰিলেও

## ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰু সকলোলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। ১৯৮৮-৮৯ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্ব্বাচিত হৈ সেৱা কৰাৰ সুযোগকণ দিয়া বাবে আপোনালোকলৈ শলাগৰ শৰাই আগবঢ়াইছো। এই গুৰু দায়িত্ব পালন কৰাত মই কিমান সফল হ'লো সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত।

বিগত বছৰৰ উল্লেখনীয় কাৰ্য্যাৱলীৰ ভিতৰত কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই 'মহাবিদ্যালয় সপ্তাহ' উদযাপন কৰিছিলো। মোৰ এই কাৰ্য্যকালত উচ্চতৰ মাধ্যমিক আৰু স্নাতকৰ শেষান্ত পৰীক্ষাৰ্থী সকলক বিদায় সম্ভাষণ জনোৱা হয়।

**অভাৱ অভিযোগ সমূহঃ** ১৯৭৯ ইং চনত প্ৰতিষ্ঠিত এই চালুকীয়া অনুষ্ঠানটিয়ে বৰ্ত্তমানলৈ পূৰ্ণতা পোৱা নাই। সেয়েহে এই অনুষ্ঠানটিৰ অভাৱ অভিযোগো অসীম। প্ৰয়োজন অনুসৰি চৰকাৰৰ পৰা সাহায্য নোপোৱাত ছাত্ৰ ছাত্ৰী সকলে যথেষ্ট অসুবিধা ভোগ কৰি আছে। সেই কাৰণে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শাৰিৰীক, মানসিক তথা শৈক্ষিক পৰিবেশ উন্নতি কৰিবলৈ তলত উল্লেখ কৰা অভাৱ-অভিযোগ সমূহ পূৰণ কৰিবলৈ নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষলৈ টানি অনুৰোধ কৰা হ'ল।

প্ৰথমতে, পুথি ভঁৰালৰ অভাৱ মোচন; দ্বিতীয়তে, শাৰিৰীক উৎকৰ্ষ সাধনৰ একমাত্ৰ স্থলী খেল পথাৰৰ অভাৱ দুৰীকৰণ; তৃতীয়তে, শ্ৰেণী নথকা সময়ত জিৰণি লোৱাৰ বাবে জিৰণি কোঠাৰ অভাৱ দুৰীকৰণ; চতুৰ্থতে, মহাবিদ্যালয়ৰ প্ৰৱেশ পথৰ উন্নতি সাধন কৰা; পঞ্চমতে, মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ দুষিত কৰিব নোৱাৰে, তাৰ বাবে মহাবিদ্যালয়ৰ চৌহদত বেৰ দিয়াৰ সুব্যৱস্থা কৰক। ইয়াৰ উপৰিও অন্যান্য অভাৱ-অভিযোগ আমাৰ আছে। তথাপি ওপৰত উল্লেখ কৰা অভাৱ-অভিযোগ সমূহৰ প্ৰতিকাৰৰ বাবে এক বলিষ্ঠ পদক্ষেপ লব বুলি কৰ্ত্তৃপক্ষৰ ওচৰত আশা ৰাখিছোঁ।

**কৃতজ্ঞতা স্বীকাৰ :-** মোৰ এই কাৰ্য্যকালত সকলো প্ৰকাৰে দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মাননীয় অধ্যক্ষ মহোদয় তথা আটাই বোৰ শিক্ষাগুৰুকলৈ মোৰ কৃতজ্ঞতা জনাইছোঁ। কাৰ্য্য সমূহ পালন কৰাত বিভিন্ন দিশত সহায় সহযোগ কৰা বাবে মোৰ সহপাঠী বন্ধুবৰ্গলৈ মই শলাগৰ শৰাই নিবেদিছোঁ।

শেষত অজানিতে কৰা ত্ৰুটি-বিচ্যুতিৰ বাবে মাৰ্জ্জনা বিচাৰি নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ চমু প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

জয়তু নিৰ্ম্মল হালৈ মহাবিদ্যালয়।

শ্ৰীধ্ৰুৱেশ্বৰ ৰয়।
সহঃ সাধাৰণ সম্পাদক।
'জয় আই অসম'

• • •

## ছাত্ৰ-জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন :-

প্ৰতিবেদনৰ পাতনিতে নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ১৯৮৮-৮৯ ইং চনৰ নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্ব্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্ব্বাচিত হৈ নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱী সকলক সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীৰ ওচৰত প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই দায়িত্ব সুচাৰুৰূপে চলাই নিয়াত কিমানখিনি সফলতা লাভ কৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্য।

নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ নিচিনা মহাবিদালয় এখনত ছাত্ৰ সকলৰ কাৰণে এটা স্বকীয়া জিৱণি কোঠাৰ ব্যৱস্থা নথকাটো বৰ পৰিতাপৰ কথা। গতিকে এইখিনিতে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হকে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰো যাতে ছাত্ৰ ছাত্ৰীৰ সংখ্যালৈ লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অনতি পলমে ছাত্ৰৰ উপযোগী জিৰণি কোঠা এটাৰ ব্যৱস্থা কৰে। অৱশ্যে জিৰণি কোঠা হিচাপে ঘৰটোৱেই যথেষ্ট নহয়। তাত নানা ধৰণৰ খেলৰ সামগ্ৰী, বাতৰি-কাকত, আলোচনী গল্প কিতাপ আদি থকাটোও বাঞ্ছনীয়। খেল-ধেমালিয়ে ছাত্ৰ-ছাত্ৰীৰ শাৰিৰীক শক্তি বঢ়োৱাৰ উপৰিও মানসিক উৎকৰ্ষও সাধন কৰে। গতিকে খেল-ধেমালিৰ অভাৱে ছাত্ৰ ছাত্ৰী সকলৰ আনন্দ কাঢ়ি নিয়াৰ উপৰিও জ্ঞানৰ দিগন্ত সুদূৰ প্ৰসাৰী কৰাত বাধাৰ সৃষ্টি কৰিছে। সেয়েহে ছাত্ৰৰ বাবে উপযোগী এটি ছাত্ৰ জিৰণি কোঠাৰ অনতি পলমে ব্যৱস্থা কৰিবলৈ এই প্ৰতিবেদনৰ যোগেদিয়েই পুনৰাই অনুৰোধ জনালোঁ।

অইনবাৰৰ দৰে এইবাৰো বছৰেকীয়া খেল-ধেমালি উলহ-মালহেৰে পালন কৰা হয়। এই খেল-ধেমালিত জিৰণি কোঠাৰ খেলবোৰত যোগদান কৰি যি সকল ছাত্ৰ-ছাত্ৰীয়ে উৎসাহ-উদ্দীপনা দেখুৱালে সেই সকলৰ ওচৰত আমি চিৰ ঋণী। লগতে এই খেলবোৰ পৰিচালনা কৰাত যি সকল শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীয়ে পৰামৰ্শ আৰু সহায়-সহযোগেৰে মোক উপকৃত কৰিছিল তেখেত সকললৈ মোৰ ফালৰ পৰা কৃতজ্ঞতা যাচিলো।

সদৌ শেষত আমাৰ কাৰ্য্যকালছোৱাত কৰা, বৈ যোৱা অজ্ঞাত দোষ-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জ্জনা বিচাৰি আৰু নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা এই মহান শিক্ষানুষ্ঠানটোৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

জয়তু নিৰ্ম্মল হালৈ মহাবিদ্যালয়।

শ্ৰীব্ৰজেন নাথ শৰ্ম্মা,
সম্পাদক,
ছাত্ৰ জিৰণি চ'ৰা।



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ—

প্ৰতিবেদনৰ পাতনিতে যি সকলে আইৰ পূজাৰ বেদীত মাতৃৰ মুখ উজ্বলাবলৈ প্ৰাণ আহুতি দিলে, সেই সকল মহান জ্ঞাত-অজ্ঞাত শ্বহীদলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদিছোঁ, আৰু যি সকলে একে উদ্দেশ্যেৰে চিৰদিনৰ বাবে পঙ্গু জীৱনৰ বেদনা লৈ জীৱন অতিবাহিত কৰিছে সেই সকললৈ মই মোৰ কণমানি হিয়াৰ প্ৰণিপাত যাচিছোঁ।

- জয়জয়তে নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত কৃষ্ণকান্ত গোস্বামী সমন্বিতে সমূহ শিক্ষাগুৰু সকললৈ মোৰ কাৰ্য্যকালৰ সময়ছোৱাত প্ৰতিটো দিশত সহায় কৰাৰ বাবে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিছোঁ মোৰ কাৰ্য্যকাল ছোৱাত মোৰ ওপৰত ন্যস্ত কৰা দায়িত্ব সমূহ কাৰ্য্যকৰী কৰাত মই কিমান দূৰ সফলতা লাভ কৰিছো সেই সকলোবোৰ ছাত্ৰ-ছাত্ৰীৰ বিচাৰ্য্য।

**সমাজ সেৱাৰ মনোভাৱ ঃ—** সুনাগৰিকৰ এটা অপৰিহাৰ্য্য গুণ। প্ৰতিজন মানুহৰে সমাজ সেৱাৰ প্ৰতি আন্তৰিক ধাউতি থকা উচিত। ছাত্ৰ-ছাত্ৰী সকলৰ এই অপৰিহাৰ্য্য বিষয়টো কাৰ্য্যকৰী কৰাত সুন্দৰ প্ৰচেষ্টা আৰু জাতি গঠন প্ৰক্ৰিয়াত সহায়ক হৈছে।

মোৰ কাৰ্য্যকাল ছোৱাত বিশেষ ভাবে সহায় কৰা সমাজ সেৱা বিভাগৰ দায়িত্বত থকা অধ্যাপক শ্ৰীযুত মাণিক দাস মহোদয়ৰ ওচৰত মই চিৰ কৃতজ্ঞ। উক্ত সময়ছোৱাত বিভিন্ন দিশত সহায়-সহযোগ কৰা ছাত্ৰ বন্ধু সৰ্ব্বশ্ৰী— ৰাতুল ৰয়, মোহিত, ধৈৰ্য্যধৰ, হেমন্ত, অনিল, ৰমেন, কনিকা, যুটিপ্ৰভা, প্ৰতিভা, দিপা লগতে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

মোৰ কাৰ্য্যকালছোৱাত মই আমাৰ মহাবিদ্যালয়খনৰ সামাজ সেৱা বিভাগৰ তৰফৰ পৰা যিমানখিনি কাম কৰিব লাগিছিল সেইখিনি মোৰ কাৰ্য্যকালত ফলৱতী হৈ নুঠিল তাৰ বাবে নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

সদৌ শেষত মোৰ কাৰ্য্য কালছোৱাত অজানিতে কৰা ভূল-ক্ৰুটিৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

জয়তু নিৰ্ম্মল হালৈ মহাবিদ্যালয়।

শ্ৰীসমেন দাস,
সম্পাদক,
সমাজ সেৱা বিভাগ।

# তৰ্ক আৰু আলোচনী সম্পাদকৰ প্ৰতিবেদন ঃ—

সম্পাদকীয় প্ৰতিবেদনৰ প্ৰাৰম্ভণীতেই নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। যি সকল বন্ধু বান্ধৱীৰ একাগ্ৰ ইচ্ছাত ১৯৮৮-৮৯ ইং চনৰ বাবে মহাবিদ্যালয়ৰ এই গুৰু দায়িত্ব বহন কৰিবৰ বাবে অধ্যক্ষ মহোদয়ে মোক মনোনীত কৰে সেই সকল বন্ধু-বান্ধৱী তথা অধ্যক্ষ মহোদয়কো এই সুযোগতে মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ১৯৮৮-৮৯ ইং চনৰ মহাবিদ্যালয়ৰ সপ্তাহত মোৰ বিভাগৰ পৰা ইংৰাজী আৰু অসমীয়া মাধ্যমৰ তৰ্ক দুয়োখন প্ৰতিযোগিতাই পতা হৈছিল। উল্লেখযোগ্য যে এই বেলিয়েই পোন প্ৰথমবাৰৰ বাবে ইংৰাজী মাধ্যমৰ তৰ্ক প্ৰতিযোগিতা পতা হৈছিল। যদিও ইয়াত তুলনামূলক ভাবে কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল তথাপি ইয়াৰ মানদণ্ড উন্নত পৰ্য্যায়ৰ আছিল। অসমীয়া মাধ্যমত তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল— 'মহাবিদ্যালয় পৰ্য্যায়ত শিক্ষাৰ মাধ্যম অসমীয়া হোৱা অনুচিত' আৰু ইংৰাজী মাধ্যমত আছিল— 'Democracy in India is nothing but a mockery'. ইয়াৰোপৰি এইবাৰৰ 'কুইজ' প্ৰতিযোগিতাখনত অভিলেখ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। মই ভাবো ই এক শুভ লক্ষণ। মোৰ কাৰ্য্য কালছোৱাত এখন আলোচনা চক্ৰও অনুষ্ঠিত কৰা হয়। আলোচনা চক্ৰৰ বিষয় বস্তু আছিল— ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ ভূমিকা'। ইয়াত অধ্যক্ষতা কৰিছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে। ছাত্ৰ-ছাত্ৰীৰ লগতে ভালেকেইজন প্ৰৱক্তাইও ইয়াত অংশ গ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক তথা মানসিক উংকৰ্ষ সাধনৰ বাবে এই বিভাগটোৰ সৃষ্টি কৰা হৈছে। গতিকে মই আশা ৰাখিছোঁ মহাবিদ্যালয় কৰ্তৃপক্ষ তথা ছাত্ৰ ছাত্ৰী সকলে যেন এই বিভাগটোত অধিক গুৰুত্ব আৰোপ কৰে।

**কৃতজ্ঞতা স্বীকাৰ ঃ** তৰ্ক বিভাগৰ